# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ২৬/১১/২০২৫ বুধবাৰ

আজি ইংৰাজী ২৬-১১-২০২৫ তাৰিখে মাননীয় অধ্যক্ষ শ্ৰী বিশ্বজীৎ দৈমাৰীৰ অধ্যক্ষতাত অসম বিধান সভাৰ সভা-কক্ষত শীতকালীন অধিবেশন পূৰ্ব-নিৰ্দ্ধাৰিত সময়সূচী মতে ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ২১ শ্ৰী ছুজাম উদ্দিন লস্কৰ।

**শ্ৰী অতুল বৰা, (কৃষি আৰকাৰী মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এত্যিা supplementary.

**শ্ৰী ছুজাম উদ্দিন লস্কৰ, (কাটলিছেড়া) ঃ** অধ্যক্ষ মহোদয়, হাইলাকান্দি জিলাৰ আগতে তিনিটা সমষ্টি আছিল। কাটলিছেড়া, হাইলাকান্দি, আলগাপুৰ। এতিয়া delimitation ৰ পিছত দুটা সমষ্টি হৈছে। হাইলাকান্দি এটা আৰু কাটলিছেড়া আৰু আলগাপুৰ মিলাই এটা। কিন্তু কথাটো হৈছে আমাৰ হাইলাকান্দি জিলা ৮০ শতাংশ population হৈছে কৃষিজীৱি। আমাৰ district office ও হাইলাকান্দি আৰু sub-division টোও হাইলাকান্দিত পৰিছে। কিন্তু কাটলিছেড়া আৰু আলগাপুৰত কোনো sub-division নাই। সেইকাৰণে কাটলিছেড়া আৰু আলগাপুৰত যদি এটা sub-division দিব পাৰে বহুত সুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া suplementary. Hon'ble Minister শ্ৰী অতুল বৰা।

**শ্ৰী অতুল বৰা, (কৃষি আৰকাৰী মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাইলাকান্দি জিলাৰ নিচিনা ৰাজ্যখনত কেইবাখনো জিলা আছে, য'ত একেখন জিলাত দুটা তিনিটা সমষ্টি আছে। সেইবিলাকতো এতিয়ালৈকে চৰকাৰে কোনো ধৰণৰ নতুন sub-division দিয়াৰ পৰিকল্পনা কৰা নাই।

**শ্ৰী ছুজাম উদ্দিন লস্কৰ, (কাটলিছেড়া) ঃ** মহোদয়, আমাৰ সমষ্টিটো বহুত ডাঙৰ। ২ লাখ ৮০ হাজাৰ ভোটাৰ হৈছে। এতিয়া কমেও এটা sub-division দিলে, মানুহ হৈছে ৮০ শতাংশ, এইটো অলপ চিন্তা কৰিলে ভাল হয় মন্ত্ৰী মহোদয়। তিনিটা সমষ্টিত দুটা হৈছে আৰু গোটেই হাইলাকান্দি সমষ্টিত পৰিছে। District Headquarter আৰু sub-division দুটাই হাইলাকান্দিত পৰিছে। কাটলিছেড়া আৰু আলগাপুৰত ২০০ কিঃ মিঃ ওপৰত দূৰত্ব আছে। এটা sub-division যেনে তেনে দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister শ্ৰী অতুল বৰা।

**শ্ৰী অতুল বৰা, (কৃষি, আৰকাৰী মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যেনে তেনে দিব দিছে। এতিয়া সমষ্টি delimitation ৰ পিছত কথাবোৰ বহু ঠাইত নতুনকৈ চিন্তা কৰিবলগীয়া হয়তো হ'ব ভৱিষ্যতৰ দিনত কাৰণ প্ৰতিটো বিধানসভা, সমষ্টিতে এতিয়া CDC কাৰ্য্যালয় আছে। কিন্তু বৰ্তমানলৈ চৰকাৰে চিন্তা কৰা নাই তথাপি কৃষকৰ সংখ্যা, কৃষিৰ ক্ষেত্ৰত এইবিলাক কথা বিবেচনা কৰি নিশ্চয় ভৱিষ্যতৰ দিনত চৰকাৰে চিন্তা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ছুজাম উদ্দিন লস্কৰ, (কাটলিছেড়া)ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নৰ উত্তৰত যি ধৰণে কৈছে সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ পিছত আৰু পঞ্চায়তৰ সীমা পুনৰ নিৰ্ধাৰণৰ পিছত কৃষি বিভাগৰ তেওঁলোকৰ যি ধৰণৰ ADO পৰ্য্যায়তে হওঁক বা GP level তে হওঁক যিখিনি নিয়ে, তেওঁলোকৰ বিভাগে যি ধৰণে আঁচনি বা বিভিন্ন হিতাধিকাৰীসকলক লৈ কাম-কাজ চলায় যথেষ্টখিনি অসুবিধাৰ সন্মুখীন হৈছে। সেয়ে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আহ্বান জনাম যে কৃষি বিভাগে এই বিষয়ে উপলব্ধি কৰিছে নে নাই, সমস্যা হৈছে তেওঁলোকে জ্ঞাত হৈছে নে নাই অতি সোনকালে এই বিষয়ে study কৰি, কৃষি বিভাগেও তেওঁলোকৰ জৰীপ চলাই কেনেকৈ office বোৰ কোনটো পৰ্য্যায়ত লৈ যাব লাগে সেই বিষয়ে তেখেতে ব্যৱস্থা ল'ব লাগে আৰু এই বিষয়ে তেওঁলোকে ল'ব নে নাই সেই কথা মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী অতুল বৰা, (কৃষি; আৰকাৰী মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগে এই কথাবোৰ পুংখানুপুংখভাৱে বিবেচনা কৰি আছে। ধৰক নতুনকৈ বজালী জিলাখন। বজালীত আমি সুকীয়াকৈ কৰিছো আৰু বিভিন্ন ঠাইত হৈছে, নোহোৱাকৈ থকা নাই। মই কৈছো যে সমষ্টিৰ delimitation ৰ পিছত আমাৰ কৰিবলগীয়া কেতবোৰ কাম চকুত পৰিছে, ভৱিষ্যতৰ দিনত বিভাগে এই কথাখিনি পৰ্য্যালোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া প্ৰশ্ন নং ২২। শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো। একে প্ৰশ্ন মই আগতেও দুই তিনিবাৰ মান কৰিছো। মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰটো মোৰ লগত আছে। কথাটো হ'ল অসম চৰকাৰে যিটো নদীৰ পাৰৰ মথাউৰি বিলাক পকীকৰণৰ ব্যৱস্থা কৰিছে, ঠিক তেনেকৈ পাগলাদিয়া নদীৰ ভূটানৰ পৰা নামি অহা right pan যিটো আছে,( সেইটো আৰম্ভ হৈছে ভূটানৰ পৰা তামুলপুৰ সমষ্টিত আৰু শেষ হৈছে মোৰ সমষ্টি আদাবাৰীত। মাননীয় মন্ত্ৰী মহোদয়ে কথাখিনি ঠিকে কৈছে। বহুত কাম হৈছে, মই নোহোৱা বুলি কোৱা নাই। বাকী আটাইতকৈ বেয়া অঞ্চলটো হৈছে বিজুলীঘাটৰ পৰা একেবাৰে আদা বাৰীলৈ প্ৰায় ৬ কিঃমিঃ। এই অঞ্চলটোত পাগলাদিয়া নদীত erosion খুব বেছি। এতিয়া প্ৰথম কথাটো হ'ল মই এটা unstarred question ও কৰিছো। তাত থকা মথাউৰিটো ঠিক কৰাৰ কাৰণে এটা estimate ইতিমধ্যে অহা বুলি কৈছে তেখেতে। সেইটো ৪ কোটি টকাৰ estimate. জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে এইটো অতি সোনকালে sanction কৰি দিব লাগে আৰু সেইটো হোৱাৰ পিছত আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে জলসম্পদ বিভাগে PWD বিভাগক পইচাখিনি দিয়ে, কামখিনি NOC সাপেক্ষে PWD য়ে কৰে। গতিকে আপোনাক request কৰিছো, সময়ো নাই। আপুনি যাতে অতি সোনকালে ৪ কোটি টকাৰ কামটো আৰু বাকী ৬ কিঃ মিঃ যিটো আছে সেইটো পকীকৰণৰ ব্যৱস্থা কৰি দিয়ক নহ'লে মানুহৰ খুব বেয়া পৰিস্থিতি হৈছে আৰু সকলো মানুহৰে অসুবিধা হৈছে। আৰু এটা কথা যিটো মন্ত্ৰী মহোদয়ে কৈছে যে যাৱতীয় পুঁজি সাপেক্ষে আঁচনিৰ কাম হাতত লোৱা হয়, এই যাৱতীয় পুঁজি কেতিয়া আহিব, সেইটো এটা ডাঙৰ কথা। যদি বহুত দিন হয় অসুবিধা হ'ব, সেয়ে তাৰ assurance দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, অসমৰ ইতিহাসত প্ৰথমবাৰৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী তথা গড়কাপ্তানী মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মথাউৰি পকীকৰণৰ কাম আৰম্ভ

কৰিছিল বিস্তৃতভাৱে। আমি প্ৰায় ১১০০ কিঃ মিঃ মথাউৰি পকীকৰণ যোৱা ৪ বছৰত কৰিবলৈ সক্ষম হৈছো যিটোৱে গ্ৰাম্য পথ যোগাযোগত অত্যন্ত ডাঙৰ বা বৈপ্লৱিক পৰিৱৰ্তন ঘটাইছে। অধ্যক্ষ ডাঙৰীয়া আৰু নিশ্চয়কৈ কৰিব লাগিব আৰু কৰি থাকিম। এইটো on going process, শেষ হৈ যোৱা নাই বা শেষ হ'ব নোৱাৰে। অধ্যক্ষ ডাঙৰীয়া তেখেতক এই কাৰণে কৈছো যে আমি PWD বিভাগৰ লগত আলোচনা কৰি পুঁজি সাপেক্ষে সেইখিনি নিশ্চয়কৈ কৰাৰ ব্যৱস্থা কৰিম। কিন্তু একেদিনাই হোৱা নোহোৱাটো এটা চিন্তাৰ বিষয়। অধ্যক্ষ ডাঙৰীয়া মই যেতিয়া জলসম্পদ বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব লৈছিলো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব দিছিল, মই বিচাৰি উলিয়াইছিলো যে অসমত প্ৰায় ১১০০ কিঃ মিঃ মথাউৰি থকা অঞ্চল আছে। অসমত ব্ৰহ্মপুত্ৰ বা ইয়াৰ উপনৈ সমূহত প্ৰায় ১১০০ কিঃ মিঃ য'ত মথাউৰি নাই সেইবোৰ আমি চিনাক্ত কৰি উলিয়াইছিলো। এই পৱিত্ৰ সদনত জনাবলৈ পাই সুখী হৈছো যে যোৱা ৪ বছৰত প্ৰায় ৯০০ কিঃ মিঃ মথাউৰি নতুনকৈ নিৰ্মাণ কৰিবলৈ সক্ষম হৈছো আৰু সকলো ঠিকে থাকিলে ৭০ কিঃমিঃ মথাউৰি আমি এইটো বিত্তীয় বৰ্ষতে sanction দিম, কাম আৰম্ভ কৰিম। গতিকে খুব বেছি অধ্যক্ষ ডাঙৰীয়া ৭০-৮০ কিঃ মিঃ ঠাই মথাউৰি নবনোৱাকৈ থাকিব কিন্তু তাত কিছুমান condition আছে, পুঁজিৰ ইমান অসুবিধা নাই। তাত মানুহে মাটি এৰি দিব নে নিদিব সেইটো আমি তাৰ মানুহ বিলাকৰ লগত কথা পাতিব লাগিব। অধ্যক্ষ ডাঙৰীয়া আমি এটা নতুন নিয়ম কৰিছিলো যে য'ত বানপানী হয়, সেই ঠাইৰ মানুহৰ অসুবিধা হয়। গতিকে তেওঁলোকক আমি অনুৰোধ কৰিছিলো যে মাটিৰ Land acquisation ৰ cost নিদিও কাৰণ মথাউৰি নিৰ্মাণৰ টকাতকৈ Land acquisition ৰ cost বহুত বেছি হৈ যায়। গতিকে আমি ৰাইজক অনুৰোধ কৰিলো, আপোনালোকৰ যিহেতু অঞ্চলটো বচাব লাগে, খেতি-মাটি, ঘৰ-দুৱাৰ বচাব লাগে গতিকে আপোনালোকে মাটি এৰি দিয়ক আমি মথাউৰি বনাম। ঠিক তেনেকৈ সকালোৱে মানি ল'লে মাটি এৰি দিয়াত আমি প্ৰায় ৯০০-৯৫০ কিঃ মিঃ বনালো বা বনাবলৈ আগুৱাই গৈ আছো। অধ্যক্ষ ডাঙৰীয়া, অসমৰ দুটা সমস্যা এটা হৈছে বানপানী আৰু আনটো গড়াখহনীয়া। আমাৰ প্ৰথম priority আছিল বানপানী নাইকিয়া কৰা, যাৰ কাৰণে আমি ৯০০-৯৫০ কিঃ মিঃ বনালো অধ্যক্ষ ডাঙৰীয়া। গতিকে বানপানীৰ প্ৰকোপ এতিয়া কমিছে। কাৰণ আগতে য'ত মথাউৰি নাছিল সেই ঠাই বোৰেৰে পানী সোমাই সোমাই আহিছিল। কিন্তু এতিয়া মথাউৰি নিৰ্মাণ কৰাৰ পিছত ৭০শতাংশ কমিছে। অধ্যক্ষ ডাঙৰীয়া, এতিয়া দুটা project চলি আছে, এটা World Bankৰ সেইটো বেকী আৰু বুঢ়িদিহিং related. তাৰ পিছত আনটো ADB project সেইটো ব্ৰহ্মপুত্ৰ related মানে তিনিটা ঠাইত confine কৰা আছে। ADB ৰ টকা আমি বেলেগ উপনৈত আনিব নোৱাৰো। অধ্যক্ষ ডাঙৰীয়া, SOPD বা RIDF বা NABARD ৰ পৰা আমি যিখিনি টকা পাওঁ, তাৰ ৭০ শতাংশ টকা যোৱা ৪ বছৰত খৰছ কৰিছো new embankment বনোৱাত। গতিকে erosion ৰ কাম আমি বিস্তৃতভাৱে ল'বলৈকে আমাৰ এতিয়াও বাকী আছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আৰু বেছিকৈ কৰাৰ সংকল্প লৈছে আৰু কৰিবলৈকে যত্ন কৰিম। এইবাৰ আমাৰ দলগাওঁ বিধায়কৰ প্ৰশ্ন আহিব, তেখেতে মোক কেতিয়াও কোৱা নাছিল যে তেখেতৰ সমষ্টিত মথাউৰি বনাব লাগে। কিন্তু মই নিজেই মথাউৰি বনাইছো কাৰণ আমি সকলোৰে পৰা খবৰ লওঁ, division বিলাকৰ পৰাওঁ খবৰ লওঁ ক'ত মথাউৰি লাগে বা নালাগে। আমি তেনেকৈ কৰি গৈ আছো। বিধায়ক সকলে বহুতে কোৱা নাই তথাপিও তেওঁলোকৰ তাত মথাউৰি বনাইছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা ক'লে যে আৰু ৭০ কিলোমিটাৰমান বনাব পৰা যাব এইটো বছৰতে। গতিকে আপোনাক এটা অনুৰোধ জনাইছো যে এই ৭০ কিলোমিটাৰ যিটো এই বছৰত হ'ব kindly এইটো কৰি দিয়াৰ ব্যৱস্থা কৰক যাতে সুবিধা হয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Next Question. 23. শ্ৰী আব্দুছ ছোহাৱান আলী সৰকাৰ।

**শ্ৰী পীয়ুষ হাজৰিকা, মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুছ ছোহাৱান আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, যিখিনি উত্তৰ বিধান সভাৰ মজিয়াত দিছে, সেইখিনি চোৱাৰ পাছত মোৰ কেইবাটাও আঁসোৱাহ যেন লাগিছে। ইয়াত যিখিনি record দিয়া হৈছে, ধুবুৰী জিলাৰ গড়াখহনীয়া ক'ত ক'ত হৈছে, তাত কেইবাটাও মোৰ গোলকগঞ্জ সমষ্টিৰ ঠাই লিপিবদ্ধ হোৱা নাই। তাৰমানে মই মন কৰিছো যে এইখিনি বিভাগে হয়তো অৱগত নহয়। তাৰে ৰাইডাক, খুটি ভামন দাঙা, ঝপচবৰে কালজাৰী নৈ, ঝপচবৰী পাৰচ ৰ এনেকুৱা কেইবাখনো ঠাই ইয়াত উল্লেখ কৰা নাই। কেইবাটাও ভাল কথা আমি উত্তৰত পাইছো। যেনেকৈ 15th Finance ৰ জৰিয়তে ২৩ কোটি ৪৯ লাখ টকাৰ যিটো scheme দিয়াৰ কথা কৈছে, যি অঞ্চল ধৰিছে, যিখিনি অঞ্চলক লৈ selection কৰিছে ভাল কথা মই ইয়াৰ আগতেও কৈছিলো। কিন্তু আঁচনিখন কেতিয়া আৰম্ভ কৰিব। প্ৰতিৰক্ষাৰ কাম আৰম্ভ কৰা হ'ব বুলি ইয়াত লিখা হৈছে। মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। মই প্ৰতিবাৰে বিধান সভাত নদীবান্ধ আৰু গড়াখহনীয়াৰ ওৰপত প্ৰশ্ন কৰিয়েই আছিলো। এই অঞ্চলত এইবাৰো বিধায়ক পুঁজি আৰু সাংসদ পুঁজি দিব লগা হৈছে। মন্ত্ৰী মহোদয়ে নিদিয়া নহয়, অলপ porcupine তাত দিছে, geobag দিছিল, কিন্তু suficient নাছিল। তাৰ কাৰণে কেইবাখনো গাওঁ নোহোৱা হৈ গ'ল মই সেই কাৰণে অনুৰোধ কৰিছো যে এই 15th Finance ৰ যিটো scheme ২৩ কোটি ৪৯ লাখ টকাৰ এইটো অতি শীঘ্ৰে যদি আৰম্ভ কৰে তেনেহ'লে উপকৃত হ'ম। মই দুটা supplementary একেলগে কৈ দিছো। উত্তৰটো মন্ত্ৰী মহোদয়ে একেলগে দিব। দ্বিতীয়তে, আমাৰ World Bank জৰিয়তে বেকী আৰু পাগলাদিয়া নৈৰ কথা কোনোই কৈছে। কিন্তু আমাৰ গংগাধৰ নৈখন একেবাৰে অসমৰ পশ্চিম প্ৰান্তত কেইবাটাও সমষ্টি সাঙুৰি আছে। গোলকগঞ্জ, গৌৰীপুৰ আৰু ধুবুৰী এই তিনিটা সমষ্টি মাজেৰে এই নৈখন বৈ গৈছে আৰু এই তিনিটা সমষ্টিতে গড়াখহনীয়া হৈ আছে। ইয়াত এটা ভাল খবৰ দিছে 91st TAC Meeting ত যিটো আমাৰ গোলকগঞ্জ আৰু adjoining area ৰ কাৰণে যিখিনি কথা উত্তৰত দিছে, সেইখিনি আমাৰ কাৰণে গোলকগঞ্জবাসীৰ কাৰণে ভাল খবৰ। মই বিচাৰিম মন্ত্ৰী মহোদয়ৰ পৰা এইখিনি খুব সোনকালে কাৰ্য্যকৰী কৰিব লাগে। তাৰ ওপৰত মোৰ এটা demand. প্ৰশ্নটো হৈছে যে, আমাৰ গংগাধৰ নৈৰ যি গড়াখহনীয়া ইয়াক গুৰুত্ব প্ৰদান কৰি World Bank ৰ জৰিয়তে তাত scheme ল'ব লাগে আৰু তিনিটা সমষ্টিত বানপানী আৰু গড়াখ হনীয়াৰ পৰা সুৰক্ষিত কৰিব লাগে তাৰ কাৰণে যিখিনি ব্যৱস্থা লাগে, সেইখিনি কৰিব লাগে। বিভাগ আৰু মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো এইখিনি মোৰ কথা মই কোৱা নাই। এইখিনি সমষ্টি আৰু জিলাবাসীৰ কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰী পীয়ুষ হাজৰিকা, মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই প্ৰথম প্ৰশ্নটো শ্ৰী দিগন্ত বৰ্মন ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কৈছো যে, এই ৫ বছৰৰ আমাৰ priority আছিল নতুন এক মাথাউৰি বনোৱাৰ। নতুন মাথাউৰি যিখিনি বনাইছো geo mega tube দি বনাইছো। ৫০ বছৰলৈ, ১০০ বছৰলৈ সেই মাথাউৰি ভাঙিব নোৱাৰে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৭০ বছৰত অসমত মাথাউৰি বনোৱা হৈছিল চাৰি হাজাৰ কিলোমিটাৰ আৰু চাৰে চাৰি বছৰত মাথাউৰি বনাইছো ১ হাজাৰ কিলোমিটাৰ difference এইটোৱে অধ্যক্ষ ডাঙৰীয়া। গতিকে এনেকুৱা নহয় যে ভুকুতে কল নপকে। আমিওতো একেদিনাখনেই মাথাউৰি শেষ কৰিব লাগিব, একেদিনাখনেই গড়াখহনীয়া শেষ কৰিব লাগিবে এইটো সম্ভৱ নহয়। গতিকে আমি priority কৰি লৈছো। তাৰ মাজতো কৰিছো। যোৱা চাৰে চাৰি বছৰত যিখিনি আমি State Government ৰ পৰা পূঁজি পাইছিলো, unprecedental. আগতে Water Resource Department ৰ external sponsored program বা আমাৰ SOPD, RIDF যি State Government programme সকলোৱে মিলি আঢ়ৈ শ পৰা তিনি শ চাৰে তিনি শ কোটি টকা হয়। মাননীয় অধ্যক্ষ ডাঙৰীয়া, ২ হাজাৰ, আঢ়ৈ হাজাৰ কোটি টকা আমি প্ৰত্যেক বছৰে খৰছ কৰো। এইবাৰ মাননীয় শ্ৰী অমিত শ্বাহ ডাঙৰীয়াই ৬৯৫ কোটি টকা আমাক দিছে reservoir বনাবলৈ। Reservior বনাওতে বহুত মানুহে হাঁহিছে। প্ৰথমে কাম কৰিলেতো হাঁহেই। যেতিয়ালৈকে মানুহে সুফল নেদেখিব, তেতিয়ালৈকে হাঁহে আৰু এনেকুৱা বহুতেই কৈছিল যে আমি পুখুৰীবিলাক বিচাৰি ফুৰিছো ক'ত গ'ল। যিসকলে বিচাৰি ফুৰিছিল তেওঁলোকৰ সমষ্টিতে বেছি বনাইছো। Tender হৈ গ'ল কাম আৰম্ভ কৰিলো। গতিকে বহুত কাম কৰিছো অধ্যক্ষ ডাঙৰীয়া। প্ৰত্যেক বছৰে আঢ়ৈ হাজাৰ কোটি টকা বাজেট লৈ কৰিছো কিন্তু আকৌ কৈছো priority আমাৰ আছিল বানপানী নাইকিয়া কৰা। Next বছৰ আমি Government বনাম অধ্যক্ষ ডাঙৰীয়া। Next priority হ'ব আমাৰ Erosion নাইকিয়া কৰা। গতিকে definately erosion ৰ কাৰণে আৰু কাম কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Thank you. শ্ৰী ওৱাজেদ আলী চৌধুৰী। এইটো ধুবুৰীৰ বিষয়।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফকিৰগঞ্জৰ ওচৰত অহাট বজাৰ। এইটো যোৱা গড়াখহনীয়াত একেবাৰে শেষ হৈ বিলীন হৈ গৈছিল। মন্ত্ৰী মহোদয়ে গৈ চাই আহিছে গতিকে এইবাৰ অতি সোনকালে protection ৰ কিবা ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰী পীয়ুষ হাজৰিকা, মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি কামো কৰিছো immediately। মই Exaxtly amount টো পাহৰিছো। ৭ কোটি নে ৮ কোটি টকাৰ কামো কৰিছো। কিন্তু বহুত সমস্যা হয়। বিধায়ক ডাঙৰীয়াই দায়িত্ব ল'ব নে নাই মোক ক'ব লাগিব। কাম কৰিবলৈ মানুহ তাত যাব নোৱাৰে। তাত কাম কৰিবলৈ মানুহক নিদিয়ে। ইমান টকা subcontractor য়ে তাত বিচাৰি দিয়ে ইমান হাজিৰা কৰাৰ কাৰণে বিচাৰি দিয়ে। আমি ইতিমধ্যে ১০ কোটি টকাৰ কাম কৰিছো। ৯ কোটি ৯৯ লাখ। গতিকে কামটো কৰিছোৱেই। কিন্তু কামটো কৰোতে ২-৩ বাৰ বন্ধ হৈছে. মাননীয় বিধায়ক গৰাকীয়ে এই বিষয়ে অৱগত। মাননীয় সদস্য গৰাকী অৱগত আৰু কাম definately ল'ম। ফকিৰগঞ্জখন ভাঙো ভাঙো হৈ আছে। ১০ কোটি টকাৰ কাম কৰিছো আৰু কাম কৰিব লাগিব। কাম কৰোতে কিন্তু তাৰ স্থানীয় ৰাইজে বহুত অসুবিধা দিছে। স্থানীয় ৰাইজক তেখেতে কেনেকৈ বুজাব সেইটো তেখেতে দায়িত্ব ল'ব লাগিব।

কোনোবাই যদি দেখি আছে, শুনি আছে তেখেতলোকক ফকিৰগঞ্জৰ ৰাইজক অনুৰোধ কৰিম আপোনালোকে কাম কৰিবলৈ যোৱা মানুহক অন্যায় নকৰিব। কাম কৰিবলৈ যোৱা মানুহক সহায় কৰক আৰু definately কাম কৰিব।

**মাননীয় অধ্যক্ষ ঃ** Thank you. ধুবুৰীৰ।

**শ্ৰীনিজানুৰ ৰহমান, (গৌৰীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো গংগাধৰ নদীৰ যিটো মৈচা আৰু কৈমাৰী অঞ্চলত ৫ শ মিটাৰ National High-way ত 4 lane বনাই আছে এইখিনিক যদি protection দিয়া নহয় National High-way পাই যাব। গতিকে আমাৰ শ্ৰী আব্দুছ ছোহাৱান আলী সৰকাৰে যিটো কৈছে গংগাধৰ নদী তৎক্ষণাত পৰিভ্ৰমণ কৰি এই অঞ্চলটো চাই তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেই ঠাইখিনি মই নিজে গৈ চাই আহি ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Question No. 24. শ্ৰী আব্দুৰ ৰশিদ মণ্ডল।

**শ্ৰী কৌশিক ৰায়, মাননীয় খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, গোৱালপাৰা পশ্চিম ঃ** ধন্যবাদ অধ্যক্ষ ডাঙৰীয়া, প্ৰশ্নৰ উত্তৰ আংশিকভাৱে সন্তুষ্ট। মই কেৱল এটা উদাহৰণ দিছো। উত্তৰত প্ৰশ্নৰ reply আছিল preparation of Annual Plan and Annual Budgets of all 35 Districts is under process. আৰু এটা মোৰ প্ৰশ্ন আছিল details of complainces of the order of the Government of India, ২০১৫ চনৰ যিটো order আছিল complaince হৈছে। কিন্তু ইয়াতে যদি ক'ব খুজো ইয়াৰ complince হোৱা নাই। ২০১৫ চনৰ যিটো order আছিল Mines & Minerals Ministry ভাৰত চৰকাৰৰ সেই order compliance নোহোৱা প্ৰমাণটো স্বয়ং উত্তৰত আহিছে যে Annual Plan, Annual Budget বনাই থকা হৈছে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই আজি house ত assurence বিচাৰিছো যে এই সদন চলি থকা দিনতে যিহেতু আমি উত্তৰ দিছে comply কৰিছে ভাৰত চৰকাৰৰ যিটো নিৰ্দেশ, সেই নিৰ্দেশ পালন কৰা হৈছে বুলি আপুনি উত্তৰ দিছে। কিন্তু next এটা উত্তৰ দিছে যে Annual Plan আৰু Budget বনাই থকা হৈছে। গতিকে এই house চলি থকা দিনতে Annual report আৰু budget দাখিল কৰা হ'ব নে নাই?

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, গোৱালপাৰা পশ্চিম ঃ** Next আছে চাৰ।

**মাননীয় অধ্যক্ষ ঃ** একেবাৰতে কৰিব নেকি আপুনি? আপুনি ২ টা supplementary পাব।

**শ্ৰী কৌশিক ৰায়, মাননীয় খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই যি প্ৰশ্ন কৰিছে, আমি DMF Fund ৰ ওপৰত প্ৰশ্ন কছি আৰু DMF Fund বহু জিলাতে Annual Action Plan বনোৱাৰ কামটো চলি আছে। আমি খুব কম সময়ৰ ভিতৰতে Action Plan টো বনাই যাতে কাম বিলাক আৰম্ভ কৰিব পাৰিম। মাননীয় বিধায়ক ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত আমি দিছো যে আমি এতিয়ালৈকে ২০১৯-২০ চনৰ পৰা ২৯৩.৬৯ কোটি টকা সংগ্ৰহ হৈছে আৰু তাৰ মাজতে ৯৮ কোটি টকাৰ এতিয়ালৈ আঁচনি লোৱা

হৈছে। যোৱা জুলাই মাহত আমাৰ চৰকাৰে rule amendment কৰি কাম বিলাক যাতে অতিসোনকালে কৰিব পৰা যায়, সেই কাৰণে প্ৰতিখন জিলাতে Governing Council এটা জিলা আয়ুক্তৰ নেতৃত্বত তেখেতক সভাপতি বনাই এখন সমিতি বনাই দিয়া হৈছে আৰু তেখেতসকলে সমষ্টিসমূহৰ গোটেই বিধায়ক, সাংসদৰ লগত যি guideline আছে, সেইমতে কৰিব। লগতে মই এইটো ক'ব বিচাৰিছো যে আগতে DMFT ৰ পইচাটো ক'ত কেনেকৈ খৰচ হ'ব specific নাছিল, কিন্তু আজিৰ দিনত সেইটোৰ এটা ব্যৱস্থা কৰি দিয়া হৈছে যাতে DMFT ৰ যি collection হ'ব আৰু তাৰ পৰা যি পইচা পোৱা যাব, তাৰ পৰা ৭৫ শতাংশ পইচা high priority area যিটো আছে, তাতে খৰছ কৰিব পাৰো আৰু লগতে ১৫ কিলোমিটাৰ directly affected গাঁৱত আমি খৰছ কৰিম আৰু ২৫ কিলোমিটাৰ indirect area খৰছ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

মাননীয় বিধায়ক ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপন কৰিছে, আমি খুব সোনকালে action plan বিলাক কৰি কাম বিলাক আৰম্ভ কৰিব পাৰিছো।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা হৈছে, মন্ত্ৰী মহোদয়ে সম্ভৱত rule ৰ বাহিৰত গৈ দুটামান কথা কৈছে যিটো 75% high priority area, Rule ত এইটো permisible limit হৈছে 60%।

দ্বিতীয়তে, directly affected area ৰ definition দিয়া হৈছে mining area ৰ radius per kilometer আপুনি য'ত ১৫ কিলোমিটাৰ বুলি উল্লেখ কৰিছে। সেই কাৰণে মই কম যে kindly refer to the guideline.

ইয়াৰ পিছৰ কথা হ'ল যে annual plan এতিয়া বনাই আছে, Managing Committee ৰ দায়িত্ব হৈছে যিটো mineral task ত দুটা component, Managing Committee and Governing Council। Managing Committee ৰ দায়িত্ব হৈছে annual action plan ready কৰা। prior closure of the financial year, তিনি মাহৰ ভিতৰত annual action plan ready কৰা বাজেট ready কৰা, সেই বাজেটখন Governing Council য়ে approve কৰাৰ পিছতে execution ৰ কথা আহি যায়। আপুনি কৈছে ২৯৩ কোটি টকা ইতিমধ্যে ব্যয় কৰি আছে, ৭৪৫ টা আঁচনি approve কৰিছে, approve কোনে কৰিলে, without approval of the Governing Council no scheme can be implemented by the Managing Committee. অৰ্থাৎ আপুনি coruption allow কৰিছে, আপুনি নিজে উত্তৰত কৈ আছে যে coruption allow কৰিছে DMFT fund ত।

Specific এইটো যে Governing Council ৰ approval নোহোৱা প্ৰত্যেকটো আঁচনি, সেইটো unauthorised হ'ব আৰু সেই বিলাকৰ ওপৰত action ল'ব নে নাই?

audited report আৰু এই গোটেইখিনি বস্তু সদনত আহিব লাগে, ইয়াতে কোৱা আছে যে annual report of each fundation shall be laid before the State Legislative Assembly. ২০১৫-১৬ চনৰ পৰা কোনো মাননীয় সদস্যই ক'ব নোৱাৰিব এই সদনত DMFT fund ৰ annual report দাখিল হৈছে বুলি। কিন্তু ইয়াতে ভাৰত

চৰকাৰে নিৰ্দেশাৱলীত স্পষ্টকৈ লিখা আছে State Legislative Assembly দাখিল হ'ব লাগে। গতিকে এইখিনি কেতিয়া কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কৌশিক ৰয়, মন্ত্ৰী, খনি আৰু খনিজা দ্ৰব্য, ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, পলম হোৱাৰ কাৰণ হ'ল যে আমি জুলাই মাহত নতুন Rule আনিছো আৰু সেই Rule মতে action plan বিলাক বনোৱাৰ কাৰণে প্ৰতিখন জিলাত নিৰ্দেশ দিয়া হৈছে। দুখন সমিতি প্ৰতিখন জিলাত থাকে, এখন District Council থাকে, আৰু এখন Managing Committee থাকে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, Central Guideline and State Assembly has no right to over right the Central Guideline. It is out of bias.

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাখিনি চাব লাগে। মোৰ জিলাতো আছে, একে কথা। Mines ৰ কোনো মিটিঙৰ চিঠি পোৱা নাই, যদিও guideline ত আছে বিধায়কবিলাক তাৰ সদস্য হ'ব। সেই গতিকে এই বিষয়ত মন্ত্ৰী মহোদয়ক শুদ্ধভাৱে উত্তৰ দিবলৈ ক'ব লাগে।

**শ্ৰী কৌশিক ৰয়, মন্ত্ৰী, খনি আৰু খনিজা দ্ৰব্য, ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে জিলাত দুখন সমিতি আছে, এখন DMFT Managing Committee, য'ত জিলা আয়ুক্ত সভাপতি আৰু তেওঁলোকে quarterly বহিব লাগে আৰু তাত বিধায়ক, সাংসদ সদস্য নহয়। তাৰ সদস্য থাকে এজন Geologist, Sr. Geologist, ADC,DDC থাকে, তেওঁলোকে সেই plan বিলাক ready কৰে আৰু তাৰ পিছতে আমাৰ এটা সমিতি আছে যিটো Governing Council, Governing Council ত সভাপতি হিচাপে জিলা আয়ুক্ত থাকে, সদস্য হিচাপে সাংসদ লোকসভা, এতিয়া সাংসদ ৰাজ্যসভা আছে, আৰু বিধায়কসকলক ৰখা হৈছে। মই প্ৰতিখন জিলাৰ জিলা আয়ুক্তক নিৰ্দেশ দিম আৰু এইটো ইতিমধ্যে আছে যে প্ৰতিখন বৈঠকত যাতে সকলো সদস্যকে মাতি কৰিব পাৰি। কিন্তু মই বিধায়কসকলকো অনুৰোধ কৰিম যে প্ৰতিখন বৈঠকত যদি চিঠি পায়, তেখেতসকলে গৈ উপস্থিত হয়।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ মাননীয় মন্ত্ৰী ডাঙৰীয়া লৈ এটা অনুৰোধ, বৰপেটা জিলাত আজি আমি চাৰে চাৰি বছৰ পাৰ কৰিলো তাত নে Governing Council ত মিটিঙ হৈছে, জিলা আয়ুক্ত ডাঙৰীয়াক বাৰে বাৰে কৈছো, কিন্তু তেখেতে কোনো পধ্যে এই মিটিঙত নামাতে। তেওঁলোকৰ Managing Committee য়ে কি কৰিছে, সেইটো আমাৰ নজানায়। কিন্তু আমি জানো পইচা পৰি আছে। মোৰ সমিষ্টি আটাইতকৈ বেয়াকৈ affected, তাত collection ও বেছি হয় কাৰণ মোৰ সমিষ্টিৰে বেকি নদী বৈ গৈছে। যদিও আমাৰ বান নিয়ন্ত্ৰণ মন্ত্ৰীয়ে ইতিমধ্যে এটা World Bank Scheme implement কৰিছে, কিছু খহনীয়া কমিছে, কিন্তু তাৰ পৰা বহুত earning হয়, কেইবাটাও quarry আছে, legal quarry আছে, illegal quarry ও আছে। মই বন মন্ত্ৰীক বাৰে বাৰে কৈছো illegal quarry ও চলি আছে। কিন্তু তাত earning ভাল হয় তাত আৰু পইচাও জমা হৈ আছে। আজি আমাৰ এটা term পাৰ হৈ গ'ল, সেই পইচাটো আমি খৰছ কৰিব পৰা নাই। জিলা আয়ুক্তই কোনো

পধ্যাই গুৰুত্ব দিয়া নাই। মই মন্ত্ৰী মহোদয় আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো তেখেতে যাতে strong এটা order দিয়ে যে DMFT ৰ এই পইচা কেইটা খৰছ কৰাৰ কাৰণে Governing Council মাতক, Managing Council মাতক। তেখেত Governing Council মাতি পইচাখিনি distribute কৰক, পইচাখিনি এনে পেলাই থৈছে।

আগৰ জিলা আয়ুক্ত একো নকৰিলে, এইজন জিলা আয়ুক্তই দুই আঢ়ৈ বছৰ হ'ল,তেখেতেও এতিয়ালৈ একো কৰা নাই। এইটো যাতে বৰপেটা জিলাৰ ক্ষেত্ৰত অলপ গুৰুত্বসহকাৰে লয়।

**শ্ৰী কৌশিক ৰয়, মন্ত্ৰী, খনি আৰু খনিজা দ্ৰব্য, ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, জনা মতে বৰপেটা জিলাত ২.৪৭ কোটি টকা খৰছ হোৱা নাই। তেওঁলোকে কোনো ধৰণ আঁচনি লোৱা নাই। আমি আজিয়ে প্ৰতিখন জিলা আয়ুক্তক নিৰ্দেশ দিম এক মাহৰ ভিতৰতে যাতে Governing Council ৰ মিটিঙ প্ৰতিখন জিলাতে কৰিব পাৰো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই জুলাই মাহৰ কথা কৈছে, আইন সংশোধন হৈছে, কিন্তু জুলাই মাহ গৈ এতিয়া ডিচেম্বৰ মাহ পালে। গতিকে তেখেত কিমান দূৰ পদক্ষেপ লৈছে, আজি তেখেতৰ উত্তৰত আমি বুজি পাইছো। গতিকে অলপমান এই ক্ষেত্ৰত জৰুৰীভাৱে পদেক্ষেপ লবলৈ আহ্বান জনাই আপোনাৰ জৰিয়তে তেখেতৰ পৰা মই জানিব বিচাৰিছো যে DMFT ত যিটো পুঁজি জমা হয়, সেই পুঁজিটো বন বিভাগৰ পৰা ভালকৈ আহে নে নাই। যিমান পুঁজি পাব লাগে, সেই পুঁজিটো তাত দিয়া হৈ নে নাই, সেই পুঁজি district level ত জমা দিয়াৰ ক্ষেত্ৰত কৰবাত নে কৰবাত তেওঁলোকৰ লগত কোনোবাই কেলেংকাৰী কৰে। যিমান ধৰক ১০০ টকা পাব লাগে, তাত ৫০ টকা এটা দি সন্তুষ্ট কৰি থৈছে। গতিকে এই ক্ষেত্ৰতো মাননীয় মন্ত্ৰী ডাঙৰীয়াই চকু দিব লাগে। আমাৰ হাতত থকা তথ্য মতে যি ধৰণে DMFT fund ত যিমান টকা জমা হ'ব District level বিভাগৰ পৰা সেই টকাখিনি নাহে।

গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই আহ্বান জনাব বিচাৰিছো, মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আবেদন জনাব বিচাৰিছো যিহেতু বিধান সভা ২৯ নৱেম্বৰ, ২০২৫ তাৰিখলৈ চলিব, এই কেইটা দিনত কোনটো কোনটো জিলাত কিমান টকা পাইছে আৰু কিমান টকা পাব লগীয়া আছিল, তাৰ এটা তথ্য আমাৰ লাগে।

আৰু দ্বিতীয় কথাটো হ'ল মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে জিলা আয়ুক্ত সকলক নিৰ্দেশ দিব, জিলা আয়ুক্ত সকলক কেৱল নিৰ্দেশ দিলে নহ'ব। যোৱা সময়চোৱাত কিমান টকা ক'ত খৰছ হ'ল, সেই টকাখিনি ভালকৈ খৰছ কৰিছে নে নাই। সেই টকাখিনি খৰছ কৰাৰ বিনিময়ত কোনোবাই উপকৃত হৈছে নে নাই। এই বিষয়ে মন্ত্ৰী ডাঙৰীয়াৰ হাতত কি তথ্য আছে। সেই তথ্যখিনি ২৯ নৱেম্বৰ, ২০২৫ তাৰিখৰ ভিতৰত দিব লাগে আৰু মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ প্ৰতি আহ্বান জনাম ইয়াৰ ওপৰত বৃহৎ এটা কেলেংকাৰী হৈ আছে। সদন সমিতি এটা বিচাৰিছো, যি সদন সমিতিয়ে গোটেইখিনি পৰ্য্যাবেক্ষণ কৰিব, চোৰ চিতা কৰিব।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কৌশিক ৰয়, মন্ত্ৰী, খনি আৰু খনিজা দ্ৰব্য, ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক ডাঙৰীয়াই যি প্ৰশ্ন কৰিছে, সেইমতে যাতে আমি খুৱ সোনকালে মিটিঙ বিলাক কৰিব পাৰো, আঁচনি বিলাক ল'ব পাৰো, এনেকৈ ব্যৱস্থা গ্ৰহণ কৰিম। আমি minor and major mineral ৰ 10% royalty যিটো আহে, সেইটো আমি পাওঁ। সেই কাৰণে মোৰ জনা মতে আমি যিটো

review লৈছো 10 % যিটো Royalty আহে সেইটো আমি পাও সেই কাৰণে মই জনাৰ মতে আমি যেতিয়া যোৰা কেইমাহতে জিলাই জিলাই গৈছো। আমি review লৈছো, তেতিয়া জিলাসমূহত পইছা সমূহ জমা হৈছে আৰু আমি নতুনভাৱে কামসমূহ কৰিববৈলে proposal লৈছো আৰু কামসমূহ কৰিববৈলে আগবাঢ়ি যাম। তেওঁ যিটো কৈছে যে ইয়াত এটা ডাঙৰ কেলেংকাৰী হৈছে, মই এনেকুৰা নাভাবো যে ইয়াত কোনোধৰণৰ কেলেংকাৰী হৈছে, বিধায়ক ডাঙৰীয়াৰ তাতে যদি কিবা তথ্য থাকে, তেওঁ মোক বা সদনত দিবৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২৫ শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ ৬ নং দফা অনুযায়ী অসমীয়াৰ সংবিধানিক ৰক্ষা কবচৰ ক্ষেত্ৰত চৰকাৰে বৰ্তমানে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু লগতে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আমাৰ গুৱাহাটী উচ্চ ন্যায়লয়ৰ অৱসৰ প্ৰাপ্ত ন্যায়ধীশ সন্মানীয় বিপ্লৱ শৰ্মাৰ নেতৃত্বত এখন উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰা হৈছিল। সেই কমিতিয়ে ইতিমধ্যে প্ৰতিবেদনখন ৰাজ্য চৰকাৰৰ ওচৰত দাখিল কৰিছে। এতিয়া প্ৰতিবেদনখনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? আমি ইতিমধ্যে সাংবাদ মাধ্যমৰ যোগেদি জানিব পাৰিছো যে সদৌ অসম ছাত্ৰ সন্থাৰ লগতো কেইবাবাৰো আলোচনা হৈছে। সেই সম্পৰ্কত সদৌ অসম ছাত্ৰ সন্থাৰ লগত এই ক্ষেত্ৰত কেনেধৰণৰ সিদ্ধান্ত লৈছে বা কাৰ্য্যকৰী কৰা ক্ষেত্ৰত কেনেধৰণৰ আলোচনা অনুস্থিত কৰিছে, এই সম্পৰ্কত মাননীয় মন্ত্ৰী পৰা মই জানিব বিছাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, the hisitoric Assam Accord is the fruit of the Assam Movement. এই চুক্তিখন ৰূপায়নৰ বাবে আমাৰ চৰকাৰ দায়বদ্ধ। মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই চুক্তিৰ ৬ নং দফা সম্পৰ্কত তেখেতে উল্লেখ কৰিছে যে, Retired Justic Biplab Kumar Sarma ডাঙৰীয়াৰ অধ্যক্ষতাৰ নেতৃত্বত এখন কমিটি গঠন কৰি দিছিল ভাৰত চৰকাৰে আৰু কমিটিয়ে অসম চৰকাৰৰ হাতত ৰিপোৰ্ট দাখিল কৰিছিল। লক্ষীমপুৰত মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত হোৱা কেবিনেট বৈঠকে বিস্তৃত ভাৱে সেই Recommendation বিলাক পৰ্য্যালোচনা কৰি ৬৭ টা তেনেকুৰা ধৰণৰ Recommendation Identify কৰিছিল। তাৰে ৪০ টা অকল ৰাজ্য চৰকাৰে কৰিব পাৰে আৰু ১২ টা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যৌথ ভাৱে কৰিব লাগে আৰু ১৫ টা Recommendation ৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে হে কৰিব পাৰিব। এই গোটেই কথাখিনি বিস্তৃত ভাবে আলোচনাৰ অন্তত মাননীয় মুখ্যমন্ত্ৰীয়ে এখন Sub-Committee গঠন কৰি দিছিল। এই কমিতিত আমাৰ সতীৰ্থ দুগৰাকী মন্ত্ৰী- শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানী আৰু পিযুষ হাজৰিকা ডাঙৰীয়াৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্ঠা, সভাপতি আৰু সম্পাদক আছিল। সাত লানী আলোচনাৰ অন্তত প্ৰতিবেদনখন মাননীয় মুখ্যমন্ত্ৰীৰ হাতত আমি ইতিমধ্যে দাখিল কৰিছো। মাননীয় মুখ্যমন্ত্ৰীৰ পৰ্য্যায়ত সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে তিনি লানী আলোচনা কৰিছিল। আজি কেইদিনমান আগতে

হোৱা আলোচনাত যথেষ্ট ফলপ্ৰসূ হৈছে। সদৌ অসম ছাত্ৰ সন্থাই, এই ক্ষেত্ৰত তেওঁলোকৰ নিজৰ মন্তব্য দিছে। যোৱা বাজেটত ৰাজ্য চৰকাৰে কৰিব পৰা কামখিনিৰ বাবে চৰকাৰে ধন ধাৰ্য্য আৰু ঘোষণাও কৰিছে। এই গোটেই কামখিনি আগবঢ়াই লৈ যাবৰ কাৰণে আকৌ এখন নতুন কমিতি, Accord Implementation মন্ত্ৰীৰ অধক্ষ্যতাত গঠন কৰা হৈছে, যিটো সদৌ অসম ছাত্ৰ সন্থাও বিছাৰিছিল। আমি ভাৱো যে ক্ষিপ্ৰতাৰে এই ক্ষেত্ৰত আমি যিখিনি কৰিবলৈ লৈছো, আমি নিশ্চয় সফল হ'ব পাৰিম। ইয়াৰ উপৰিও, সদনৰ মজিয়াত জনাব ভাল পাম যে বড়া গাঁও ১১৭ বিঘা মাটিত এক বৃহৎ শ্বহীদ উদ্যান নিৰ্মাণ হৈ আছে। প্ৰায় ২০০ কোটি টকাৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু আনুস্থানিকভাৱে অহা ১০ ডিচেম্বৰত মাননীয় মুখ্যমন্ত্ৰীয়ে এই উদ্যানখন মুকলি কৰিব। চুক্তি প্ৰতিটো দফা ৰূপায়ণৰ কাৰণে চৰকাৰে খুব আন্তৰিকতাৰে কাম কৰি আছে। মই মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেতে নিশ্চয় এইখিনি কথা গম পাইছে আৰু হৃদয়ঙ্গম কৰিব পাৰে।

**মাননীয় আধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ৰাজ্য চৰকাৰে কাৰ্য্যকৰী কৰা ক্ষেত্ৰত সুন্দৰ ব্যৱস্থা লৈছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ কৰণীয়া কামখিনি ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেনেধৰণে ব্যৱস্থা লৈছে আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি তেওঁলোকৰ কৰণীয়া কামখিনি কৰা ক্ষেত্ৰত, কেন্দ্ৰীয় চৰকাৰৰ স্থিতিটো কি?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ চুক্তি ৰূপায়ণৰ Nodal Ministry হৈছে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়। ইতিমধ্যে গৃহ মন্ত্ৰালয়ৰ লগত যোগাযোগ কৰা হৈছিল আৰু মাননীয় মুখ্যমন্ত্ৰীয়েও বিভিন্ন সময়ত এই সম্পৰ্কত আলোচনা কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বয়ে বিছাৰিছে যে জানুৱাৰী ভিতৰত এক ত্ৰিপাশিক বৈঠক অনুস্থিত হওঁক আৰু তাৰ বাবে ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় বিৰোধী দলৰ দলপতি।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো অসম চৰকাৰে লোৱা পদক্ষেপখিনি বিষয়ে তেখেতে কোৱাৰ বাবে। বিশেষকৈ যিহেতু অসম চুক্তিৰ আত্মা ধাৰা ৫ আৰু ৬ কে কোৱা হয় ধাৰা ৫ চুক্তিৰ দফা ৫ অনুসৰি অসম চুক্তিত উল্লেখ কৰা কাতঅফ তাৰিখৰ পিছত অহা বৃহত পৰিমাণৰ বিদেশী নাগৰিকক বহিষ্কাৰ কৰিব লাগিব বিশেষকৈ ২৪ মাৰ্চ ১৯৭১ চনৰ পিছত অহা অসমৰ বিদেশী সকলক। ইয়াৰ লগতে ধাৰা ৬ অনুসৰি ধাৰা ৫ ৰ পৰিপূৰক হিচাবে সাংবিধানিক আইনগত প্ৰশাসনিক সুৰক্ষা দিব লাগিব যাতে অসমীয়া সাংস্কৃতিক ভাষাগত পৰিচয় আৰু ঐতিহ্য সংৰক্ষণ হয়। এতিয়া ভাষা, সংস্কৃতি আৰু পৰিচয় সংৰক্ষণ কৰিবলৈ হ'লে এই অসমীয়া ভাষাত কোৱা মানুহৰ সংখ্যা বেছি হৈ থাকিব লাগিব আৰু অসমীয়া ভাষাৰ চৰ্চা হ'ব লাগিব। মহোদয়, ধাৰা ৬ অনুসৰি অসমীয়া সংস্কৃতি ভাষা সমাজৰ সংৰক্ষণৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব লাগে আৰু বিভিন্ন সাংবিধানিক আৰু প্ৰশাসনিক ব্যৱস্থা ল'বলৈ চুক্তি ৬ আৰু ৬ (ক) দফা অনুসৰি চৰকাৰক কোৱা হৈছে। এতিয়া ঘটানাটো হ'ল যে যদিহে অসমীয়া কোৱা মানুহৰ সংখ্যা কমি যায় তেতিয়া ধাৰা ৫ ৰ কোনো গুৰুত্ব নাথাকিব আৰু ৬ নং দফাৰো কোনো Relevancy নাথাকিব। যদিহে অসমীয়া কোৱা মানুহৰ সংখ্যা কমি যায় Non Assamese Speaking মানুহখিনিৰ সংখ্যা বেছি হ'ব আৰু অসমীয়া স্বাভাৱিক

ভাবে সংখ্যালঘু হ'ব। ৬৭ টা Recommendation আছে তাৰ ভিতৰত মাটিৰ কিনা-বেচা কথাও আছে Retired Justic Biplab Kumar Sarma ডাঙৰীয়াৰ কমিটিত। তেখেতে লগতে কৈছে যে, যি সকলে অসমীয়া কয়, অসমীয়াৰ সংজ্ঞাও দিছে, অসমীয়া কোৱা মানুহখিনিক ও অসমীয়া হিচাবে ধৰিব লাগে। তেনে ক্ষেত্ৰত চৰকাৰী ভাৱে কোন কোন মাধ্যমত অসমীয়া বিদ্যালয় আছে, সেই বিষয়ত কিবা তথ্য সংগ্ৰহ কৰা হৈছে নেকি? লগতে শেষতীয়াকৈ Special Revision হ'ব অসমত আৰু এই কথা এটা ওলাইছিল এনেকুৱা Revision হ'লে বাহিৰৰ পৰা অহা বহুত মানুহে অসমৰ ভোটাৰ তালিকাত নামভৰ্ত্তি কৰিব। যদিহে এইখিনি হয়, এই উপ সমিতিয়ে অসমীয়াৰ অস্তিত্ব ৰক্ষা কৰিবৰ বাবে নিৰ্বাচন আয়োগৰ এই দিশটোৰ ওপৰত পৰ্য্যালোচনা কৰিব নেকি যাৰ ফলত অন্য ৰাজ্যৰ অনা অসমীয়া লোক সকলে অসমৰ ভোটাৰ তালিকাত নাম ভৰাব পাৰিলে তেখেত সকলে অসমীয়াৰ খিলঞ্জীয়াৰ যি প্ৰভুত্ত, অস্তিত্ব আৰু অসমৰ ৰাজনৈতিক ক্ষমতা দখল অসমৰ হাতৰ পৰা কাঢ়ি নিব নেকি অসমীয়াৰ পৰা? এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, মন্ত্ৰী(কৃষি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কেইটামান গুৰুত্বপূৰ্ণ কথা কৈছে আৰু আমি সেই কামখিনিকে কৰি আছো। আজি বিপ্লৱ শৰ্মাৰ অধ্যক্ষতাত গঠিত কমিটিয়ে যিবিলাক recommendation দিছিলে সেইসমূহৰ ৬৭ টা recommendation identify কৰি প্ৰতিটো recommendation যাতে ভালদৰে implement কৰিব পৰা যায়, তাৰকাৰণে চৰকাৰে ইতিমধ্যে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰবাবে বিভিন্ন পৰ্য্যায়ত কেইবালানিও আলোচনা হৈছে আৰু ভাৰত চৰকাৰৰ লগতো এই সম্পৰ্কত কথা বতৰা হৈছে। গতিকে মই ভাৱো যে এনেকুৱা কোনো শঙ্কাৰ কাৰণ নাই।

দ্বিতীয়তে, শেহতীয়া যিটো revision ৰ কথা Election Commissionয়ে কৈছে, এই সম্পৰ্কত আমিও Election Commission ৰ পৰা জানিব বিচাৰিছিলো। Election Commission য়ে ক'লে যে সঁচৰাচৰ Election ৰ আগতে যিধৰণে revision হয়, সেইধৰণেই হ'ব। আজি যদি কৰ্মসূত্ৰে ইয়াত কোনোবাই চাকৰি কৰি আছে, তেওঁলোকৰ নামহে সোমাব। যিবিলাক বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পাইছিল এনেকুৱা ধৰণৰ কোনা কথা নাই। এই কথাটো Election Commission য়ে ইতিমধ্যে স্পষ্ট কৰি দিছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Question No-26, শ্ৰী মতী শিৰামণি বৰাৰ হৈ শ্ৰী আব্দুৰ ৰহিম আহমেদ। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কৌশিক ৰায়, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰত কৈছে যে ২০২৫ চনৰ নৱেম্বৰ মাহলৈকে ২,২৩,৭৯,৩৬৭ জন হিতাধিকাৰীক সামৰি ৬৩,৭৪,০১২ টা অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়ালক ৰেচন কাৰ্ড প্ৰদান কৰিছে। কিন্তু বৰ পৰিতাপৰ বিষয় যে প্ৰতিটো জিলাতে এনেকুৱা বহু অভিযোগ আছে যিসকল যোগ্য হিতাধিকাৰী হোৱা সত্বেও তেওঁলোকে NFSA ৰ অধীনত ৰেচন কাৰ্ড পাবলৈ সক্ষম হোৱা নাই।

দ্বিতীয়তে, এই ৰেচন কাৰ্ডত পৰিয়ালৰ সকলো সদস্যক সামৰি লোৱা হোৱা নাই। প্ৰায় প্ৰতিটো পৰিয়ালতে আধা সংখ্যক সদস্যকহে ৰেচন কাৰ্ড দি থকা হৈছে। এটা guide line দিয়া হৈছিলে যে ২০১৯ চনৰ আগত জন্ম গ্ৰহণ কৰা হ'ব লাগিব। কিন্তু ২০১৯ চনৰ আগত জন্ম গ্ৰহণ কৰা বহু সদস্যও এতিয়া বাদ পৰি আছে। গতিকে এই ক্ষেত্ৰত মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো আৰু লগতে এটা পৰামৰ্শ দিব বিচাৰিছো যে এই বিষয়ত আমি supply inspector বা DDS বা বিভাগীয় কৰ্মচাৰীৰ লগতে সমবায়ৰ সচিব আৰু সভাপতি সকলকো মাতি যদি প্ৰতিখন জিলাত যদি এটা review meeting ল'ব পাৰো এই তথ্যটো পুংখানুপুংখভাৱে ওলাই আহিব। যোগ্য হিতাধিকাৰী সকলক ৰেচন কাৰ্ড দিয়াৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা হাতত ল'ব এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী কৌশিক ৰায়, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২৪ চনত নতুন হিতাধিকাৰী অন্তৰ্ভূক্ত কৰাৰ যি কাম সেয়া প্ৰথম পৰ্য্যায়ত কৰিছো। সেই সময়ত আমি ৪০ লাখ নতুন হিতাধিকাৰী অন্তৰ্ভূক্ত কৰিলো। ২০২৫ চনৰ জানুৱাৰী মাহতো আমি আৰু ১৯,৫৫,০০০ নতুন হিতাধিকাৰী অন্তৰ্ভূক্ত কৰাৰ কাম কৰিছো। আজিৰ দিনত প্ৰতিটো বিধান সভা সমষ্টিতে ৪,০০০ নতুন হিতাধিকাৰী অন্তৰ্ভূক্ত কৰাৰ কাম আগুৱাই লৈ গৈ আছো আৰু ৫,০৪,০০০ নতুন হিতাধিকাৰী অন্তৰ্ভূক্ত কৰিম। কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা ২০১৩ চনৰ NFSA মতে আমাক যি টাৰ্গেট দিয়া হৈছে, সেই টাৰ্গেট মতে অসমৰ কাৰণে capping ২,৫১,৭৯,৭৭৫। তাৰ বিপৰীতে আমি প্ৰতি মাহে ২,৪৫,১৬,১৪৫ লোকক NFSA ৰ ৰেচন দি আছো। এতিয়া পুনৰ আমি নতুন ৫,০৪,০০০ হিতাধিকাৰী অন্তৰ্ভূক্ত কৰি আছো। এই ৫,০৪,০০০ হিতাধিকাৰী অন্তৰ্ভূক্ত কৰোঁতে কেন্দ্ৰীয় চৰকাৰৰ পৰা আমাক যি NFSA capping টো দিয়াহৈছিল, সেই capping টো নাথাকিব। এইটো কথা সচাঁ যে বহু এনেকুৱা পৰিয়াল আছে য'ত ২-৩ জন সদস্যৰ নাম বাদ পৰি আছে। এই নামসমূহ ৫,০৪,০০০ হিতাধিকাৰী অন্তৰ্ভূক্ত কৰাৰ বাবে আমাৰ প্ৰক্ৰিয়াটো চলি আছে। আমি আৰু যি ৫ লাখ হিতাধিকাৰী অন্তৰ্ভূক্ত কৰিম মই ভাৱো যে তেতিয়া বহুখিনি সমস্যা সমাধান হ'ব। ১২৬ টা বিধান সভা সমষ্টিতে ৪০০০ কৈ হিতাধিকাৰী দিয়া হ'ব। যোৱা জুলাই মাহৰ পৰা অক্টোবৰ মাহলৈ মই প্ৰতিটো জিলালৈ গৈছো আৰু Supply Department আৰু সমবায়ৰ লগত বহি কথা পাতিছো। যিসকল যোগ্য মানুহৰ নাম বাদ পৰি আছে, সেই মানুহ সকলৰ নাম যাতে অন্তৰ্ভূক্ত কৰিব পৰা যায় সেই ব্যৱস্থা আমি গ্ৰহণ কৰিছো। মই ভাৱো যে এই নতুন ৫ লাখ মানুহৰ নাম অন্তৰ্ভূক্ত কৰাৰ পাছতো বহু মানুহৰ নাম বাদ পৰি থাকিব। কিন্তু যেতিয়ালৈ আমি capping টো বঢ়াব নোৱাৰিম, ২,৫১,৭৯,৭৭৫ ৰ ওপৰত আমি যাব নোৱাৰিম, তেতিয়ালৈ আমি সেইটো সক্ষম নহওঁ।

যোৱা মাহত যেতিয়া কেন্দ্ৰীয় মন্ত্ৰী আমাৰ ইয়ালৈ আহিছিল আমি তেওঁক অনুৰোধ কৰিছিলো কিন্তু আমাৰ census নোহোৱালৈকে এই capping টো বঢ়োৱাত অসুবিধা আছে বুলি তেখেতে কৈছে।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিব খুজিছো যে বহু ধনী মানুহৰো নাম এই ৮৪ শতাংশ পৰিয়ালৰ মাজত সোমাই আছে। গতিকে টাৰ্গেট থাকিলেও নহ'ব, scrutiny কৰি এই ধনী মানুহখিনিৰ নাম কৰ্তন কৰিলেও বহু যোগ্য হিতাধিকাৰীয়ে কাৰ্ড পাবলৈ সক্ষম হ'ব।

মোৰ তৃতীয় supplementary টো হ'ল, ইয়াত প্ৰশ্নত কোৱা হৈছে যে ২০২১ চনৰ পৰা ২০২৫ চনলৈকে প্ৰত্যেকটো সমবায়তে আটাৰ আবন্টন দিয়া হৈছে। কিন্তু পৰিতাপৰ বিষয়, মন্ত্ৰী ডাঙৰীয়াৰ পৰা যদি এতিয়া উত্তৰটো খোজো যে প্ৰতিটো জিলাত বা প্ৰতিটো সমবায়ত কিমান কুইন্টল আটা allot কৰা হৈছে, কোনটো মিলত এই আটা তৈয়াৰ কৰা হয়, এই তথ্যখিনি আপুনি নিশ্চয় দিব নোৱাৰিব। কাৰণ এই আটাৰ বিষয়টো এটা অত্যন্ত গম্ভীৰ বিষয় আৰু এই আটাক লৈ এটা সাংঘাতিক কেলেঙ্কাৰী হৈ আছে সমবায় বিভাগত। গতিকে মই অধ্যক্ষ ডাঙৰীয়াৰ জড়িয়তে অনুৰোধ জনাব খুজিছো যে এটা সদন কমিটি গঠন কৰিব লাগে আৰু প্ৰতিখন জিলাত ভ্ৰমণ কৰিব লাগে। লগতে প্ৰতিটো সমবায়ত গৈ শুধিব লাগে যে তেওঁলোকক কিমান আটা আবন্টন দিয়া হয় আৰু হিতাধিকাৰীয়ে পায় নে নাপায়? মই চেলেঞ্জ কৰি ক'ব খুজিছো কোনো সমবায়তে আটা পৰ্যাপ্ত পৰিমাণে দিয়া নহয়। আমাৰ বৰপটা জিলাত আটা আবন্টন দি থকা নাই। গতিকে মোৰ কথাটো হৈছে হয় আটা দিয়াটো বন্ধ কৰি দিয়ক বা যদি আটা দিয়ে প্ৰতিজন হিতাধিকাৰীয়ে আটা পোৱাৰ ব্যৱস্থাটো চৰকাৰে কৰি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কৌশিক ৰায়, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে যিটো কৈছিলে যে ৰেচন কাৰ্ডত বহু অযোগ্য মানুহৰ নাম আছে, মই আপোনাৰ জড়িয়তে বিধায়ক ডাঙৰীয়াক ক'ব বিচাৰিছো যে ২০২১ চনত বহু ভূৱা মানুহৰ নাম বাদ দিয়াৰ কাম হৈছিলে। তাৰ পাছতে প্ৰায় ৬০ লাখৰ ওচৰা-ওচৰি নতুন হিতাধিকাৰীৰ নাম আমি অন্তৰ্ভূক্ত কৰিবলৈ সক্ষম হৈছিলো। এতিয়া পুনৰ আমি ৫ লাখ লোকক অন্তৰ্ভূক্ত কৰি আছো।

ইয়াৰ উপৰিও আটাৰ যি বিষয়টো ইয়াত আহিছে, প্ৰতিখন জিলাৰ জিলা আয়ুক্তৰ পৰা আমালৈ তেওঁলোকেrequisition দিয়ে। আজিৰ দিনত আমি ৪,৫৭৮ মেট্ৰিকটন আটা পাওঁ। ইয়াৰে ৮ শতাংশ আটা BTC area ত যায় আৰু বাকী যি থাকে তাৰে ৭৮ শতাংশ roller flour mill আৰু ২২ শতাংশ modern chakki mill ক দিয়া হয় আৰু জিলা আয়ুক্তসকলে মিলৰ পৰা কোন সমবায়ক কিমান দিব লাগে সেইমতে দিয়ে। সেয়েহে মই মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ জড়িয়তে মাননীয় সদস্যক জনাব বিচাৰিছো যে আমি কোন জিলাত কিমান দিছো সেই তথ্য আপোনালোকক দিয়া হৈছে। ইয়াৰ উপৰিও যদি বিতংকৈ লাগে যে কোন সমবায়ত কিমান দিয়া হৈছে সেই ব্যৱস্থাটো আমি গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আটাৰ বিষয়টো এটা serious বিষয়। যোৱাবাৰ যেতিয়া আমি এই বিষয়টো সদনত উত্থাপন কৰিছিলো ------interruption--

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ যদি কিবা প্ৰশ্ন আছে written দিয়ক।

**শ্ৰী খলিল উদ্দিন মজুমদার (কাটিগড়া সমষ্টি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাদের বরাক ভ্যালির তিনটি জেলার অসহায় গরীব মানুষগুলো রেশন কার্ড থেকে বঞ্চিত হয়েছে। রেশন কার্ডটি খুব গুরুত্বপূর্ণ কারণ রেশন কার্ডের সাথে আমাদের গরীব মানুষগুলোর আয়ুষ্মান কার্ড জড়িত আছে, অরুণোদয় জড়িত আছে। আমাদের বরাক ভ্যালিতে যে স্ক্রুটিনি কমিটি বানানো হয়েছে সেই স্ক্রুটিনি কমিটির জন্য বরাক ভ্যালির তিনটি জেলার মানুষ অনেক বঞ্চিত হয়েছে। সেইজন্য মাননীয় মন্ত্রী মহোদয়ের কাছে অনুরোধ করছি, আগামীতে যে সিলেকশন্ হবে সেই সিলেকশনে যাতে অসহায় মানুষকে দেওয়া যায় সেই ব্যবস্থা করে দেওয়ার জন্য ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয় ।

**শ্ৰী কৌশিক ৰায়, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, beneficiary selection কৰাৰ কাৰণে প্ৰত্যেকখন গাঁও পঞ্চায়ত লেভেলত এখনকৈ কমিটি গঠন কৰা হৈছে। গাৰ্জেন মিনিষ্টাৰে proposal দিয়াৰ পিছত notification কৰিছে, ব্লক পৰ্য্যায়ত এখন selection committee, municipality এলেকাত এখনকৈ কমিটি দিয়া হৈছে। এই কমিটিয়ে যি recommend কৰিছে সেই মতে আমি দি আছো আৰু আজিলৈকে কাটিগড়া সমষ্টিটোত ৪০০০ হিতাধিকাৰী add কৰা হ'ব। সকলো সমষ্টিতে সমান হ'ব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশত প্ৰত্যেকটো সমষ্টিতে আমি যাতে ৪০০০ কৈ দিব পাৰো আৰু ৮৬ % selection ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু ৮৬ % digitalization ৰ কামো সম্পূৰ্ণ হৈছে। জানুৱাৰী মাহৰ পৰা আমি নতুন হিতাধিকাৰী সকলক চাউল দিয়াৰ কাম আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কিবা প্ৰশ্ন কৰিব বিচাৰিছিল। আপুনি প্ৰশ্নটো কৰক। মাননীয় মন্ত্ৰী মহোদয়ে একেলগে উত্তৰখিনি দিব।

শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিধান সভাত তেতিয়াৰ খাদ্য মন্ত্ৰীৰ পৰা এটা information আহিছিল যে আমাৰ অসমলৈকে ৫৫৬৫ মেট্ৰিক টন গোম প্ৰতিমাহে আহে। এইবাৰ মন্ত্ৰী মহোদয়ে কৈছে যে এইটো ৪০০০ লৈকে কমি আহিছে। তাৰপিছত এই গোমধান আমি কোনো সুলভ মূল্যৰ দোকানত ৰেচন কাৰ্ডত নোপোৱাৰ কাৰণে আমি যেতিয়া সদন কমিটি দাবী কৰিলো, তেতিয়া মুখ্যমন্ত্ৰীয়ে assurance দিলে যে আটা আমি দিম। দুমাহ দিলে। দুমাহ দিয়াৰ পিছত মোৰ বৰপেটা জিলাত বন্ধ হৈ গৈছে। গোৱালপাৰা জিলাত আগতেই বন্ধ হৈ গৈছে। DC সকলে কোনো গোমৰ allotment দিয়া নাই। চাকিমিল বিলাকে যিহেতু সমবায়ৰ মাজেৰে আটাটো দিবলগীয়া হয় তেতিয়া তেওঁলোকৰ লোকচান হয়। কিয়নো এটা nexus চলি আছিল যে য'ত ৫৫৬৫ মেট্ৰিকটন গোম খাই আছিল গতিকে তেওঁলোকে চাকিমিল বোৰ বন্ধ কৰি দিছে। চাকিমিল বোৰ বন্ধ কৰাৰ ফলত বহু কেইখন জিলাত গোম যোৱা নাই আৰু DC য়ে গোমৰ requirement দিয়া নাই। কিয় দিয়া নাই ? মানুহেতো গোম বিচাৰে। আজি কিয় গ্ৰাহকক বঞ্চিত কৰা হৈছে, সুলভ মূল্যৰ দোকানত গোম কিয় নাযায়? এই প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুন ৰেচন কাৰ্ডৰ কথা মাননীয় মন্ত্ৰী মহোদয়ে কৈছে । যি সময়ত ৰাজ্য চৰকাৰে জনসংখ্যা নিয়ন্ত্ৰণৰ কাৰণে পোষকতা কৰে তেনে সময়ত নতুন ৰেচন কাৰ্ড বনাবলৈ যাওঁতে ৫ জনৰ তলত যদি পৰিয়ালৰ সংখ্যা থাকে তেওঁলোকে ৰেচন কাৰ্ড নিদিয়ে। অৰ্থাৎ ৩/৪ জনক নতুন ৰেচন কাৰ্ড নিদিয়ে। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাওঁ যে নতুন ৰেচন কাৰ্ডত পৰিয়ালৰ সংখ্যা ৫ জন যে হ'বই

লাগিব এই নিয়মতো শিথিল কৰিব লাগে। ৩/৪ জন সদস্য থকা পৰিয়ালক নতুন ৰেচন কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু নতুন ৰেচন কাৰ্ড দিব নে নিদিয়ে এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী কৌশিক ৰায়, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অতি দুখেৰে জনাব বিচাৰিছো যে মই যেতিয়া ৩৫ খন জিলাতেই সমবায় সমিতিৰ সুলভ মূল্যৰ দোকানীৰ লগত বৈঠক কৰিছিলো, সেই সময়ত যোৰহাট আৰু হাইলাকান্দি জিলাক বাদ দি আন কোনো জিলাতেই বিৰোধী বিধায়ক উপস্থিত নাছিল। আমি কাৰ কি সমস্যা আছে সেই সন্দৰ্ভত বৈঠক অনুষ্ঠিত কৰিছিলো। মই ৩৫ খন জিলাতেই গৈ জিলা আয়ুক্ত সকলৰ লগত review কৰিছো। বহু জিলাত সাংসদ সকল উপস্থিত আছিল। দুই-এখন জিলাতহে বিধায়ক সকল উপস্থিত আছিল। বাকী কোনো জিলাত বিধায়ক উপস্থিত নাছিল। যদি তেওঁলোক উপস্থিত থাকিলে হেঁতেন সমস্যা সমূহ তাতেই সমাধান কৰিব পৰা গ'ল হেঁতেন। মাননীয় বিধায়ক মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই যি প্ৰশ্ন কৰিছে তাৰ উত্তৰত মই ক'ব বিচাৰিছো যে ৪৫৭৮ মেট্ৰিকটনটো কালিলৈকে কমিবও পাৰে। আগৰ মন্ত্ৰীয়ে ৫৫৬৫ বুলি কৈছিল আৰু তাৰ আগত হয়তো বেছি আছিল। চাউল যদি আমাৰ বাঢ়ি যায় তেতিয়া আটাটো কমি যাব। যেতিয়া আমি ৫ লাখ ৪ হাজাৰ নতুন হিতাধিকাৰী add কৰিম তেতিয়া চাউলৰ পৰিমাণ বাঢ়ি যাব আৰু আটাৰ পৰিমাণ কমি যাব। আমাৰ অসমৰ কাৰণে চাউল আৰু আটা ধৰি ১ কোটি ৪০ লাখ মেট্ৰিকটন allotment কৰা আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৬০ লাখ ভুৱা ৰেচন কাৰ্ড cancel কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং- ২৭। শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত আছে।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে বুলি দেখুওৱা হৈছে কিন্তু NeVA portal ত খুলিব পৰা নাই। বিগত চাৰি বছৰ পাৰ হৈ পাঁচ বছৰ হৈ গ'ল, মন্ত্ৰী মহোদয়ক মই বহুবাৰ অনুৰোধ কৰিছিলো আৰু শেষত গৈ ১২ কোটি ৫৪ লাখ টকা মোৰ সমষ্টিৰ ধনশিৰি নৈৰ protection ৰ কাৰণে দিছে। ইয়াৰ কাৰণে মই সদনত ধন্যবাদ জ্ঞাপন কৰিছো। লগতে এটা কথা মই তেখেতক ক'ব বিচাৰিছো যে ১২ কোটি ৫৪ লাখ টকা মোৰ সমষ্টিত দিছে কিন্তু মোৰ কাষৰ সমষ্টিয়ে ইয়াতকৈ ৪/৫ গুণ পইছা বেছিকৈ পাইছে। গতিকে ইয়াত discrimination হোৱা দেখিবলৈ পোৱা গৈছে। এই ধনশিৰি নৈত যদি protection নিদিয়ে তেন্তে ওৰাং অভয়াৰণ্য ভাঙি যোৱাৰ সম্ভাৱনা আছে। লগতে মোৰ সমষ্টিৰ National Highway 15, State Highways, বেছিমাৰী হায়াৰ ছেকেণ্ডাৰি স্কুল ধনশিৰি নৈ আৰু টাংনি নৈৰ প্ৰচণ্ড গৰাখহনীয়াৰ কৱলত পৰিছে।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, discrimination ক'তো হোৱা নাই। তেখেতৰ সমষ্টিত ১৯ কিল'মিটাৰ নতুন মথাউৰিৰ কাৰণে sanction দিয়া হৈছে। মুঠ ৩৪ কোটি টকা। গতিকে মই discrimination হোৱা বিষয়টো deny কৰিছো। অলপ আগতে ৰাজেদ আলী চৌধুৰী ডাঙৰীয়াই যিটো supplementary প্ৰশ্ন কৰিছিল তাৰবাবে মই সাজু হৈ অহা নাছিলো। তেখেতৰ সমষ্টি ফকিৰগঞ্জত আমি protection ৰ কাৰণে ৭৩.৩১ কোটি টকাৰ tender forte কৰিছো। গতিকে discrimination নাই কৰা। আমাৰ মথাউৰি বেছিকৈ বনাব লাগে ছিপাঝাৰত। গতিকে ছিপাঝাৰে definately বেছিকৈ টকা পাব। গতিকে Water Resource Department ৰ কামবোৰ need base হয়। অৰ্থাৎ য'ত বেছি কাম তাত বেছিকৈ

পইছা পাব আৰু য'ত কম কাম তাত কমকৈ পইছা পাব। গতিকে discrimination শব্দটো তেখেতক মই উঠাই ল'বলৈ অনুৰোধ জনাইছো।

**শ্ৰী মজিবুৰ ৰহমান ঃ** মোৰ সমষ্টিৰ National Highway 15, State Highways, বেছিমাৰী হায়াৰ ছেকেণ্ডাৰি স্কুল ধনশিৰি নৈ আৰু টাংনি নৈৰ প্ৰচণ্ড গৰাখহনীয়াৰ কৱলত পৰিছে গতিকে যদিহে ইয়াক protection নিদিয়ে তেনেহ'লে উত্তৰ অসমৰ লগত যোগাযোগ বন্ধ হৈ যাব কিয়নো National Highway ৰ পৰা মাত্ৰ ৫০০ মিটাৰ দুৰত্বত এই নদীখন আছে। গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম তেখেতে নিজে গৈ এপাক চাই আহিলে গম পাব। নদীখন নচোৱাকৈ এইটো অনুধাৱন কৰিব পৰা নাযাব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘণ্টাৰ সময় অন্ত পৰিল। এতিয়া কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত ২০২৫-২৬ চনৰ পৰিপূৰক দাবী মঞ্জুৰী আৰু পৰিপূৰক বিনিয়োজন সময়ৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়া আৰু বিভিন্ন দল আৰু নিৰ্দ্দলীয় সদস্যক সময় আবণ্টন দিয়াৰ বাবে আলোচনা কৰিবলৈ যোৱা ২৫ নৱেম্বৰ, ২০২৫ তাৰিখে অধিবেশনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভাকক্ষত কাৰ্য্য উপদেষ্টা কমিটিৰ এখন সভা অনুষ্ঠিত কৰা হয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্থাপন কৰা বা পৰৱৰ্ত্তী সময়ত উত্থাপন কৰিবলগীয়া বিধেয়ক সমূহ অহা ২৭ আৰু ২৮ নৱেম্বৰ, ২০২৫ তাৰিখে সদনত আলোচনা কৰাৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে আৰু আন কিছু সংখ্যক বিধেয়কক উক্ত দুয়োটা দিনত আলোচনা আৰু পাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। যদি বিধেয়ক সমূহৰ ওপৰত সংশোধনী প্ৰস্তাৱ থাকে তেতিয়াহ'লে সংশোধনীয় প্ৰস্তাৱ সমূহ ২৬ নৱেম্বৰ, ২০২৫ অৰ্থাৎ আজি আবেলি ৩ বজাৰ ভিতৰত দাখিল কৰাৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে। অহা ২৮ নৱেম্বৰ, ২০২৫ তাৰিখ শুক্ৰবাৰৰ দিনটোত বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচী ধাৰ্য্য কৰা হৈছে যদিও উক্ত দিনটোত বিৰোধীৰ বাবে দিনযোৱা সদনত কাৰ্য্যসূচী কৰাৰ লগতে বে-চৰকাৰী বিধেয়ক সমূহো বিবেচনা আৰু পাৰিতকৰণৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে। সভাত ২০২৫-২৬ চনৰ পৰিপূৰক দাবী মঞ্জুৰী সমূহৰ ওপৰত আলোচনা কৰি সৰ্ব্ব সন্মতিক্ৰমে দাবী মঞ্জুৰী নং ৭১ বিদ্যালয় শিক্ষাৰ ওপৰত অগ্ৰাধিকাৰৰ ভিত্তিত সদনত অহা ২৭ নৱেম্বৰ, ২০২৫ তাৰিখে আলোচনা কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে। আলোচনাৰ বাবে সময় তলত উল্লেখ কৰা ধৰণে আবণ্টন দিয়া হয় ৩ ঘণ্টা ৩০ মিনিট। ভাৰতীয় জনতা পাৰ্টী - ১০৭ মিনিট

ভাৰতীয় জাতীয় কংগ্ৰেছ - ৪৩ মিনিট

অসম গণ পৰিষদ - ১৫ মিনিট

সৰ্ব্ব ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চ্চা- ২৫ মিনিট

United People's Party Liberal - ১২ মিনিট

Bodoland People's Front - ৫ মিনিট

নিৰ্দ্দলীয় আৰু কমিউনিষ্ট পাৰ্টী অব ইণ্ডিয়া - ২ মিনিট, ২ মিনিট

সন্মানীয় সদন, মাননীয় সদস্যসকল, চলিত বৰ্ষৰ বিগত কিছুদিনত কিছু দুখজনক খবৰে ৰাজ্যখনৰ বাতাবৰণ কিছু পৰিমাণে ম্লান কৰিলে যদিও তাৰ মাজতে ভালেকেইটা আশাব্যঞ্জক বতৰাই জনগণক উৎসাহিত কৰিলে ।

অমৰ শিল্পী, ভাৰতৰত্ন ড° ভূপেন হাজৰিকা দেৱৰ জন্ম শতবৰ্ষ পূৰ্ণ হোৱা উপলক্ষে

ৰাজ্যবাসীয়ে তেখেতৰ ওপজা দিনটোত সশ্ৰদ্ধ প্ৰণিপাতেৰে অসমৰ চুকে-কোণে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰি যুগদ্ৰষ্টা গৰাকীক স্মৰণ কৰিলে ।

অসম চৰকাৰেও সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ জন্মশতবাৰ্ষিকীৰ লগত সংগতি ৰাখি তেখেতৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ উপস্থিতিত চৰকাৰীভাৱে এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰিলে । এই সভাত ৰাজ্যখনৰ সহস্ৰাধিক জনপ্ৰিয় শিল্পীয়ে সমস্বৰে হাজৰিকাদেৱৰ কালজয়ী গীত পৰিৱেশনেৰে শ্ৰদ্ধা নিবেদন কৰি এক নান্দনিক পৰিৱেশ গঢ়ি তুলিলে যিটো প্ৰত্যক্ষ কৰি সৰ্বস্তৰৰ জনতাৰ লগতে মাননীয় প্ৰধানমন্ত্ৰী গৰাকীও পুলকিত হৈ পৰিল ।

লগতে, ভাৰতৰত্ন ড° হাজৰিকাদেৱৰ কীৰ্তি চিৰযুগমীয়া কৰি ৰাখিবলৈ তেখেতৰ ছবি সম্বলিত ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা এশ টকা মূল্যৰ এক স্মাৰক মুদ্ৰা মাননীয় প্ৰধানমন্ত্ৰী গৰাকীয়ে ৰাজহুৱা কৰে। অতি বিশিষ্ট ব্যক্তি-অনুষ্ঠান অথবা বিশিষ্টতা থকা পৰিঘটনাকহে চিহ্নিত কৰি ৰিজাৰ্ভ বেংকে জাৰি কৰা এই মুদ্ৰাসমূহত হাজৰিকাদেৱৰ নাম অন্তৰ্ভুক্তকৰণৰ জৰিয়তে ৰাষ্ট্ৰই ৰাজ্যৰ এইগৰাকী সু-সন্তানক শতিকাটোৰ অন্যতম মনিষীসকলৰ এগৰাকী হিচাপে সাৰ্বজনীন স্বীকৃতি প্ৰদান কৰিলে ।

অসমৰ এই অমূল্য সম্পদগৰাকীৰ প্ৰাপ্য এই যথোচিত সন্মান প্ৰদান কৰাৰ বাবে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ লগতে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ তথা সমূহ বিষয়ববীয়াকে অসম বিধান সভাৰ হৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

শেহতীয়া অসম ভ্ৰমণৰ কালছোৱাতে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই নুমলীগড় শোধনাগাৰত স্থাপন কৰা বাঁহ ব্যৱহৃত দ্বিতীয় প্ৰজন্মৰ বায়'-ইথানল প্ৰকল্পৰ শুভ উদ্বোধন কৰে । এই বায়'-ইথানল প্ৰকল্পটো দেশৰ অদ্বিতীয় বায়'-ৰিফাইনেৰী তথা বাঁহক কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি ইথানল উৎপাদন কৰা বিশ্বৰ ভিতৰতে এক অগ্ৰণী প্ৰকল্প । এই ঔদ্যোগিক প্ৰতিষ্ঠানৰ সৈতে ৰাজ্যখনৰ যথেষ্টসংখ্যক লোক প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত হৈ লাভান্বিত হ'ব ।

একেদিনাই মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই শোধনাগাৰতে সাত সহস্ৰাধিক কোটি টকা বিনিয়োগেৰে নিৰ্মাণ হ'বলগীয়া পলিপ্ৰ'প্ৰিলিন প্ৰকল্পৰো শিলান্যাস কৰে । এই প্ৰকল্পসমূহৰ ৰূপায়ণে ৰাজ্যখনৰ ঔদ্যোগিক ক্ষেত্ৰখনত এক নতুন দিগন্তৰ সূচনা কৰিব ।

বিভিন্ন ক্ষেত্ৰৰ উৎসাহজনক বাৰ্তাসমূহৰ লগতে চলিত বৰ্ষত দেশ তথা ৰাজ্যখনৰ ক্ৰীড়া ক্ষেত্ৰখনৰো ভালেকেইটা উৎসাহজনক খবৰে আমাক আপ্লুত কৰিছে ।

বিগত ৩০ ছেপ্টেম্বৰ তাৰিখে ৰাজ্যখনৰ ৰাজধানী চহৰ গুৱাহাটীৰ বৰ্ষাপাৰাস্থিত ড° ভূপেন হাজৰিকা ক্ৰিকেট ষ্টেডিয়ামত ভাৰত বনাম শ্ৰীলংকাৰ মাজত অনুষ্ঠিত হোৱা খেলেৰে শুভাৰম্ভণি ঘটোৱা ২০২৫ বৰ্ষৰ আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ চূড়ান্ত খেলত ভাৰতে দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি বিশ্বকাপ জয়ৰ কীৰ্তি স্থাপন কৰে ।

এইবাৰৰ টুৰ্ণামেণ্টত বিজয়ী হৈ সাফল্যৰ শিখৰত আৰোহণ কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলৰ প্ৰদৰ্শন আছিল সৰ্বদিশতে প্ৰশংসনীয়। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ এই বিজয়ে সমগ্ৰ দেশতে এক আনন্দৰ লহৰ বোৱালে আৰু দেশবাসীক সমগ্ৰ বিশ্বৰ সন্মুখত গৰ্বিত কৰিলে। ৰাজ্যখনৰ সমূহ জনগণক প্ৰতিনিধিত্ব কৰা বিধান সভাৰ সকলো সদস্যৰ হৈ মই ভাৰতীয় মহিলা ক্ৰিকেট দলৰ সকলো সদস্যলৈকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ । লগতে, ভাৰতীয় মহিলা

ক্ৰিকেট দলৰ এই বিজয়ৰ অন্যতম অংশীদাৰ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ সমূহ বিষয়ববীয়া, প্ৰশিক্ষককে আদি কৰি দল পৰিচালনাৰ সকলোলৈকে অসম বিধান সভাৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰিলোঁ ।

সকলোতকৈ উৎসাহজনক খবৰটো হৈছে মহিলা বিশ্বকাপ ক্ৰিকেটৰ বিশ্ববিজয়ী দলটোৱে অৰ্জন কৰা খিতাপত আমাৰ ৰাজ্যখনো প্ৰত্যক্ষভাৱে অংশীদাৰ হৈ পৰিল । অসমী আইৰ সু-সন্তান বোকাখাতৰ কান্ধুলিমাৰী গাঁও নিবাসী লোকবাহাদুৰ চেত্ৰী আৰু দীপা চেত্ৰীৰ সুযোগ্যা দুহিতা উমা চেত্ৰীয়েও বিশ্ববিজয়ী ভাৰতীয় মহিলা ক্ৰিকেট দলটোৰ এগৰাকী সদস্যৰূপে নিৰ্বাচিত হৈ অংশগ্ৰহণ কৰে ।

২০২৩ চনত ভাৰতীয় মহিলা ক্ৰিকেট দলত অন্তৰ্ভুক্ত হোৱা অসম তনয়া উমা চেত্ৰী অসমৰ পৰা ভাৰতীয় দলত স্থান লাভ কৰা প্ৰথমগৰাকী মহিলা ক্ৰিকেটাৰ । এই গৌৰৱ অৰ্জন কৰা উমা চেত্ৰী পূৰ্বতেও বিধান সভাৰ মজিয়াত 'অধ্যক্ষৰ প্ৰসঙ্গ'ৰ জৰিয়তে প্ৰশংসিত হৈছিল । খেলুৱৈগৰাকীৰ উত্তৰণৰ এই আনন্দময় মুহূৰ্তত পুনৰবাৰ শ্ৰীমতী চেত্ৰীৰ এক ইতিবাচক প্ৰসঙ্গ উত্থাপন কৰিবলৈ পাই মই গৰ্ব অনুভৱ কৰিছোঁ।

সৰুৰে পৰা ক্ৰিকেট খেলৰ প্ৰতি ৰাপ থকা উমা চেত্ৰীয়ে বোকাখাত খেলপথাৰত ক্ৰিকেটৰ অনুশীলন আৰম্ভ কৰিছিল । এইগৰাকী সু-সন্তানে নিজ অধ্যৱসায়ৰ বলত প্ৰথমে অসম মহিলা ক্ৰিকেট দলত স্থান লাভ কৰি খেলুৱৈ জীৱন আৰম্ভ কৰে । পৰৱৰ্তী পৰ্য্যায়ত শ্ৰীমতী চেত্ৰীয়ে মহিলা প্ৰিমিয়াৰ লীগৰ U.P. Warriors দলৰ সদস্য হিচাপে উন্নত প্ৰদৰ্শনেৰে ভাৰতীয় মহিলা ক্ৰিকেট দলত অন্তৰ্ভুক্তিৰ পথ প্ৰশস্ত কৰে ।

উমা চেত্ৰীৰ এই অধ্যৱসায় উত্তৰপুৰুষৰ বাবে অনুকৰণীয় হৈ ৰ'ব । এই আপাহতে বিশ্ববিজয়ী ক্ৰিকেটাৰ গৰাকী, তেখেতৰ জন্মদাত্ৰী পিতৃ-মাতৃৰ লগতে তেখেতৰ উত্তৰণৰ সৈতে জড়িত তেখেতৰ প্ৰশিক্ষক আদি সকলো পক্ষকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

ক্ৰীড়াজগতৰ বাবে আন এক সুখবৰ যে চলিত বৰ্ষতে অসমে টেষ্ট ক্ৰিকেটৰ আয়োজন কৰা দেশৰ মানচিত্ৰত স্থান লাভ কৰিলে । বিগত ২২ নৱেম্বৰ তাৰিখৰ পৰা অনুষ্ঠিত হৈ থকা আন্তঃৰাষ্ট্ৰীয় টেষ্ট ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত বনাম দক্ষিণ আফ্ৰিকাৰ টেষ্ট মেচ আয়োজনেৰে বিশ্বৰ টেষ্ট খেল অনুষ্ঠিত কৰা স্থানৰ মানচিত্ৰত ৰাজ্যখনে নিজ নাম অন্তৰ্ভুক্ত কৰি এক সুকীয়া মাত্ৰা লাভ কৰিলে আৰু বিশ্ব দৰবাৰত ৰাজ্যখনে উৎকৃষ্টমানৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়ানুষ্ঠান অনুষ্ঠিত কৰাৰ সক্ষমতা প্ৰদৰ্শন কৰিলে ।

ভাৰতীয় ক্ৰিকেট জগতৰ আন এক সুখবৰে আমাক আপ্লুত কৰিছে । বিগত ২৩ নৱেম্বৰ তাৰিখে কলম্বোত অনুষ্ঠিত হোৱা দৃষ্টিহীন মহিলা ক্ৰিকেটৰ টি-২০ বিশ্বকাপৰ ফাইনেল খেলত ভাৰতে নেপালক ৭ উইকেটত পৰাস্ত কৰি বিশ্বকাপ জয়ৰ খিতাপ দখল কৰে । শাৰীৰিক প্ৰতিবন্ধকতাক নেওচি ক্ৰিকেটৰ দৰে জনপ্ৰিয় খেলত একাত্ম হৈ বিজয়ীৰ খিতাপ অৰ্জন কৰা বিশ্ববিজয়ী মহিলা সকলৰ এই অফুৰন্ত প্ৰতিভা নিতান্তই প্ৰশংসনীয় আৰু অনুকৰণীয় । বিশ্বখিতাপ দখলৰ এই ঐতিহাসিক ক্ষণত ভাৰতীয় দৃষ্টিহীন মহিলা ক্ৰিকেট দলটোৰ অধিনায়িকাৰ লগতে দলটোৰ সমূহ সদস্য আৰু ইয়াৰ লগত জড়িত সমূহ বিষয়ববীয়া তথা কৰ্মকৰ্তালৈ অসম বিধান সভাৰ হৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

সন্মানীয় সদন, যোৱা ২৪ নৱেম্বৰ তাৰিখে বাংলাদেশৰ ঢাকাত অনুষ্ঠিত হোৱা মহিলাৰ কাবাদী বিশ্বকাপ, ২০২৫ ত ভাৰতে চাইনীজ টাইপেইক হৰুৱাই বিশ্ব চেম্পিয়নৰ খিতাপ

অৰ্জন কৰি দেশক গৌৰৱান্বিত কৰে । টুৰ্ণামেণ্টখনৰ আটাইকেইখন মেচতে জয়লাভ কৰি অনবদ্য প্ৰদৰ্শন দাঙি ধৰা ভাৰতীয় দলটোৰ এই ঐতিহাসিক বিশ্ববিজয়ে দেশৰ নাৰীশক্তিৰ উত্থানৰ কথা পুনৰবাৰ প্ৰতীয়মান কৰিলে । মহিলা বিশ্বকাপ বিজয়ী দলৰ প্ৰতিগৰাকী সদস্যলৈকে মই অসম বিধান সভাৰ হৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

মাননীয় সদন, অসমৰ সাহিত্য জগতখনক গৌৰৱান্বিত কৰি ৰাজ্যখনৰ চাৰিগৰাকীকৈ বিশিষ্ট সাহিত্যিক ২০২৫ বৰ্ষৰ **‘সাহিত্য অকাডেমীৰ যুৱ সাহিত্য পুৰস্কাৰ’** আৰু **‘শিশু সাহিত্য পুৰস্কাৰ’** বঁটাৰে সন্মানিত হৈছে ।

বিশিষ্ট সাহিত্যিক সুৰেন্দ্ৰ মোহন দাসলৈ **‘মইনাহঁতৰ পদ্য’** শীৰ্ষক গ্ৰন্থৰ বাবে সাহিত্য অকাডেমীৰ শিশু সাহিত্য বঁটা আগবঢ়োৱা হৈছে । আনহাতে বড়ো ভাষাত **‘খান্থি বৗসৗন আৰো আখু দানায়’** শীৰ্ষক গ্ৰন্থৰ বাবে বিনয় কুমাৰ ব্ৰহ্মক শিশু সাহিত্য বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে ।

ইয়াৰ লগতে বড়ো ভাষাৰ যুৱ কবি অমৰ খুংগুৰ বড়োলৈ **‘আং অসুৰ’** শীৰ্ষক গ্ৰন্থৰ বাবে আৰু যুৱ গল্পকাৰ সুপ্ৰকাশ ভূঞালৈ অসমীয়া ভাষাৰ **‘কুচিয়ানামা’** শীৰ্ষক গল্প-গ্ৰন্থৰ বাবে সাহিত্য অকাডেমীৰ যুৱ পুৰস্কাৰ আগবঢ়োৱা হৈছে ।

এই আটাইকেইগৰাকী উদীয়মান সাহিত্যিকলৈ অসম বিধান সভাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ আৰু সাহিত্যিক কেইগৰাকীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ

মাননীয় সদস্যসকল, মই এতিয়া অসাধাৰণ প্ৰতিভাধাৰী এগৰাকী শিশু শিল্পীৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ । অসমৰ ধেমাজী জিলাৰ চিলাপথাৰ অঞ্চলৰ শ্ৰী মহেশ উপাধ্যায় আৰু শ্ৰীমতী ৰুণু দেৱীৰ সুযোগ্যা তনয়া আধ্যাশ্ৰী উপাধ্যায়ে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ এক টেলিভিশ্যন ৰিয়েলিটী শ্ব’ত অসাধাৰণ নৃত্যপ্ৰতিভা প্ৰদৰ্শন কৰি সমগ্ৰ দেশবাসীৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ছ’নী টি ভি য়ে আয়োজন কৰা **‘চুপাৰ ডেন্সাৰ চেপ্টাৰ ৫’**ত মনোমোহা নৃত্য প্ৰদৰ্শনেৰে আধ্যাশ্ৰীয়ে বিজয়ীৰ খিতাপ অৰ্জন কৰি সৰ্বস্তৰৰ ৰাইজৰ হৃদয় জয় কৰাৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে । নিজ অধ্যৱসায় আৰু অনন্য প্ৰতিভাৰ বলত মাত্ৰ ৯ বছৰ বয়সতে চমক সৃষ্টিকাৰী নৃত্যশৈলীৰে বিচাৰকৰ লগতে সকলো শ্ৰেণীৰ দৰ্শকৰ হৃদয় জয় কৰা এই কণমানি শিল্পীগৰাকীলৈ অসম বিধান সভাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ আৰু কণমানি গৰাকীৰ এক সৰ্বাঙ্গসুন্দৰ সফল ভৱিষ্যত কামনা কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন। এতিয়া শূণ্যকালীন ঘন্টা, মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ শ্ৰীভূমি সমষ্টি)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, ১১ নভেম্বৰ ২০২৫ তারিখে দৈনিক সাময়িক প্রসঙ্গ পত্রিকায় প্রকাশিত “পাঁচগ্রামের বরাক নদী ভাঙ্গনে আতঙ্ক”- — এই বিষয়টি শূন্যকালীন ঘন্টায় উত্থাপন করার সুযোগ দেওয়ার জন্য আমি ধন্যবাদ জ্ঞাপন করছি। আমরা সবাই জানি যে এই ডিপার্টমেন্টটি basically it was a 60-40 department.অর্থাৎ **১৬** এর আগে এই বিভাগটি **৬০-৪০** বিভাগ ছিল। কিন্তু আমরা দেখতে পারলাম মাননীয় মূখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মহশয় এবং পিয়ূশ হাজারিকা মহাশয়ের নেতৃত্বে অভূতপূর্ণভাবে বদল হয়েছে । সেটা আমি দায়িত্ব সহকারে বলছি যে **২০২১** এ আমি যখন বিধায়ক হই তার পর আমি অনেক জায়গায় এসেম্বলি কমিটিতে যাই। এবং **২০২৫** সালেও আমি সেই এসেম্বলি কমিটিতে যাই। **২০২১** এ যখন এই সরকার অর্থাৎ এই মন্ত্রী যখন এই বিভাগের

দায়িত্বভার গ্রহণ করলেন তখন তিনি সেই নদী ভাঙ্গনের অবস্থা দেখেছিলেন কিন্তু বর্তমানে **২০২৫** এ যখন যাই গিয়ে দেখতে পেলাম অভূতপূর্ণ চেঞ্জেস। কোথাও জিওটেক দিয়ে কাজ হচ্ছে, কোথাও জিও টিউব , জিও সিপ দিয়ে কাজ হচ্ছে। এই অভূতপূর্ণ চেঞ্জেস সত্যি প্রশংসনীয়। অধ্যক্ষ মহোদয়, our minister has a vast knowledge. আসলে ওনার বরাক ভ্যালি সম্বন্ধে অনেক ভালো নোলেজ আছে। পাঁচগ্রামের নদী ভাঙ্গন আমাদের কাটিগড়া কনস্টিটুয়েন্সিতে। এই জায়গাটি আমাদের বরাক ভ্যালির ৪৫ লাখ মানুষের যাতায়াতের প্রধান রাস্তা NH6। ত্রিপুরা, মিজোরাম এবং মেঘালয় এই তিনটি স্টেটের যোগাযোগের প্রধান রাস্তা। অর্থাৎ এই রাস্তা যদি কিছু হয়ে যায় তাহলে আমাদের ভয়ঙ্কর পরিবেশ সৃষ্টি হবে। নদীর জল দিনে দিনে কমছে। বিশেষ করে enty-erosion measers to protect the dso Panchgram petrol pump on the erosion of rever Barak on the elese. এই এক কিলামিটার যায়গাটি ভয়ঙ্কর। এই জায়গার যদি কিছু হয় তাহলে NH6 নদীর তলায় চলে যাবে। আর এই NH6 যদি চলে যায় তাহলে পার্শ্ববর্তী রাজ্য এবং আমাদের বরাক ভ্যালির ৪৫ লক্ষ মানুষের যাতায়াতের অন্য কোনো রাস্তা নেই। এই রাস্তাই আমাদের প্রধান রাস্তা। অতএব আমি বিশ্বাস করি, মাননীয় মন্ত্রী যেভাবে এই বিভাগে অভূতপূর্ণ পরিবেশ সৃষ্টি করেছেন যেভাবে জিও টিউব, জিও টেক ইত্যাদি টেকনোলজির মাধ্যমে। কদিন আগে আমি মন্ত্রী মহোদয়কে ফোন করেছিলাম এবং উনি চিফ ইঞ্জিনিয়ার পাঠিয়েছিলেন। he is very much posetive কিন্তু বর্তমান সময়ের সেই এক কিলোমিটার জায়গার ভয়াবহ অবস্থা। যে সময় আসামের বিভিন্ন জায়গায় বিভিন্ন ভাবে কাজ চলছে, উন্নতির জোয়ার চলছে । তাই আমি মনে করি ভালোদরের একটি স্কিম ঠিক করে এই অঞ্চলের পার্মানেন্ট সেটেলআপ করা হয়। কারণ আমি মনে করি ছোটখাটো কাজ হলে এই অঞ্চলের পার্মানেন্ট সেটেলআপ হবেনা। আমাদের বরাকভ্যালির **১৩**টি সমষ্টিতে আমাদের প্রত্যেকজন বিধায়কের একটিই কনসার্ন যে এই অঞ্চল যদি ভালো রাখা না যায় তাহলে আগামী দিনে আমাদের যোগাযোগের কোন রাস্তা থাকবে না। আমি মাননীয় মন্ত্রী মহোদয়কে ধন্যবাদ জ্ঞাপন করছি। আমরা বিশেষ করে বন্যার সময় দেখেছি উনি ফোন করার সঙ্গে সঙ্গে উনি সেই স্থানে গিয়ে পরিদর্শন করেছেন এবং ইমিডিয়েট যাতে কোন ধরণের ব্যবস্থা করা যায় তার পরামর্শ দিয়েছেন। মন্ত্রী মহোদয়ের এই তৎপরতা, মানসিকতা আমি মনে করি মানুষের মধ্যে আশার সঞ্চার তৈরি করেছে। তাই মন্ত্রী মহোদয়ের কাছে আমার অনুরোধ থাকবে যে পাঁচগ্রামের এই অঞ্চলটিতে পার্মানেন্ট নেচারের একটি স্কিম ধরুন একটি ডিপিআর তৈরি করুন। আমাদের বরাক ভ্যালিতে যতগুলো কাজ আছে সবথেকে গুরুত্বপূর্ণ কাজ হচ্ছে এই অঞ্চলের কাজ। অতএব এবং আমি মনে করি আপনার নেতৃত্বে এই সমস্যার সমাধান হবে। আপনার নেতৃত্বে এবং যেভাবে মূখ্যমন্ত্রীর নেতৃত্বে এবং এই বিভাগের দায়িত্ব পাওয়ার পর আপনি অভূতপূর্ণ চেঞ্জ করেছেন। আমাদের বরাকবাসীর দীর্ঘদিনের দাবী, এই অঞ্চল যদি ঠিক না হয় ভবিষ্যতে কিন্তু বিরাট দুর্ঘটনার সম্মুখীন হবে। তাই মন্ত্রী মহোদয়ের কাছে আমার অনুরোধ থাকল যে আপনার নেতৃত্বে যাতে এই অঞ্চলের সমস্যার সমধান হয়।

(মাননীয় অধ্যক্ষ মহোদয়ৰ আসনত মাননীয় উপাধ্যক্ষ মহোদয়)

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, মাননীয় মন্ত্ৰী ।

**শ্ৰী পীযুষ হাজৰিকা, (জলসম্পদ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইটো এটা অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰস্তাৱ তেখেতে উত্থাপন কৰিছে। যিটো গড়াখহনীয়া হৈ আছে সেইটোত আমাৰ ৰাষ্ট্ৰীয়

ঘাইপথ আছে আৰু সেইটো সমগ্ৰ বৰাকভেলীৰ কাৰণে অত্যন্ত গুৰুত্বপূৰ্ণ পথ হয়। উপাধ্যক্ষ মহোদয়, কেইদিন মানৰ আগতে যেতিয়া খুব বেছি গড়াখহনীয়া হৈ আছিল, কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই মোক অৱগত কৰিছিল কৌশিক ৰায় ডাঙৰীয়াইয়ো মোক ফোনযোগে অৱগত কৰিছিল, কৃষ্ণেন্দু পাল ডাঙৰীয়াই মোক ফোনযোগে জনাইছিল। তেওঁলোক তিনিওজনে কথাটোৰ গুৰুত্ব বুজি মোক অৱগত কৰিছিল। যদি ৰাস্তাটো নষ্ট হয় সমগ্ৰ বৰাকভেলীৰ বৃহৎ এটা অঞ্চলৰ যোগাযোগ বিচ্ছিন্ন হ'ব।মই এইকেইদিন অলপ ব্যস্ত থকাৰ কাৰণে তৎকালীন ভাবে যাব নোৱাৰিলো। কিন্তু আমাৰ সন্মানীয় জলসম্পদ বিভাগৰ মুখ্যঅভিযন্তা ডাঙৰীয়া আৰু আমাৰ বিষয়া কৰ্মচাৰী সকল গৈ সেই Panchgram অঞ্চলৰ কাটিগড়া সমষ্টিত যি গড়াখহনীয়া হৈ আছে, সেই অঞ্চল বিস্তৃত ভাৱে চোৱাচিতা কৰিলে আৰু তেওঁলোকে এখন ১৪ কোটি টকাৰ permanent nature ৰ work ৰ স্কীম প্ৰস্তুত কৰিছে। উপাধ্যক্ষ মহোদয় ইতিমধ্যে আমি anti erosion measures to protect the DSO Panchgram petrol pump from erosion of river Barak on its left bank এই স্কীমটো উপাধ্যক্ষ মহোদয় ৪ কোটি টকাৰে আমি ইতিমধ্যে প্ৰস্তুত কৰি টেণ্ডাৰ প্ৰস্তুত কৰিছো। উপাধ্যক্ষ ডাঙৰীয়া, এইটো যিহেতু অত্যন্ত গুৰুত্বপূৰ্ণ । ৪ কোটি টকাৰ ইতিমধ্যে টেণ্ডাৰ হৈছে, ১৪ কোটি টকাৰ প্ৰাক্কলন প্ৰস্তুত হৈছে। আমি কৰিবলগীয়া প্ৰচেষ্টা অব্যাহত ৰাখিছো। উপাধ্যক্ষ ডাঙৰীয়া, মই তেখেতসকলক ক'ব খুজিছো যে ১৫ তাৰিখৰ ভিতৰত মই বৰাকভেলীত যাবৰ কাৰণে চেষ্টা কৰিম আৰু কামটো আৰম্ভ কৰিম। এই বিধান সভাত আপোনালোকক প্ৰতিশ্ৰুতি দিলো ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ** ঃ মাননীয় মন্ত্ৰী মহোদয়লৈ ধন্যবাদ জ্ঞাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় বিধায়ক প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Conservation of Wet Land and small fish, ২১ নবেম্বৰৰ Assam Tribune বাতৰি কাকতখনত প্ৰকাশ পোৱা এই অতি গুৰুত্বপূৰ্ণ বাতৰিটো দাঙি ধৰিবৰ কাৰণে সুযোগ দিয়াত আপোনাক ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহোদয়, Wet Land and small indigenous fresh water finfish need to protected through restoration efforts and community involvement. উপাধ্যক্ষ মহোদয়, India ত India's aquatic wealth including 3324 native finfish species of which 1035 in a bit fresh water and 450 species are small .এইটো হ'ল small indigenous fresh water fin-fish. Unfortunately, these eco-system are undergoing .............

**শ্ৰী প্ৰদীপ হাজৰিকা,(আমগুৰি)**ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, unfortunately these Ecosystems are undergoing degradation ,encroachment, sedimentation and agro-chemical influx destruction, unregulated fishing, Real-estate expansion, road embankment, flood control mismanagement, unplanned urbanization. These are some of the reasons যিটোৱে আপোনাৰ wetlands আৰু আমাৰ এই fish culture টো disturb কৰিছে। উপাধ্যক্ষ মহোদয়, সেইবিলাক কাৰণে Ecological Reservoirs বিলাক সম্পূৰ্ণ ধ্বংস হৈছে। Fish Breeding কম হৈছে Nursery habit নাইকীয়া হৈছে , পানীবিলাক বিষাক্ত হৈছে। ইয়াৰ

ওপৰিও indiscrimination harvesting pesticides let an agricultural run-offs collectively participating on alarming the small indigenous fresh water fish population threatening genetic diversity. আজি এনেকুৱা এটা অৱস্থা হৈছে যে ইয়াৰ প্ৰজনন সম্পূৰ্ণ বিধ্বস্ত হৈ যোৱা এটা প্ৰৰ্যায়লৈ আহিছে। Wetlands বিলাকৰ পৰা Nutritional Evaluation revealed that small indigenous fish comprised of 22% high quality Protein, 90% Lipid, Iron, Zinc and Calcium এই বিলাক আমি তাৰ পৰা পাওঁ । এতিয়া লাহে লাহে এই বিলাক degraded হৈছে।আমাৰ মুৱা মাছ যিটো zoological নামটো হৈছে- Ambly pharyngodon mola য'ত ৯০ শতাংশ Vitamin থাকে। অন্য বিলাক Species হৈছে ৰৌ মাছ- "Denicas" এইটো হৈছে Zoological নাম। মাছ টো হৈছে **doni কনা**- "Eso mus Danricas" আৰু "Puntius Sophore" - এইটো পুঠি মাছ, "Lepidocephalichthys guntea", বটীয়া মাছ, "Channa Orientalis" এইটো হৈছে চেঙেলী মাছ,এতিয়া মুৱা মাছ **doni কনা** মাছ, পুঠি মাছ আৰু চেঙেলী মাছ। এতিয়া breeding ground টো হ'ল এই Wetland বিলাক । এতিয়া Wetland বিলাক কেনেকুৱা ধৰণে ধ্বংস কৰা হৈছে, এনেকুৱাকে নাইকীয়া কৰা হৈছে। কিন্তু এইবিলাকৰ পৰাই আমাৰ আটাইতকৈ প্ৰটিন থকা যিবোৰ খাদ্য এইবোৰ তাৰ পৰা আহি থাকে। এই কাৰণে Rice-fish intregated farming এইবিলাক কৰিব পাৰে। ইয়াত দিয়া হৈছে wetlands small indigenous fresh water fish need to be protected through restoration efforts & community involvement. সেইটো দিও এইখিনি বচাব পৰা যায়। ইয়াত হৈছে ecological, nutritional, economical এই গোটেই কেইটা সহায় হোৱাকৈ এইখিনি কাম কৰিব পাৰে । এই কাৰণে small indigenous fish নাইকীয়া হৈছে বুলি আমি ভাবিছো। This is also one of the reason why these indigenous fish are getting degradation, বহুত বহুত ক্ষতি হৈছে। আৰু ইয়াৰ multi-dimensional affect আছে। অকল যে মাছটো নাইকীয়া হৈছে এইটো নহয়। মাছটো আমাৰ শৰীৰ লগত সম্পৰ্ক এটা হৈছে। এই কাৰণে ecologically ,nutritionally, culturally, economically আমাৰ affect হৈছে। উপাধ্যক্ষ মহোদয়,এনেই দেখিলে মাছটো নাইকীয়া হৈছে বুলি আমি ধৰিব ল'ব পাৰোঁ। কিন্তু it is affecting econmically, it is affecting our ecology , it is affecting our nutritionally. Also, it is effecting us Culture. এইটো গুৰুত্ব দিব লগা বিষয়। Wetland নাইকীয়া হ'লে small indigenous fish একেবাৰে শেষ হৈ যাব। This is sure . Assam's Wetland must be reperceived as ecological treasures. এইটো Laboratory হিচাপে ৰাখিব লাগে। Indigenous nutritional Bank হিচাপে ইয়াক আমি ৰাখিব পাৰো। উপাধ্যক্ষ মহোদয়, এই কথাতো মই ভাৱো চৰকাৰে গুৰুত্ব দিব। এই জেগা বিলাক আমাৰ চকুৰ বহুত আতৰত আছে। আৰু এতিয়া আমাৰ indigenous মাছ আগতে ব্ৰহ্মপুত্ৰত যিমান মাছ আছিল আৰু river বিলাকত যিমান মাছ আছিল, এতিয়া ইয়াৰ ৫০ শতাংশ মাছও নাই। এতিয়া may be it might have come down to 10% . সেই কাৰণে এইটো লিষ্টত দিবৰ সময় হৈ গ'ল। মই ভাৱো যে এইটো গুৰুত্ব দিব। Thank you.

**माननीय উপাধ্যক্ষ ঃ-** Thank you, indigenous fish conservation, Hon'ble Minister.

**শ্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰীঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় ডাঙৰীয়া মহোদয়, বিধায়ক শ্ৰী প্ৰদীপ হাজৰিকা আমাৰ Assam Tribune, 21st November,2025. Conservation of wetlands and small indigenous fresh water fin fish need to be protected through restoration efforts and community involvement. আমি সকলোৱে জানো যে অসম এখন নদী মাতৃ দেশ আৰু আমাৰ ব্ৰহ্মপুত্ৰ, বৰাক বহুত যান বিলেৰে আমি সমৃদ্ধিশালী এখন ৰাজ্য, আৰু বিশেষকৈ জৈৱ বিচিত্ৰ সমৃদ্ধ আমাৰ অসমৰ আদ্ৰভূমি। অতীতৰ জলাশয় বিল ইত্যাদি বিভিন্ন থলোৱা প্ৰজাতি মাছৰ ব্যৱস্থাৰ সন্দৰ্ভত কেন্দ্ৰীয় অন্তদেশীয় আমাৰ মীন গৱেষণা প্ৰতিষ্ঠানে চলোৱা জৰীপ অনুযায়ী অসমত প্ৰায় ২১৬ বিধৰ প্ৰজাতিৰ মাছ বিদ্যমান, ইয়াৰ বেছিভাগেই প্ৰাকৃতিক জলাশয়ৰ পৰা আমি পাওঁ। আৰু আদ্ৰভূমি সংৰক্ষণ আৰু পৰিপুষ্ট উপকৃত ভাণ্ডাৰ থলুৱা প্ৰজাতিৰ মাছৰ নিৰাপত্তা আৰু সংবদ্ধনৰ সময়ৰ আহ্বান হিচাপে গ্ৰহণ কৰি অসম চৰকাৰে বিভিন্ন কাৰ্য্য পন্থা ৰূপায়ণ কৰি আহিছে। বিশেষকৈ আমি মীন নীতি ১৯৫৩ সংশোধীত ২০০৫ ৰ আধাৰত প্ৰাকৃতিক জলাশয় সমূহৰ বংশবৃদ্ধি আৰু সংবৰ্দ্ধনৰ বাবে মাছৰ প্ৰজননৰ কালছোৱাত অৰ্থাৎ আমি যিটো পহিলা এপ্ৰিলৰ পৰা ১৫ জুলাই লৈ বিশেষকৈ এই Period ৰ আমি যদি জালেৰে আমি যদি fishing নকৰো, মাছ নামাৰো এই প্ৰজননৰ Period যে আমাৰ বেছিভাগ জলাশয় সমূহত আমি দেখিছোযে এই সময়তে মাছ মৰা হয়। আমাৰ শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে যোৱা ২ মাহ আগতে Facebook Live ৰ জৰিয়তে গোটেই অসমৰ সকলোৰ ৰাইজক আহ্বান কৰিছিলে, আমি ১ এপ্ৰিলৰ পৰা ১৫ জুলাই লৈকে এই প্ৰজন্নৰ সময়ত যাতে আমি ঘন জালেৰে মাছ নামাৰো আৰু আমি যদি এই মাছবোৰ সংৰক্ষণ কৰিব বিচাৰো তেতিয়া হ'লে আমি কণী থকা মাছ মৰাটো বন্ধ কৰিব লাগিব। আমাৰ মীন বিভাগৰ বিষয়া আৰু আমাৰ Distric Task Force য়ে এই ক্ষেত্ৰত বজাৰে বজাৰে গৈ অভিযান চলাইছে যাতে ডিম্বানু যুক্ত মাছ বজাৰত বিক্ৰী কৰিব নোৱাৰে। আৰু আমি ১৫ জুলাইৰ পিছত আৰু তাৰ দুমাহ পিছত পোৱালী মাছ বোৰ যদি নামাৰে তেতিয়া মাছবোৰ ডাঙৰ হব যাৰ ফলত আমাৰ আৰ্থিক লাভ হব আৰু মাছৰ উপাদন বাঢ়িব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ যিটো আগ্ৰহ অহা ২০৩০ চনৰ ভিতৰত আমাৰ অসমৰ মাছৰ উৎপাদন ৭/৮ লাখ মেট্ৰিক টন কৰিব লাগে। আৰু আমি অসমৰ ৰাইজে সকলোৱে জানো যে মাছটো খুব পুষ্টিকৰ খাদ্য আৰু ৯৫ শতাংশ মানুহে মাছ ভাল পায়। আমি মাছৰ উৎপাদন বঢ়াব লাগিব কাৰণ আমাৰ মাছৰ Consumption Per Capita ১৪.৫ কেজি। আৰু আমি সুস্থ থাকিব লগা হলে মাছ ২০ কেজি লৈ খাব লাগে। তাৰ কাৰণে আমাৰ Minimum ৭ লাখ মেট্ৰিক টন মাছৰ উৎপাদন কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি Wetland ৰ যিটো Indigenous মাছ বোৰৰ ৰক্ষণা বেক্ষণৰ বাবে কিবা ব্যৱস্থা লৈছে নেকি?

**শ্ৰী কৃষেন্দু পাল, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ বাবে আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এই উদ্দ্যোগ হাতত লৈছে আৰু বিশেষকৈ আমাৰ Indigenous মাছ বোৰৰ আৰু কেনেকৈ উৎপাদন বঢ়াব পাৰো এই ২০১৬ চনলৈ আমাৰ এতিয়ালৈকে যিটো অফিচিয়েল Es-

timate আছে আমাৰ মীন মহাবিদ্যালয়ৰ তথ্য মতে ২৬৪ কৈ বেছি আমাৰ ঠলুৱা মাছ আছে। আৰু এই মাছবোৰ আমি সংৰক্ষণ কৰাৰ বাবে আৰু ইয়াৰ উৎপাদন বঢ়োৱাৰ বাবে আৰু আমাৰ Ornamental মাছৰ বজাৰ খন যাতে আমি গোটেই উত্তৰ পূৰ ভাৰতৰ উপৰিও গোটেই ভাৰতৰ বজাৰ দখল কৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। তাৰ বাবে আমি জিলা ভিত্তিত বহুত কেইটা Plan ADB ৰ জৰিয়তে আৰু SWIFT ৰ জৰিয়তে হাতত লৈছো। আহা এমাহ দুমাহৰ ভিতৰত আমি Visalta আৰু SWIFT ৰ জৰিয়তে আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ যিটো প্ৰয়াস আছে যে অসমৰ থলুৱা মাছৰ উৎপাদন বাঢ়িব লাগে আৰু প্ৰতেকটো মাছৰে প্ৰজাতি যাতে সুৰক্ষিত হয় তাৰ কাৰণে Wetland উন্নয়ন কৰিব লাগে বিশেষকৈ আমাৰ চন বিল দ্বীপৰ বিলকে ধৰি অন্যান্য বিলবোৰৰ উন্নয়ন কৰি আমি কেনেকৈ মাছৰ উৎপাদন বঢ়াব পাৰো আৰু আমাৰ থলুৱা প্ৰজাতিৰ মাছ সংৰক্ষিত কৰিব পাৰো তাৰ কাৰণে আমাৰ বিভাগে বহুতো ব্যৱস্থা হাতত লৈছে। আমাৰ মাননীয় বিধায়ক শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াক তথ্যখিনি আমি আপোনাৰ জৰিয়তে দিব পাৰিম যে আমাৰ বিভাগৰ ফালৰ পৰা কি কি ব্যৱস্থা হাতত লোৱা হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** আমাৰ থলুৱা মাছৰ সংৰক্ষণৰ কাৰণে এখন Exprt Committee বনাই ইয়াৰ উপৰত এটা গবেষণা নকৰে কিয় ? আৰু এটা কথা সৰু সৰু নদী বিলাকত যি বিহ ধালি মাছ মাৰে সেইটো কঠোৰ ভাৱে নিষিদ্ধ কৰিব লাগে। ইয়াৰ লগতে Ornamental Fish ৰ কথা কৈছিল আপুনি তাৰ যিটো নগাচেং বুলি কয় সেইটোৰ খুব Smuggling হৈছে সেইটো বন্ধ কৰাৰ কিবা ব্যৱস্থা লৈছে নেকি ?

**শ্ৰী কৃষেন্দু পাল, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি দায়ত্ব লোৱাৰ পিছৰ পৰা যাতে আমি থলুৱা মাছক সুৰক্ষা দিব পাৰো আৰু তাৰ উৎপাদন যাতে বঢ়াব পাৰো তাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা হৈছে আৰু তাৰ উপৰত ব্যৱস্থা চলি থকা লগতে অধ্যয়ন চলি আছে আৰু আমাৰ মীন মহাবিদ্যালয়ৰ এক Exprt Team য়ে এই বিষয়ে অধ্যয়ন কৰি আছে কেনেকৈ এই মাছবোৰক সংৰক্ষণ কৰাৰ লগতে উৎপাদন বঢ়াব পাৰে লগতে জলাশয় বোৰৰ উন্নয়ন কৰিব পাৰি তাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা, ভূমি পট্টা প্ৰদানৰ দাবী।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২৩ নবেম্বৰ ২০২৫ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত ভূমি পট্টা দিয়াৰ দাবি নহলে ধাৰাবাহিক আন্দোলনৰ হংকাৰ, এই শীৰ্ষক বাতৰিটো আপোনাৰ জৰিয়তে মই ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছে। এই ক্ষেত্ৰত মই অসম চৰকাৰৰ লগতে ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো যে ২০২১ চনত বিজেপিৰ নেতৃত্বত মিত্ৰজোটৰ চৰকাৰ হোৱাৰ পিছত মাননীয় মুখ্যমন্ত্ৰীয়ে অসমৰ পৰিয়াল সমূহত ভূমি পট্টা দিয়াৰ ক্ষেত্ৰত যি ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে, আৰু ইতিমধ্যে জনা মতে প্ৰায় ৪ লাখতকৈ অধিক পৰিয়ালক ভূমি পট্টা দিয়াৰ ক্ষেত্ৰত যি ঐতিহাসিক পদক্ষেপ লৈছে, কিন্তু তাত কৈওঁ বেছি পৰিয়ালক ভূমি পট্টা দিয়াৰ ব্যৱস্থা লোৱাৰ কাৰণে মই পুনৰ বাৰ মাননীয় মুখ্যমন্ত্ৰীক আৰু ৰাজহ বিভাগৰ মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু প্ৰশ্নটো হৈছে যে গুৱাহাটী মহানগৰীত আজি যি ভাৱে ভূমি পট্টা দিয়াৰ ব্যৱস্থা লব লাগিছিল তেনে ধৰণে ভূমি পট্টা দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। যিহেতু এইখন উত্তৰ পূৰ্বাঞ্চলৰ এখন মহানগৰী গতিকে নিশ্চয় খুব শতৰ্কতাৰে এই ভূমি পট্টা যে দিব লাগিব সেইটো

নিশ্চিত। কিন্তু দেখা গৈছে আমাৰ নামনিতে হওঁক বা পাহাৰ অঞ্চলতে হওঁক মানুহে যুগ-যুগান্তৰ পৰা ইয়াতে বসতি স্থাপন কৰি আহিছে। আজি যদি আমি চাওঁ পাহাৰ অঞ্চলত বিভিন্ন জাতি জনগোষ্ঠিৰ মানুহে আজি প্ৰায় ৬০/৭০ বছৰৰ পাৰই মানুহে বসবাস কৰি আহিছে। কিন্তু আজি পাহাৰ অঞ্চলৰ মানুহৰ পৰিয়ালক যি ভাৱে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা লব লাগিছিল আজি তেনে ধৰণে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। আৰু আজি গুৱাহাটী মহানগৰীত প্ৰায় ১৮ খন পাহাৰ আছে য'ত প্ৰায় ৮৫ হাজাৰতকৈ অধিক পৰিয়ালে আজি পাহাৰ অঞ্চলত বসবাস কৰি আছে। প্ৰায় ৬০/৭০ বছৰ ধৰি বসবাস কৰি থকাৰ পিছতো আজিলৈকে কিছু সংখ্যক পৰিয়ালে মাটিৰ পট্টা পাবলৈকে সক্ষম হৈছে। ইয়াৰ মূল কাৰণ হৈছে যে পাহাৰ অঞ্চলৰ কিছু অংশ আমাৰ ফৰেষ্ট অঞ্চলত পৰে আৰু কিছু অংশ ৰাজহ বিভাগৰ অধীনস্থ আৰু কিছু অংশ দেৱত্তৰ মাটি। ইতিমধ্যে ৰাজহ বিভাগৰ যি খিনি মাটি আছে সেই মাটিখিনিৰ ক্ষেত্ৰটো আজি পৰিয়াল সমূহক যি ভাৱে ভূমি পট্টা দিব লাগিছিল তেনেধৰণে দিয়া হোৱা নাই চহৰ অঞ্চল হোৱাৰ বাবে। কিন্তু আমি দেখিছো যে আমাৰ পাহাৰ অঞ্চলত যি Forest area আছে সেই অঞ্চলত বহুতো জনজাতীয় লোকে বাস কৰি আছে। মই জানো যে Forest Right Act, 2006 মতে যি বিলাক জনজাতীয় পৰিয়ালে Forest area বসবাস কৰে যাক Dwellers বুলি কোৱা হয়, সেই সকলক মাটিৰ পট্টা দিব পাৰে। গতিকে মই ভাৱো যে যিহেতু কেন্দ্ৰীয় চৰকাৰৰ Forest Right Act, 2006 আছে গতিকে সেই পৰিপেক্ষিতত যদি আমি যি সকল জনজাতীয় পৰিয়াল আছে, সেই পৰিয়াল সমূহক আমি যদি তেনে ধৰণে মাটিৰ পট্টা দিব পাৰো কাৰণ সেইবিলাক হ'ল পাহাৰ অঞ্চলত বসবাস কৰা বেছি ভাগে খিলঞ্জীয়া মানুহ। গতিকে এই খিলঞ্জীয়া মানুহক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এতিয়া দেখা গৈছে যে আমি যদি ৰাজহ বিভাগৰ চিঠা চাওঁ তেতিয়া হ'লে ৰাজহ বিভাগৰ পাহাৰ অঞ্চলত বহুখিনি মাটি আছে কিন্তু Forest য়ে এই ৰাজহ বিভাগৰ য'ত circle office ৰ চিঠাত আছে ৰাজহ বিভাগৰ মাটি বুলি কিন্তু Forest য়ে সেই মাটিখিনিও Forest ৰ বুলি কব বিচাৰে। যাৰ ফলত এটা সংঘাটৰ সৃষ্টি হৈছিল। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে তাৎক্ষনিকভাৱে আমাৰ পাহাৰ অঞ্চলৰ যিখিনি ৰাজহ বিভাগৰ মাটি আছে বা Forest ৰ মাটি আছে সেইখিনিৰ এটা যুটিয়া জৰীপ কৰি সেইটো ক্লিয়াৰ কৰিব লাগে যে এইখিনি ফৰেষ্ট এৰিয়া, এইখিনি ৰাজহ বিভাগৰ, এইখিনি দেৱত্তোৰৰ, সেইবিলাক ক্লিয়াৰ কৰি ৰাখিলে তেতিয়াহলে ফৰেষ্টে আহি সেই মাটি খিনি তেওঁলোকৰ বুলি কব নোৱাৰে। কাৰণ চিঠা বহীত পুৰণি যি বিলাক চিঠা আছে সেই চিঠাত আমিও দেখিছো সেই মাটি বিলাক আমাৰ ৰাজহ বিভাগৰ হৈ আছে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীৰমেন্দ্ৰ নাৰয়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ গতিকে ছাৰ, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। কাৰণ ইতিমধ্যে বিভিন্ন সংগঠনে ইয়াৰ সুযোগ লৈ এতিয়া ধাৰাবাহিক আন্দোলনৰো চিন্তা-চৰ্চা কৰিছে, তেনে ধৰণৰ হুংকাৰ দিছে। গতিকে আমাৰ চৰকাৰ খনে যিহেতু আজি গোটেই অসমতে তেনে ধৰণৰ এটা ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে মাননীয় মুখ্যমন্ত্ৰীয়ে, গতিকে আমিও ভাৱো যে গুৱাহাটী মহানগৰিতো যাতে পাহাৰ অঞ্চলত থকা মানুহ বা নামনি অঞ্চলৰ মানুহৰ যাতে সিপ্ৰতাৰে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা খিনি কৰা যায় তাৰ বাবে মই বিশেষভাৱে আপোনাৰ জৰিয়তে মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰীক অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী আপোনাৰ দলৰে হয়। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এটা বহু দিন চৰ্চিত বিষয় এইটো, বাতৰি আছিল ভূমিপট্টা প্ৰদানৰ দাবী, ২৫ নৱেম্বৰৰ পৰা দিছপুৰ ৰাজহ চক্ৰ কাৰ্য্যালয়ত প্ৰতিবাদ, ধাৰাবাহিক আন্দোলনৰ হুংকাৰ, ১৮ খন পাহাৰৰ ৮৫ হাজাৰ পৰিয়ালক ভূমি পট্টা নিদিয়ালৈকে শান্ত নহয় ভূমি অধিকাৰ সংগ্ৰাম সমিতি। তিনি বিধায়কক সকিয়নী। তাৰে এজন ৰমেন্দ্ৰ নাৰায়ণ কলিতা, এজন সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু এজন অতুল বৰা। গতিকে এই বাতৰিটোৰ ভিত্তিত আজি এই ভূমি পট্টা প্ৰদানৰ ব্যৱস্থাটো কেনে ধৰণৰ হ'ব এই বিষয়ে আজি সন্মানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই ইয়াত উত্থাপন কৰিছে। পোন প্ৰথমতে মই এটা কথা কৈ লোৱা উচিত হ'ব, এই বহু চৰ্চিত বিষয়টো এটা অন্ত পেলাবৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ এটা বলিষ্ঠ পদক্ষেপত এটা প্ৰক্ৰিয়ালৈ অনা হৈছে। ইয়াৰ আগতে বিষয়টো এটা প্ৰক্ৰিয়াৰ মাজলৈ অহা নাছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এটা বিশেষ ব্যৱস্থাত এইটো এটা প্ৰক্ৰিয়াৰ মাজলৈ আহিছে সেয়ে আমি চালিজাৰি চাবলৈ এটা সুবিধা পাইছো। ইয়াৰ আগতে বছৰ বছৰ ধৰি থকা বিষয়টোৰ কোনো সমাধানৰ সূত্ৰ উদ্‌ভাৱন হোৱা নাছিল। এতিয়া সমধানৰ সূত্ৰ উদ্‌ভাৱন হৈছে। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাইছো যে এই বহু চৰ্চিত বিষয়টোৰ এটা প্ৰক্ৰিয়া আৰম্ভ কৰিছে। আজি আমি বসুন্ধৰাৰ যি আঁচনি এই বসুন্ধৰা আঁচনিৰ জৰিয়তে বসুন্ধৰা ১, বসুন্ধৰা ২, বসুন্ধৰা ৩ এই আঁচনিৰ জৰিয়তে এই বিষয়টোৰ এক সমধান উলিয়াবলৈ চেষ্টা কৰিছো। এতিয়া বসুন্ধৰা ১ যেতিয়া আৰম্ভ হৈছিল তেতিয়া আমি কেইটামান বিষয় প্ৰথমতে খাতাং কৰি লবলৈ কৈছিলো যে উত্তৰাধিকাৰী সূত্ৰে নামজাৰী হোৱা, দলিল সূত্ৰে নামজাৰী হোৱা, বিবাধীন যিবিলাক বাটোৱাৰা এইবিলাক, ক্লাছিফিকেচন্, ম্যাদীপট্টাৰ আৱন্টনৰ প্ৰমাণ পত্ৰ এনেকৈ আমি বহু কেইটা বিষয়ত এটা ৰেকৰ্ড, কৰাপচন্ শুদ্ধ কৰা তাৰ পিছত বসুন্ধৰা ২ তো তাৰ পিছত আমি সাধাৰণ চৰকাৰী চিলিং চৰকাৰী ভূমিৰ কৰ্তন, হস্তান্তৰিত একচনা পট্টাৰ ভূমিত পট্টা দিয়া, জনজাতীয় সম্প্ৰদায় লোকক বংশানুক্ৰমে যিখিনি ভোগদখল কৰি আছে, তেওঁলোকক আমি পট্টা দিয়া ঠিক তেনেধৰণে খিলঞ্জীয়া যি বিলাক লোকক বিশেষ খেতিৰ বাবে ভূমিৰ পট্টা দিয়া, এই গোটেই কথা বিলাক ঠিক কৰিলো। এতিয়া বসুন্ধৰা ৩ ইয়াত আমি ঠিক তেনেধৰণে আৰু কিছুমান কাম হাতত লৈছো যে ইয়াক আমি বসুন্ধৰা ২ ত যিবিলাক ৰিজেক্ট হ'ল মাটি তেওঁলোকক আৰু কিছু relax-ation দিছো। দি বসুন্ধৰা ৩ ত যাতে তেওঁলোকে পুনৰ ৰিজেক্ট হোৱা আৱেদন বিলাক দি তেওঁলোকে যাতে শুধৰণি আনিব পাৰে আৰু কিছু সুবিধা পায় সেইখিনি চেষ্টা কৰিছো। তাৰ পিছতে ডিজিটেল প্ৰক্ৰিয়াৰে যিটো আৱন্টন এইটো ঠিক কৰিলো, পূৰ্বৰ যিবিলাক ভূ-দান, গ্ৰাম দান ভূমি এইখিনি জনগোষ্ঠীৰ কাৰণে ঠিক কৰা হৈছে আৰু প্ৰফাইতৰ যিবিলাক ৰূপত শ্ৰেণী পৰিবৰ্তন কৰা হৈছে, নগৰ আৰু কাষৰীয়া অঞ্চলত প্ৰিমিয়াম ৰেহাই দিয়া হৈছে, Tea ground যি বিলাক আছিল ইয়াত আকৌ পুনৰ জনগোষ্ঠীৰ কথা ঠিক কৰা হৈছে। চিলিং চৰকাৰী ভূমিৰ পট্টন দিয়া হৈছে। দখলী চত্বত থকা ৰায়তক মালিকী চত্ব দিয়া হৈছে। কফি চাহ বাগিছাৰ কাৰণে ভূমি পট্টন দিয়া হৈছে। গতিকে এইখিনি আমি বসুন্ধৰা ৩ ত আৰম্ভ কৰিছো। এতিয়া কথা হ'ল কি যে গুৱাহাটীৰ পাহাৰৰ মাটি আৱন্টন দিয়াৰ ক্ষেত্ৰত কিছুমান আইনগত বাধানিষেধ আছে। এই আইনগত বাধা নিষেধ খিনি আমাৰ ইয়াৰ কোনো criteria ৰ ভিতৰত এইখিনি নপৰে। ধৰক মিছন বসুন্ধৰাত আমি ৩১৯১৮ জন আৱেদনকাৰী পাইছিলো। কিন্তু আবেদনকাৰী পোৱাৰ পিছত আমি পট্টা দিব পাৰিলো ৭৮ জনকহে মাত্ৰ। ঠিক তেনেকৈ বসুন্ধৰা ২ ত আমি ৭৩৭৫৬ খন আবেদন পাইছিলো,

তাৰে আমি প্ৰায় কিছু সংখ্যাকহে আমি পট্টা দিব পাৰিছো ইয়াৰ ৭৩ হাজাৰৰ ভিতৰত। ঠিক তেনেধৰণে আমি ইয়াৰ ভূমি আৱন্টনৰ ক্ষেত্ৰত, তাৰমানে সেই সময়ত যিখিনি আবেদন গ্ৰহণ কৰিছিলো তাৰে ভিতৰত ২০২৬ খন আবেদন এচ ডি এল চি ত বা চি ডি এল এ চি ত এইবিলাক অনুমোদিত হৈছে প্ৰিমিয়াম জমা দিয়াৰো জাননী দিয়া হৈছে। ২০২৬ খনক আমি দিলো। ইয়াৰে ১০৯৯৭ খনে আমি এই অনুমোদন প্ৰিমিয়ামৰ আকৌ ইয়াৰ প্ৰক্ৰিয়াৰ মাজত আছে। এই মুঠ আবেদনৰ ৬০৮৭১ খন আবেদন আমাৰ যিহেতু নাকচ হৈছিল আমি আকৌ বসুন্ধৰা ৩ ত যাতে কৰিব পৰা যায় তাৰকাৰণে এতিয়া আমি প্ৰক্ৰিয়া আৰম্ভ কৰিছো। আমাৰ মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই এটা কথা কৈছে যে জইন্ট চাৰ্ভে হ'ব লাগে। জইন্ট চাৰ্ভে আমাৰ কামৰূপ মহানগৰ জিলাত অসম ৰাজ্যিক দূৰ্য্যোগ ব্যৱস্থাপনাৰ কৰ্ত্তৃপক্ষ আৰু অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ে যুটীয়া ভাৱে এইটো জইন্ট চাৰ্ভে কৰা হ'ল। জইন্ট চাৰ্ভে কৰাৰ পিছত আমি যি খন প্ৰতিবেদন পালো তাত ৩৬৬ টা স্পৰ্শকাতৰ এলেকা বুলি চিহ্নিত কৰিছে। এতিয়া ৩৬৬ টা স্পৰ্শকাতৰ এলেকাৰ ক্ষেত্ৰত আমি বিবেচনা কৰিবলৈ আমাক আইনে কিছু বাধা দিছে। গতিকে ইয়াৰ গুৱাহাটী মহানগৰৰ বসুন্ধৰা ২ ত যিখিনি কথা ৰিজেক্ট হৈছিল তাৰে ৩১২০ খন আবেদন আকৌ পুনৰ বিবেচনাৰ কাৰণে লোৱা হৈছে। গতিকে এই ধৰণে ইয়াত এই মাটিৰ পট্টা দিবৰ কাৰণে, এইখিনি চেটেলমেন্ট কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। কিন্তু যিখিনি আমাৰ ফৰেষ্টৰ আইন, যেনেকৈ ফৰেষ্ট ৰাইট এক্ট, ২০২৬, ইয়াত আমি কিছু ভূমিৰ পট্টা খিলঞ্জীয়া মানুহক দিব পাৰো। তাৰে ৯২ খিলঞ্জীয়া পৰিয়াল ওলাইছে। তেওঁলোকক আমি সেইটো পট্টা দিব পাৰিছো। গতিকে ঠিক তেনেধৰণে আমি এই পাৰিপাৰ্শ্বিক আৰু বনাঞ্চল ভূমি যিখিনি নিষেধাজ্ঞা আছে এই নিষেধাজ্ঞা খিনিৰ ক্ষেত্ৰত আমাৰ কিছু অসুবিধা হৈছে। তাৰ মানে সংৰক্ষিত আৰু শ্ৰেণীবিহীন বনাঞ্চল, Reserved and Unclassed Forest, Wildlife Sanctuary, National Park এইবিলাকৰ কৰোবাত কৰোবাত চুই যায়, গতিকে এইখিনিৰ ভিতৰত আমাৰ ভূমি পট্টা দিয়াত অসুবিধা হৈছে। এই এনেধৰণৰ গোটেই কথাখিনি আমাৰ বিচাৰ বিবেচনাৰ ভিতৰত আছে। আৰু বিচাৰ বিবেচনাৰ ভিতৰত থাকি বসুন্ধৰা ৩ ৰ মতে আমি ভূমি পট্টা খিনি প্ৰদান কৰিবলৈ চেষ্টা কৰিছো। কিন্তু সৰ্বমুঠ এটা কথা হোৱাৰ প্ৰয়োজন হ'ব যে যিখিনি বাধা নিষেধ আছে, যি খিনি আমি ৩৬৬ টা স্পৰ্শকাতৰ এলেকা জইন্ট চাৰ্ভে কৰোতে ওলাল, সেইখিনিৰ ক্ষেত্ৰত ইয়াক যদি এটা আমাৰ বিভাগে নিজে নিজে এইটো আহনৰ ভিতৰতে কৰিব লাগিব। ইয়াৰ সামগ্ৰীক ভাৱে যদি কিবা সিদ্ধান্ত লব লগীয়া হয় তেতিয়াতো বিধান সভাই লব লাগিব। গতিকে এই কথাখিনি আপোনালোকে চোৱাতো প্ৰয়োজন। আৰু গুৱাহাটীত যিটো কৃত্ৰিম্ভম বান হৈ আছে ইয়াৰ ক্ষেত্ৰত আমি গম পাই আছো যে ইয়াৰ ecological imbalance ৰ কাৰণে এইবিলাক কথা আহি আছে, গতিকে আৰু ইয়াত সুৰক্ষাও লাগিব। আৰু মানুহ যিহেতু তাত বহি আছে আমি পট্টাও দিব লাগিব। গতিকে এই গোটেই বিষয়কেইটা এটা সামগ্ৰীক ভাৱে বিবেচনা কৰাৰ প্ৰয়োজন আছে। **কিন্তু এক্সিজটিং যিবিলাক আইন কানুন কথা - বতৰা আছে তাৰ ভিতৰত থাকি আমি বিভাগে যথেষ্ট চেষ্টা কৰিছো আৰু মানুহৰ পৰা আবেদন গ্ৰহণ কৰিছো । আবেদন সমূহ বিচাৰ কৰি কোনখন আবেদনৰ ওপৰত দিব পাৰি কোনখনৰ ওপৰত দিব নোৱাৰি , কোনখনক আকৌ বোৰ বিবেচনা কৰি দিব পাৰি সেয়া আমি চেষ্টা কৰিছো । বসুন্ধৰা -২ যদি ৰিজেক্ট হৈছে তেনেহ'লে আমি বসুন্ধৰা -৩ ত আনি লৈছো যাতে আমি দিব পাৰো । আমি এনেধৰনে প্ৰচেষ্টা চলাই আছো । আজি মই সদনৰ জৰিয়তে বিচাৰিছো যে, বিভাগে এই ক্ষেত্ৰত যথেষ্ঠখিনি ইনিচিয়েটিভ লৈছে, প্ৰচেষ্টা কৰি আছে । এই আইন কানুনৰ**

গণ্ডিৰ ভিতৰত থাকি পাহাৰত থকা মাটিৰ পট্টা দিব পৰা যাব সিমানখিনি মানুহক আমি পট্টা দিবলৈ প্ৰস্তুত ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া আইটেম নং- ৩ মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ' The North Eastern Regional Institute of Management (NERIM) University Bill, 2025 খন উত্থাপনৰ বাবে সদনত প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ' The North Eastern Regional Institute of Management (NERIM) University Bill, 2025 খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 4 , Hon'ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ' The Azim Premji University Bill, 2025 খন উত্থাপনৰ বাবে সদনত প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ' The Azim Premji University Bill, 2025 খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 5 , Hon'ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ' The Mising Autonomous Council Bill, 2025 খন উত্থাপনৰ বাবে সদনত প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ' The Mising Autonomous Council Bill, 2025 খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 6 , Hon'ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয়

অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Rabha Hasong Autonomous Council Amendment Bill, 2025 খন উত্থাপনৰ বাবে সদনত প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , “ তেখেতসকলে কওক ‘হয়’, যিসকল বিপক্ষে আছে , ‘তেখেতসকলে কওক ‘ নহয় ’, মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Rabha Hasong Autonomous Council Amendment Bill, 2025 খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 7 , Hon’ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Tiwa Autonomous Council Amendment Bill, 2025 খন উত্থাপনৰ বাবে সদনত প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , “ তেখেতসকলে কওক ‘হয়’, যিসকল বিপক্ষে আছে , ‘তেখেতসকলে কওক ‘ নহয় ’, মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Tiwa Autonomous Council Amendment Bill, 2025 খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 8 , Hon’ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Deori Autonomous Council Amendment Bill, 2025 খন উত্থাপনৰ বাবে সদনত প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , “ তেখেতসকলে কওক ‘হয়’, যিসকল বিপক্ষে আছে , ‘তেখেতসকলে কওক ‘ নহয় ’, মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Deori Autonomous Council Amendment Bill, 2025 খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 9 , Hon’ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Sonowal Kachari Autonomous Council Amendment Bill, 2025 খন উত্থাপনৰ বাবে সদনত প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে,

যিসকল সপক্ষে আছে , “ তেখেতসকলে কওক ‘হয়’, যিসকল বিপক্ষে আছে , ‘তেখেতসকলে কওক ‘ নহয় ’, মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ’ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Sonowal Kachari Autonomous Council Amendment Bill, 2025 খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 10 , Hon’ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Thengal Kachari Autonomous Council Amendment Bill, 2025 খন উত্থাপনৰ বাবে সদনত প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ’ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , “ তেখেতসকলে কওক ‘হয়’, যিসকল বিপক্ষে আছে , ‘তেখেতসকলে কওক ‘ নহয় ’, মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ’ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Thengal Kachari Autonomous Council Amendment Bill, 2025 খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 11 , Hon’ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Bodo Kachari Welfare Autonomous Council Amendment Bill, 2025 খন উত্থাপনৰ বাবে সদনত প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ’ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , “ তেখেতসকলে কওক ‘হয়’, যিসকল বিপক্ষে আছে , ‘তেখেতসকলে কওক ‘ নহয় ’, মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ’ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Bodo Kachari Welfare Autonomous Council Amendment Bill, 2025 খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 12 , Hon’ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা বিভাগ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ‘ The Assam Non-Government Educational Institutions (Regulations of Fees) ( Amendment) Bill, 2025 খন উত্থাপনৰ বাবে সদনত প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ’ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , “ তেখেতসকলে কওক ‘হয়’, যিসকল বিপক্ষে আছে , ‘তেখেতসকলে

কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা বিভাগ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই ' The Assam Non - Government Educational Institutions (Regulations of Fees) ( Amendment) Bill, 2025 খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 13 , Rule- 54, Sri Naba Kumar Doley...... absent. আছে। এতিয়া Item No- 14 - Sibamoni Bora........ absent আছে।

**শ্ৰীদিগন্ত বৰ্মন, (সৰুক্ষেত্ৰী) ঃ** অধ্যক্ষ মহোদয় , শিবামনি বৰা অনুপস্থিত কিন্তু তেখেতে এখন চিঠি আপোনাক দি ৰিকোৱেষ্ট কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** ৰুল - ৩০১ ত বেলেগে ক'ব নোৱাৰে । কোৱেশ্চনটো লেপচ্ নহ'বৰ বাবেহে এটেণ্ড কৰিব পাৰে । এতিয়া শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী)ৰৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ড্ৰাগছ সেৱনৰ ভয়াবহতা সম্পৰ্কত আজি সদনত মোৰ দুআষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো । মাদক দ্ৰব্য যেনে- মদ, ভাং, কানি, আফিং আদি সেৱন কৰি কিমান মানুহৰ জীৱন নষ্ট হৈছে ,অকাল মৃত্যু হৈছে, সম্পত্তি- ঘৰ - সংসাৰ ধ্বংস হৈছে , কিমান হাই -কাজিয়া, কেচ - মোকৰ্দমা বা অপৰাধজনিত ঘটনা ঘটিছে তাৰ কোনো সীমা সংখ্যা নাই । বহু মধ্যবিত্ত- সম্ভ্ৰান্ত ঘৰৰ যুৱক, আংশিক পৰিমানে যুৱতীও ড্ৰাগছৰ কবলত পৰি নিচামুক্তি কেন্দ্ৰত থাকিবলগীয়া হৈছে । অকামিলা জীৱন অতিবাহিত কৰিছে । এই পৰিস্থিত ইমান অবৰ্ণনীয় যে ক'বলৈ ভাষা নাই । চিকিৎসকসকলে প্ৰকাশ কৰা অনুসৰি ড্ৰাগছ হৈছে ক্ষণিক উত্তেজক মাদক দ্ৰব্য। যিটোৱে মানুহৰ স্নায়ুতন্ত্ৰৰ ওপৰত ক্ৰিয়া কৰি তীব্ৰ ক্ষতি কৰে । ইয়াক সেৱন কৰিলে ভৰা শক্তি নাইকীয়া হয় , যিকোনো অসৎ ইচ্ছা পূৰণ কৰিবলৈ মনত সাহস দিয়ে । গতিকে ড্ৰাগছ আসক্ত লোকে যিকোনো কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে । সামাজিক ব্যাধিস্বৰূপ এই ড্ৰাগছসমূহ- ছান ফ্লাৱাৰ, হেৰইন, কোকেইন, হাচিছ,ব্ৰাউন ছুগাৰ, মাৰিজুৱানা, প্লেগচ, মেনডেক্স ইত্যাদি বিভিন্ন নামেৰে উপলব্ধ । কোনে কেতিয়া এই মাৰাত্মক ড্ৰাগছৰ কৱলত পৰে তাৰ কোনো ঠিকনা নাই । নতুন প্ৰজন্মক তিল তিলকৈ মৃত্যুৰ মুখলৈ ঠেলি পঠিওৱা সমাজ ধ্বংসী এই ড্ৰাগছৰ প্ৰৱেশ পথ হৈছে মধ্য প্ৰাচ্যৰ পৰা পাকিস্থান হৈ ভাৰতবৰ্ষত প্ৰৱেশ কৰে । তাৰ পিচত গোপন পথেৰে ম্যানমাৰ, চিংগাপুৰ, হংকং, ইণ্ডোনেচীয়া ইত্যাদি দেশলৈ সৰবৰাহ হয় বুলি প্ৰচাৰ মাধ্যমৰ যোগেৰে জানিব পৰা যায় । এই ড্ৰাগছৰ কৱলত পৰি যুৱক - যুৱতী , উচ্চ শিক্ষিত যুৱক-যুৱতী, হয়তো সাংসাৰিক সমস্যা জৰ্জৰিত কোনো চাকৰিয়াল, গৃহিনী ইত্যাদিও ড্ৰাগছ আসক্ত হৈ সৰ্ব্বশ্ৰান্ত হৈ পৰিব পাৰে । এবাৰ যদি ড্ৰাগছ আসক্ত হয় সহজতে তাৰ কৱলৰ পৰা মুক্ত হ'ব নোৱাৰি । মাননীয় অধ্যক্ষ মহোদয়, ড্ৰাগছৰ আসক্ত হৈ বিভিন্ন মধ্যবিত্ত পৰিয়ালৰ যুৱক, সাংসাৰিক অশান্তি জৰ্জৰিত ব্যক্তি, উচ্চ শিক্ষিত যুৱক আৰু হয়তো গৃহিনীও সৰ্বস্বান্ত হ'ব পাৰে। এবাৰ যদি ড্ৰাগছ আসক্ত হয়, ড্ৰাগছৰ কৱলৰ পৰা সহজতে মুক্ত হ'ব নোৱাৰে। ড্ৰাগছৰ আসক্তি ইমানেই প্ৰবল যে এবাৰ ড্ৰাগছ সেৱন কৰা লোকে ড্ৰাগছ নাথাকিলে থাকিব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়। যদি সেৱনকাৰীয়ে সময়মতে ড্ৰাগছ সেৱন কৰিবলৈ নাপায়, তেন্তে কোনো অপৰাধজনিত ঘটনা সংঘটিত কৰিবলৈ কুণ্ঠাবোধ নকৰে আৰু তেতিয়া সেই ড্ৰাগছ আসক্ত লোকজন কেৱল নিজৰ পৰিয়ালেই নহয়, সমাজৰ প্ৰতিও ব্যাধি

হৈ পৰে। ড্ৰাগছ সেৱন কৰা ব্যক্তিয়ে কিবা কাৰণত ড্ৰাগছ সেৱন কৰা বন্ধ কৰিলে এক বিশেষ শাৰিৰীক অসুস্থতাৰ সৃষ্টি হয়। শাৰিৰীক আৰু মানসিক ভাৰসাম্য নোহোৱা হয়। যাক চিকিৎসা বিজ্ঞানৰ ভাষাত প্ৰত্যাহাৰ জনিত অসুস্থতা বুলি কোৱা হয়। সেয়েহে দেখা যায় যে কোনো ড্ৰাগছ আসক্ত ব্যক্তিয়ে বাধ্যতামূলকভাৱে শাৰিৰীক আৰু মানসিক ভাৰসাম্য বৰ্তাই ৰাখিবলৈ নিয়মীয়াভাৱে ড্ৰাগছ সেৱন কৰি যায় আৰু যেতিয়া সেৱন কৰিবলৈ নপায়, তেতিয়া ভয়ঙ্কৰ পৰিস্থিতিৰ সৃষ্টি হয়। শেষ পৰিণতি হয় অকাল মৃত্যু আৰু নিজৰ পৰিয়াল ধ্বংস হয়। তিল তিলকৈ সমাজ ধ্বংস কৰা ড্ৰাগছৰ বাবে বিশেষকৈ উঠি অহা প্ৰজন্মক ৰক্ষা কৰাৰ উপায় বিচৰিব লগা হৈছে। কোনো অভিভাৱকে নিজৰ এক মাত্ৰ সন্তানক কোনো মনোৰোগ বিশেষজ্ঞ বা নিচামুক্তি কেন্দ্ৰৰ দুৱাৰে দুৱাৰে লৈ ঘূৰি ফুৰিবলগীয়া হৈছে। ড্ৰাগছৰ পৰা মুক্ত কৰিবলৈ অবৈধভাৱে ড্ৰাগছ সৰবৰাহ কৰা আৰু ব্যৱসায় কৰা লোকসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মানৱ সমাজৰ পৰা ড্ৰাগছ নিৰ্মুল কৰিবলৈ জন-সচেতনতা বৃদ্ধি কৰিব লাগে। কোনো ব্যক্তি বা যুৱক-যুৱতীয়ে ড্ৰাগছৰ পৰিণতিৰ সন্মুখীন হ'লে অন্ততঃ নিজৰ মাক-দেউতাকক যাতে অৱগত কৰে তাৰ বাবে মোৰ অনুৰোধ থাকিল। এই মাৰাত্মক ড্ৰাগছক প্ৰতিৰোধ কৰিবলৈ ভাৰত চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে যদিও সমগ্ৰ বিশ্ব, ভাৰতবৰ্ষৰ লগতে অসমৰ সীমান্তৱৰ্তী অঞ্চলতো ড্ৰাগছ সেৱনৰ আসক্তি বৃদ্ধি পাবলৈ ধৰিছে। অসমত মূলতঃ ড্ৰাগছ অৰুণাচল আৰু মণিপুৰ সীমান্তৱৰ্তী অঞ্চলৰ পৰা আহে। অসম পুলিচ তথা ৰেলৱে পুলিচেও মাজে সময়ে ড্ৰাগছ সেৱনকাৰীক আটক কৰাৰ কথা প্ৰচাৰ মাধ্যমত প্ৰকাশ পাই আহিছে। বৰ্তমান সন্দেহযুক্ত বাংলাদেশী নাগৰিকক কাছাৰ, হাইলাকান্দি তথা বৰাক উপত্যকাত ড্ৰাগছসহ আটক কৰা দেখিবলৈ পোৱা গৈছে। এনেধৰণৰ বিষয় লৈ লক্ষ্য কৰিলে দেখিবলৈ পোৱা যায় যে অসমৰ ক্ষেত্ৰত ড্ৰাগছৰ প্ৰচলন বৃদ্ধিৰ ক্ষেত্ৰত সন্দেহযুক্ত বাংলাদেশী নাগৰিকে উঠি-পৰি লাগিছে। যদিও মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কঠোৰ পদক্ষেপত ড্ৰাগছৰ সৰবৰাহ কিছু কমিছে তথাপিও অবৈধ ব্যৱসায়ীয়ে আমাৰ চৰাইদেউ জিলাৰ নাগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলত জটিল ৰূপ ধাৰণ কৰি আছে বুলি ক'লেও ভূল নহয়। একাংশ হাতাশাগ্ৰস্ত উপাৰ্জন হীন যুৱক-যুৱতীয়ে হীনমন্যতাত ভুগি আপোনা-আপুনিকৈ নিচা সেৱনৰ বদ অভ্যাসৰ কবলত পৰে। যুৱ-প্ৰজন্মক আত্ম সংস্থাপনৰ বাট দেখুৱাই দিয়া, কৰ্মৰ প্ৰতি ধাউতি জন্মোৱা, কৰ্ম-সংস্থাপনৰ জৰিয়তে এখন সমৃদ্ধিশালী সমাজ নিৰ্মাণ কৰাৰ আমাৰ সকলোৰে দায়িত্ব আছে। যুৱ-প্ৰজন্মক কৰ্ম প্ৰেৰণা যগোৱা, আত্ম-নিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দূৰদৰ্শী আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ জৰিয়তে কৰ্ম উদ্যমী যুৱক-যুৱতী আগবাঢ়ি যোৱাৰ সহায় হ'ব। যিকোনো ৰাগিয়াল বস্তু ড্ৰাগছ বা যিয়ে নহওঁক, নিৰ্মুল কৰাত আমি সকলোৰে দায়িত্ব গ্ৰহণ কৰিব লাগিব। গতিকে যিকোনো মাদক দ্ৰব্য সেৱন বা ড্ৰাগছৰ নিচিনা বৰবিহ সদৃশ ৰাগিয়াল বস্তুৰ প্ৰতি যাতে আমাৰ যুৱ-প্ৰজন্ম আসক্ত নহয় তাৰ বাবে আত্ম নিৰ্ভৰশীল অসম গঢ়া, স্বাস্থ্য সজাগতা আৰু ক্ৰীড়া সজাগতা বৃদ্ধি কৰা আৰু সমান্তৰালভাৱে নৈতিক চৰিত্ৰৰ উৎকৰ্ষ সাধনত আমি অবিৰতভাৱে কাম কৰা আৰু ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থাৰ গ্ৰহণ কৰাৰ পোষকতা কৰিছো। এইখিনি ক'বলৈ দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়, আপোনাক মোৰ ফালৰ পৰা ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই ক'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ Rule-301 ত মাননীয় সদস্য ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াই যি বিষয় উত্থাপন কৰিছে, 'ড্ৰাগছৰ ক্ৰমবৰ্ধমান নতুন প্ৰজন্ম আৰু ইয়াৰ ভয়াৱহতা

সম্পৰ্কত।' এই বিষয়টো আমি সকলো মাননীয় সদস্য, বিভিন্ন NGO আৰু সকলো ব্যক্তিয়ে আমাৰ সমাজখনৰ মাজত এটা সজাগতা আনিব লাগে। নতুন প্ৰজন্মৰ যুৱক-যুৱতী সকলক নিচামুক্ত অসম গঢ়ি তোলাৰ বাবে সজাগ কৰিব লাগে। মই সকলো মাননীয় সদস্যক অনুৰোধ জনাম যে তেওঁলোকে নিজৰ নিজৰ অঞ্চলত ব্যৱস্থা গ্ৰহণ কৰে আৰু ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰিব লাগে। চৰকাৰৰ ফালৰ পৰাও সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পুলিচ বিষয়াসকলকো ইতিমধ্যে দায়িত্ব দিয়া হৈছে আৰু সেইমতে তেওঁলোকে নিজৰ দায়িত্ব পালন কৰি আছে। মাদক দ্ৰব্য বা ড্ৰাগছ যেনে-মদ,ভাং, কাণি, আফিং আদি সেৱন কৰি বিভিন্ন লোকৰ জীৱন ধ্বংস হৈছে, বহু লোকৰ অকাল মৃত্যু হৈছে, ঘৰ-সংসাৰ থানবান হৈছে, সমাজ ধ্বংস হৈ গৈছে। গৃহ কাজিয়া, হাই-কাজিয়া, কেচ-মোকৰ্দ্দমা আৰু অপৰাধজনিত ঘটনা ঘটিছে তাৰ কোনো সীমা-সংখ্যা নাই। বহু মধ্যবিত্ত আৰু সম্ভ্ৰান্ত ঘৰৰ যুৱক আৰু আংশিক পৰিমাণে যুৱতীয়েও ড্ৰাগছৰ কবলত পৰি নিচামুক্ত কেন্দ্ৰত থাকি অকামিলা জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। এনেধৰণৰ পৰিস্থিতি ইমানেই অবৰ্ণনীয় যে বৰ্ণনা কৰিবলৈ কোনো ভাষা নাই। চিকিৎসক সকলে প্ৰকাশ কৰা অনুসৰি ড্ৰাগছৰ সৈতে এবিধ ক্ষণিক উত্তেজক মাদক দ্ৰব্য যিয়ে মানুহৰ স্নায়ুতন্ত্ৰৰ ওপৰত ক্ৰিয়া কৰি স্বাস্থ্যৰ তীব্ৰ অৱনতি কৰে। ইয়াক সেৱন কৰিলে ভৱা শক্তি নাইকিয়া হয় আৰু যিকোনো অসৎ ইচ্ছা পূৰণ কৰিবলৈ সাহস দিয়ে। গতিকে ড্ৰাগছ আসক্ত লোকে যিকোনো কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে। সামাজিক ব্যভিচাৰে এই ড্ৰাগছ সমূহক চানফ্লাৱাৰ, হিৰ'ইন, হাচিচ, ব্ৰাউন চুগাৰ, মাৰিজুৱানা, ক্লেক, মেনড্ৰেগছ আদি বিভিন্ন নামেৰে বৰ্তমান উপলব্ধ হৈ আছে। কোনে কেতিয়া এই মাৰাত্মক ড্ৰাগছৰ কবলত পৰে তাৰ ঠিকনা নাই। নতুন প্ৰজন্মক মৃত্যুৰ মুখলৈ ঠেলি পঠোৱাৰ এই মাৰাত্মক বিধ্বংসী হৈছে ড্ৰাগছ। অপ্ৰিয় সত্য যে সমাজ বিৰোধীৰ কবলত পৰি চোৰাং কাৰবাৰ কৰি ড্ৰাগছত আসক্ত হৈ মধ্যবিত্ত পৰিয়ালৰ যুৱক, সাংসাৰিক অশান্তক্লিষ্ট কোনো চাকৰিয়াল ব্যক্তি, উচ্চ শিক্ষিত যুৱক আৰু হয়তো গৃহিনীও সৰ্ব্বস্বান্ত হ'ব পাৰে। কোনো ড্ৰাগছ আসক্ত ব্যক্তিয়ে বাধ্যতামূলকভাৱে শাৰিৰীক আৰু মানসিক ভাৰসাম্য বৰ্তাই ৰাখিবলৈ নিয়মীয়াভাৱে ড্ৰাগছ সেৱন কৰি যায় আৰু যেতিয়া সেৱন কৰিবলৈ নপায়, তেতিয়া ভয়ঙ্কৰ পৰিস্থিতিৰ সৃষ্টি হয়। শেষ পৰিণতি হয় অকাল মৃত্যু আৰু নিজৰ পৰিয়াল ধ্বংস হয়। যিকোনো মাদক দ্ৰব্য সেৱনৰ বাবে বৰবিহ সদৃশ ৰাগিয়াল বস্তুৰ পৰা যাতে আমাৰ নতুন প্ৰজন্ম আসক্ত নহয়, তাৰ বাবে আত্ম নিৰ্ভৰশীল অসম গঢ়া, স্বাস্থ্য সজাগতা, ক্ৰীড়া সজাগতা বৃদ্ধি কৰা আৰু সমান্তৰালভাৱে নৈতিক চৰিত্ৰ উৎকৰ্ষ সাধনত অবিৰতভাৱে আমি সকলোৱে দায়িত্বশীলতাৰে কাম কৰাৰ লগতে ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰাত এই চৰকাৰে পোষকতা কৰিছো। এই ক্ষেত্ৰত আমাৰ চৰকাৰে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰিছে। তাৰ ভিতৰত আছে-ড্ৰাগছ ব্যৱসায় আৰু সৰবৰাহ বন্ধ কৰিবলৈ চৰকাৰে লোৱা পদক্ষেপ। অসম আৰক্ষীয়ে অসমৰ বিভিন্ন জিলাত স্থানীয় তাৰকাসকলক জড়িত কৰি নিচামুক্ত ভাৰত অভিযান চলাই সেই অভিযান চলোৱাৰ বাৰ্তা সমাজিক মাধ্যম আৰু বিভিন্ন মাধ্যমত প্ৰচাৰ কৰি সজাগতাৰ সৃষ্টি কৰি আহিছে। Drugs free Assam Apps ৰ জৰিয়তে Drugs আদিৰ বিক্ৰীৰ সন্দৰ্ভত লাভ কৰা তথ্য সমূহ ততালিকে সংশ্লিষ্ট জিলাৰ কৰ্তৃপক্ষলৈকে প্ৰেৰণ কৰি দিয়া প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰেৰণ কৰা হয় আৰু এই অভিযানৰ কাম-কাজৰ নেতৃত্ব দিবলৈকে কিছুমান master trainer ৰ চিনাক্ত কৰি লোৱা হৈছে। Drugs free Assam Apps টো অসম আৰক্ষীৰ সঞ্চালক প্ৰধানে ২০২১ চনৰ ১০ ডিচেম্বৰত মুকলি কৰিছিল। সেই App টোৰ জৰিয়তে জনসাধাৰণে ব্যক্তিজনৰ পৰিচয় প্ৰবাস নকৰাকৈ নিষিদ্ধ NDPS সম্পৰ্কীয় সামগ্ৰীৰ

বিক্ৰী, ব্যৱহাৰ, সংৰক্ষণ আৰু সৰাবৰাহৰ খবৰ দিব পাৰে। এতিয়ালৈকে এই Apps ৰ জৰিয়তে ৩১২টা অভিযোগ পোৱা গৈছে আৰু আৰক্ষীয়ে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰিছিল। এই Apps টোৰ পৰা পোৱা তথ্যৰ ভিত্তিত ইতিমধ্যে ২.৭৫ কোটিৰো অধিক মূল্যৰ ড্ৰাগছ জব্দ কৰা হৈছে আৰু অসমত App টো মুকলি কৰাৰ পিছত NDPS ৰ সম্পৰ্কীয় ১২ টা গোচৰৰ সৈতে জড়িত ১৪ জন লোকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। তাৰোপৰি অধ্যক্ষ মহোদয়, আমাৰ জিলা পৰ্য্যায়ৰ নাৰ্কো সমন্বয় সমিতি গঠন কৰা হৈছে আৰু অসমৰ সকলো জিলাত আয়ুক্ত আৰু দণ্ডাধীশসকলে ইয়াক পৰিচালনা কৰে। জিলা পৰ্য্যায়ৰ NNCORD সভা নিয়মীয়াকৈ অনুষ্ঠিত কৰা হয় আৰু নিচামুক্ত ভাৰত অভিযান আদিৰ অধীনত বিভিন্ন কাৰ্য্যসূচী জিলাসমূহত অনুষ্ঠিত কৰা হয়। যোৱা ৫ বছৰ অৰ্থাৎ ২০২১ চনৰ পৰা ২০২৫ চনৰ ৩১/১০/২০২৫ চনলৈকে ড্ৰাগছৰ বেপাৰীৰ বিৰুদ্ধে মুঠ ১৪,২৩৯ টা গোচৰ পঞ্জীয়ন কৰা হৈছে। এই সংক্ৰান্তত ২৩,০৭৫ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে আৰু সৰ্বমুঠ ২,৮৮২.২২ কোটি টকাৰ মূল্যৰ ড্ৰাগছ জব্দ কৰা হৈছে আৰু ৪৩৪.৫৬ কোটি টকাৰ মূল্যৰ ড্ৰাগছ ধ্বংস কৰা হৈছে আৰু NDPS আইনৰ অধীনত ১৯.২৬ কোটি টকাৰ সম্পত্তি জব্দ কৰা হৈছে। অবৈধ সুৰা সম্পৰ্কত ০১/০১/২০২৫ তাৰিখৰ পৰা ৩১/১০/২০২৫ তাৰিখলৈকে সৰ্বমুঠ ১১১ টা গোচৰ পঞ্জীয়ন কৰা হৈছে। এই সন্দৰ্ভত মুঠ ১৩৪ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে লগতে মুঠ ৩,২৬,৬৭৫.১৯৭ লিটাৰ IMFL আৰু দেশীয় সুৰা জব্দ কৰা হৈছে, ধ্বংস কৰাও হৈছে আৰু ইয়াৰ পৰিমাণ হৈছে ৯,৩৯,৯৭০.৫৬৫ লিটাৰ। নিচামুক্তি ভাৰত অভিযানৰ সামাজিক মাধ্যমৰ page বোৰ জনপ্ৰিয় আৰু সক্ৰিয়। প্ৰতি দিনে Facebook, Twitter, Instagram ৰ page সমূহত বিভিন্ন ধৰণৰ সজাগতা post আদি share কৰি থকা হয়। অৰ্ধসামাৰিক বাহিনীক ড্ৰাগছ সেৱন আৰু ড্ৰাগছ সৰবৰাহকাৰীক প্ৰতিৰোধৰ সম্পৰ্কত তেওঁলোকৰ কাৰ্য্যকলাপৰ ওপৰত ফটো তুলিবলৈ আৰু স্থানীয় আৰক্ষী অধীক্ষকৰ জৰিয়তে নিচামুক্ত ভাৰত অভিযানৰ portal ত ফটো আৰু কাৰ্য্যকলাপ post কৰিবলৈ জনোৱা হৈছে। আৰক্ষী থানাৰ অধীনত ড্ৰাগছ বিৰোধী সজাগতা কাৰ্য্যসূচীৰ আয়োজন কৰা হয় আৰু থানা পৰ্য্যায়ত VDP আৰু নাগৰিক সমিতিয়ে বৈঠক অনুষ্ঠিত কৰি যুৱক-যুৱতী সকলৰ মাজত মাদক দ্ৰব্য সেৱন যাতে হ্ৰাস হয় তাৰ উচিত ব্যৱস্থা লয়। বিদ্যালয়, মহাবিদ্যালয়, bus-stand, স্বাস্থ্য বিভাগ, সমাজ কল্যাণ বিভাগ VDP আৰু গাওঁৰ VDP ৰ সহযোগত ড্ৰাগছৰ প্ৰভাৱৰ বিষয়ে মানুহক সজাগ কৰাৰ বাবে এটা ড্ৰাগছ বিৰোধী সজাগতা কাৰ্য্যসূচী অনুষ্ঠিত কৰা হয়। জিলাখনৰ বিভিন্ন স্থানীয় জনসাধাৰণ আৰু বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে সজাগতা সভাৰ আয়োজন কৰা হয়। সাধাৰণ জনতাৰ মাজত সজাগতা সৃষ্টিৰ বাবে বিভিন্ন ৰাজহুৱা স্থানৰ বেনাৰ আৰু প'ষ্টাৰ আদি লগোৱা হয়। মহিলা আৰু শিশু বিকাশ বিভাগে কিশোৰ-কিশোৰী আৰু মহিলা সকলৰ বাবে আয়োজন কৰা সভাসমূহত মহিলাকেন্দ্ৰিক আঁচনি সমূহৰ সজাগতা আৰু প্ৰচাৰৰ উপৰিও মাদক দ্ৰব্য তথা ৰাগিয়াল বস্তুৰ দ্বাৰা হ'ব পৰা অপকাৰিতাৰ বিষয়ে সজাগতামূলক কাৰ্য্যসূচী ৰূপায়ণ কৰে। সভাসমূহত মাদক দ্ৰব্যৰ উদ্ভৱ হ'ব পৰা সমস্যা আৰু প্ৰয়োজনত ল'ব লগা সাৱধানতা বিষয়ে বিভিন্ন সজাগতা অনা হয়। বীৰত্বৰ দ্বাৰা সংহত শিশু বিকাশ প্ৰকল্প গঠন কৰাত কিশোৰী সেৱিকা গোট তথা মহিলা গোটৰ মাজত বিশেষভাৱে সজাগতা অনাৰ ব্যৱস্থা কৰা হয়। নিচামুক্তৰ ক্ষেত্ৰত ৰাজ্যত ৰূপায়িত সজাগতামূলক পদক্ষেপ আৰু আঁচনি সমূহৰ ক্ষতিয়ন ৰাজ্যিক পৰ্য্যায়ত সংবাদ প্ৰতিষ্ঠান আইন বলবৎকাৰী বিষয়াৰ সৈতে সমসক্ষমতা গঢ়ি তোলাৰ বাবে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰা হৈছে। নিচামুক্ত ভাৰত অভিযানত চমুকৈ আমাৰ অধীনত লাভান্বিত হোৱা লোকৰ সংখ্যা আছে ১৫,৮১৯

জন। নিচামুক্ত ভাৰত অভিযানৰ মুঠ ৫৩,২০০ শৈক্ষিক প্ৰতিষ্ঠান সামৰি লোৱা হৈছে। মাননীয় প্ৰধানমন্ত্ৰীৰ মেগা অনুষ্ঠান ১৮ নৱেম্বৰ ২০২৫ চনৰ বিষয়ে ইতিমধ্যে আমাৰ জিলাসমূহত সবিশেষ কথাসমূহ জনোৱা হৈছে। অসমত চিকিৎসাৰ পুনৰ সংস্থাপনৰ কেন্দ্ৰৰ বিষয়েও সবিশেষ আমাৰ বিভিন্ন জিলাত এই নিচামুক্তি কেন্দ্ৰ বা DDAC, IRCA, ATF আৰু ODIC ৰ প্ৰতিখন জিলাতে ৮ টাৰ ৩ টা লৈকে গঠন কৰা হৈছে। অসম চৰকাৰৰ অধীনত আৰু ৬ খন জিলা গোলাঘাট, তিনিচুকীয়া, ডিব্ৰুগড়. শোণিতপুৰ, বৰপেটা আৰু কামৰূপ মহানগৰত ৬ খন নিচামুক্তি আৰু পুনঃসংস্থাপন কেন্দ্ৰ কৰা আছে। দক্ষতা বিকাশৰ ক্ষেত্ৰতো তেওঁলোকক যাতে skill training দিয়া হয় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গতিকে National আৰু State level ৰ Action plan গ্ৰহণ কৰা হৈছে। অধ্যক্ষ মহোদয় মই বেছি দীঘলীয়া নকৰো, In brief চৰকাৰে লোৱা ব্যৱস্থা খিনিৰ কথা কৈছো। অধ্যক্ষ ডাঙৰীয়া মই এটা কথা আপোনাৰ জৰিয়তে ক'ব বিচাৰিছো যে চৰকাৰৰতো এনেকুৱা বহু অভিলাষী আঁচনি লৈছে আৰু চৰকাৰৰ Police বিভাগে দিনে নিশাই ড্ৰাগছৰ সৰাবৰাহকাৰী আৰু ড্ৰাগছৰ লগত জড়িত ব্যক্তিক দিনে নিশাই ধৰি আছে। মই আপোনাৰ জৰিয়তে এই সদনৰ মাননীয় সদস্য সকলক আৰু ৰাইজক অনুৰোধ জনাইছো মাননীয় মুখ্যমন্ত্ৰীৰ হৈ যে আমাৰ সকলোৱে যাতে ড্ৰাগছ মুক্ত অসম গঢ়াৰ কাৰণে নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালী খিনিক ড্ৰাগছ খোৱাৰ ব্যৱস্থাত বিভিন্ন সময়ত দেখা যায় বিভিন্ন স্থানত। এই সম্পৰ্কে যাতে ৰাইজেও নিজৰ নিজৰ অঞ্চলত সজাগতা গঢ়ি তোলে আৰু মাননীয় সদস্য সকলেও যাতে নিজৰ নিজৰ সমষ্টিত সজাগতা গঢ়ি তোলে কাৰণ নতুন প্ৰজন্মই আগন্তুক দিনত ৰাজ্যখনৰ বা দেশখনৰ নেতৃত্ব ল'ব। ভৱিষ্যত নেতৃত্ব লবলগীয়া আমাৰ ল'ৰা-ছোৱালী যিখিনি আছে নতুন প্ৰজন্মৰ তেওঁলোকে যাতে সুস্থ সৰল আৰু ভাল মানসিকতা গঢ়ি তুলিব পাৰে তাৰকাৰণে আমি যিখিনি Public Representative আছো, সকলোৱে যাতে নিজৰ নিজৰ অঞ্চলত দায়িত্ব লয় তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো বহুত দীঘলীয়াকৈ দিছে।

**মাননীয় অধ্যক্ষ** ঃ Debate নালাগে।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কিন্তু এজন মানুহ হত্যা কৰি এইখন আইন আনি life imprisonment দিয়ে যদি তেতিয়া ড্ৰাগ্চ addicted হয় কালিলৈ যদি ওলাই আহিছে তেওঁলোকে তাৰ কাৰণে কঠোৰ আইন এখন অনাটো প্ৰয়োজন আছে।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলী ৩০১ অনুযায়ী মই এটা গুৰুত্বপূৰ্ণ বিষয় মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিষয়টো হৈছে গুৱাহাটীৰ গোটেই আৱৰ্জনাসমূহ দীপৰ বিলৰ নাতিদূৰত থকা বেলৰতলত পেলোৱাৰ বাবে নিকটৱৰ্তী জনজাতীয় গাওঁসমূহৰ লগতে দীপৰ বিলো প্ৰদুষিত হোৱা দেখা গৈছে। ইয়াৰ কাৰণ হৈছে বিজ্ঞানসন্মত পদ্ধতি নোলোৱাৰ বাবে। ইয়াৰ ফলত আৱৰ্জনা পেলোৱা ঠাই টুকুৰা পাহাৰ সদৃশ হৈছে। গতিকে মধ্য প্ৰদেশৰ ইন্দোৰত লোৱা পৰিকল্পনা ৰাজ্য চৰকাৰে গ্ৰহণ কৰিলে প্ৰদূষণৰ পৰা ৰক্ষা পাব আৰু বিভিন্ন প্ৰকল্প ইয়াৰ পৰা কৰিব পাৰিব। গুৱাহাটীৰ নিচেই ওচৰতে

দীপৰ বিল আৰু দীপৰ বিলখন গোটেই পৃথিৱীতে Ramsar site বুলি আজি বিশ্ব মানচিত্ৰত লিখা আছে এটা জলাশয় বুলি। কিন্তু দেখা গৈছে যে সেই দ্বীপৰ বিলত গুৱাহাটীৰ যিমান জাৱৰ-জোথৰ আৱৰ্জনা আজি সেই দ্বীপৰ বিলৰ বেলৰ তলত ট্ৰাকে ট্ৰাকে পেলোৱা হৈছে। এতিয়া এই যিখিনি আৱৰ্জনা, জাবৰ-জোথৰ আজি দ্বীপৰ বিলত পেলোৱা হৈছে সেই আৱৰ্জনাসমূহ বিজ্ঞানসন্মতভাৱে কোনো কাৰ্য্যব্যৱস্থা নোলোৱাৰ কাৰণে আজি সেইটো এটা পাহাৰ সদৃশ অৱস্থাত পৰিণত হৈছে। এতিয়া সেইটো অৱশ্যে মাজে মাজে জ্বলাই দিয়া হয় আৰু জ্বলাই দিয়াৰ কাৰণে যিখিনি ছাই, এই গোটেই ছাইখিনি গোটেই অঞ্চল বিলাকত আৱৰি ধৰে আৰু যাৰ কাৰণে গোটেই অঞ্চলটো প্ৰদূষিত হৈছে। মোৰ কথাটো হ'ল যে গুৱাহাটীৰ আৱৰ্জনাসমূহ কৰবাত পেলাব লাগিব। কিন্তু এটা scientific method ত আমি কিছুমান কাম কৰিব পাৰো। সেই কামবিলাক গুৱাহাটী পৌৰ নিগমে আজিলৈকে কৰা নাই। অৱশ্যে মাননীয় মন্ত্ৰীৰ বেছিদিন হোৱা নাই, মাননীয় মন্ত্ৰীক দোষ দিব নাযাওঁ। কিন্তু কথাটো হৈছে যে, আমি Public Account Committee য়ে কিছুদিন আগতে মধ্য প্ৰদেশৰ ইন্দোৰত গৈছিলো আৰু ইন্দোৰত আপুনি জানে যে ইন্দোৰখন ইতিমধ্যে ভাৰতৰ ভিতৰতে এখন cleanest city হিচাপে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ পৰা পুৰস্কাৰো পাইছে। এতিয়া আমাৰ ইয়াতে যিধৰণে জাৱৰ-জোথৰ বিলাক আজি যেনে ধৰণে সংগ্ৰহ কৰা হৈছে আজি ইন্দোৰত যিটো পদ্ধতি লৈছে, সেই পদ্ধতিটো ইয়াত অনুসৰণ কৰা হোৱা নাই। আজি আমাৰ ইয়াত যদি door to door ঘৰে ঘৰে গৈ source তে segregation কৰি যদি সেই জাৱৰবিলাক লৈ যোৱা হয়, তেতিয়াহ'লে সেইটো এটা সুফল লাভ কৰিব পাৰিব। কিন্তু আমাৰ ইয়াতে ঘৰে ঘৰে গৈ যিটো segregation ৰ ব্যৱস্থা, সেই ব্যৱস্থাটো ইয়াত কৰা হোৱা নাই। ইয়াতে হয়, NGO ক দায়িত্ব দিয়া হৈছে। NGO ই জাৱৰ-জোথৰ কেতিয়াবা ৩-৪ দিনৰ পিছত, কেতিয়াবা ১ সপ্তাহৰ পিছত লৈ যোৱাৰ কাৰণে আজি গোটেই অঞ্চলটো প্ৰদুষিত হৈছে আৰু জাৱৰ-জোথৰৰ আৱৰ্জনা গোটেই অঞ্চলতে পেলাই ৰখা হৈছে। গতিকে মোৰ মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত এটা অনুৰোধ আছে যে আজি আমাৰ ইয়াত যিবিলাক NGO আছে, প্ৰথমতে training দিয়াব লাগিব আৰু training দি যদি প্ৰতি ঘৰে ঘৰে আমি দুটা ডাষ্টবিন দিওঁ, এটা ডাষ্টবিনত যিটো wet garbage থাকিব আৰু এটা dry garbag এই দুটা segregation কৰি আমি তেনেধৰণে সংগ্ৰহ কৰি লৈ যাওঁ, তেতিয়াহ'ল কিছু সুফল লাভ কৰিব পাৰিব। ইন্দোৰ Municipal Corporation য়ে আজি ইন্দোৰত দুটা বছৰ কষ্ট কৰিছে। তেওঁলোকে কাৰণ এইটো awareness, সজাগতাটো সৃষ্টি কৰিব লাগিব। সজাগতা সৃষ্টি কৰিবৰ কাৰণে দুটা বছৰ যুঁজিছে। তাত NGO ৰ ৬ শ সদস্য নিয়োগ কৰিছে। ৬ শ সদস্যই ঘৰে ঘৰে গৈ training দিছে, training দিয়াৰ পিছত যদি কোনোৱাই তেনেধৰণে কাম কৰা নাই, যদি কোনোবাই আৱৰ্জনা ঘৰতে পেলাই থৈছে বা ৰাস্তাত পেলাই থৈছে, তেতিয়াহ'লে ৫ শ টকাৰ পৰা ১ লাখ টকালৈকে জৰিমনা লৈছে। তেনেধৰণৰ ব্যৱস্থা ল'ব লাগিব আৰু কোনোবাই যদি training দিয়াৰ পিছতো তেনেধৰণে segregation কৰি তেনেকৈ wet dry কৰা নাই তেতিয়াহ'লে তেওঁলোকে এইযিখিনি আৱৰ্জনা সেই আৱৰ্জনাসমূহ সেই পৰিয়ালটোৰ পদুলিত আকৌ পেলাই দিয়া হয়। তেওঁলোকে নিজে আৱৰ্জনাসমূহ বুটলি লৈ পেলাবলগীয়া হয়। গতিকে তেনে ধৰণৰ ব্যৱস্থা লোৱাৰ কাৰণে আজি ইন্দোৰ municipal coporation য়ে সফলতাৰ মুখ দেখিবলৈ পাইছে। এতিয়া আমাৰ যিবিলাক ঘৰে ঘৰে তেনেধৰণে আৱৰ্জনা হৈছে segregation কৰি সেইবিলাক আনিলে, ঠিক তেনেকৈ আমাৰ দোকান আছে, দোকানবিলাকৰ পৰাও তেনেধৰণৰ সংগ্ৰহ কৰি একেলগে

ডাষ্টবিন ৰাখি লৈ যোৱা হয়। য'ত মাছ মাংসৰ দোকান আছে তাতো তেওঁলোকে তেনেধৰণৰ container দি সেই container ত মাছ মাংসৰ যি আৱৰ্জনা থাকে বা বেয়া বস্তু থাকিব তাতে পেলাব দিয়া হয়। হস্পিতাল বা হোটেল যিবিলাকত আছে, তেনেকুৱা container দিয়া হৈছে আৰু তেনেকৈয়ে লৈ যোৱা হৈছে। কিন্তু আমাৰ গুৱাহাটীত সেই ব্যৱস্থাটো প্ৰৱৰ্তন কৰা নাই। আজি যিবিলাক solid waste manegement ৰ কাৰণে যিখিনি solid waste আছে, সেইখিনিৰ পৰা তেওঁলোকে ইতিমধ্যে Bio-CNG product কৰি আছে। তেওঁলোকে তাতে উৎপাদন কৰি আছে আৰু উৎপাদন কৰি গোটেই city ত ১৬ খন বাছ চলাচলৰ ব্যৱস্থা কৰিছে নিজৰ CNG দি। ঠিক তেনেকৈ সাৰ, fertilizer ৰ ব্যৱস্থা কৰা হৈছে। গতিকে মই ভাৱো, ইয়াত যদিও কিছু ব্যৱস্থা লৈছে এতিয়া দ্বীপৰ বিলৰ পাৰত যিটো dumping ground কৰা হৈছে তাতে উৎপাদনৰ কাৰণে ব্যৱস্থা কৰিছে, কিন্তু সেই উৎপাদনৰ যি ব্যৱস্থা কৰিছে তাত কোনো ধৰণৰ উৎপাদন হোৱা নাই। গতিকে মই ভাৱো যে, আমাৰ এটা scientific method ত যদি ইন্দোৰৰ দৰে ব্যৱস্থা লয় ভাল হ'ব যিহেতু এতিয়া তাত ডাষ্টবিন নাই। তাতে bin free city হিচাপে ঘোষণা কৰিছে। গতিকে আমাৰ তেনেকৈ ঘৰে ঘৰে গৈ segregation ৰ ব্যৱস্থা কৰক, যদি নকৰে তাতে জৰিমনাৰ ব্যৱস্থা কৰি তেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে, তেতিয়াহে আমাৰ গুৱাহাটীখন clean city হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ ডাঙৰীয়াই খুৱ গুৰুত্বপূৰ্ণ বিষয় আজি সদনত দৃষ্টি আকৰ্ষণ কৰিছে আৰু শ্ৰীৰমেন্দ্ৰ নাৰায়ণ ডাঙৰীয়াই সদায় দ্বীপৰ বিলক লৈ খুৱ concern হৈ থাকে সেই কাৰণে তেখেত সদায় ধন্যবাদৰ পাত্ৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** কিন্তু কাম একো হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** Please.

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** আপোনালোকৰ কাৰণে হোৱা নাই। কিয় হোৱা নাই মই সেইটোও কম। আপোনালোকৰ কাৰণে যে হোৱা নাই। যি সময়ত এই কথাবিলাক চিন্তা কৰিব লাগিছিল ৩০ বছৰৰ আগতে চিন্তা কৰিব লাগিছিল। তেতিয়া আপোনালোকৰ চৰকাৰ আছিল।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** আপুনি তেতিয়া আছিল। তথাপিও কওঁক। আপুনিও সেই চৰকাৰৰ MLA আছিল।

**মাননীয় অধ্যক্ষ ঃ** Please. Hon'ble Member

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** সিকদাৰ হুছেইন ডাঙৰীয়াৰ শুনাৰো ধৈৰ্য্য ৰাখিব। সঁচা কথাখিনি কম আজি। নিশ্চয়কৈ খুব গুৰুত্বপূৰ্ণ কথা কৈছে। গুৱাহাটীত হঠাতে মহামান্য আদলতে নিৰ্দেশনা দিছিল যে দীপৰবিলত আমি কোনো ধৰণৰ জাৰৰ জোথৰ পেলাব নোৱাৰো। এনেকুৱা সময়ত নিৰ্দেশনা দিছিল যে তাত কোনো বেলেগ infrastructure ও নাছিল যে তালৈ নি পেলাম। আমি মহামান্য আদলতৰ নিৰ্দেশনা মানি বৰাগাঁওলৈ আনিছিলো কাৰণ আগৰ যিটো দীপৰবিলৰ কথা কৈ আছে বৰাগাঁওৰ dump side টো, সেইটো আছিল eco-sensitive zone, সেই কাৰণে মহামান্য আদলতৰ নিৰ্দেশনা দিয়াৰ পিছত বেলৰ তলত, তাৰ ওচৰতে থকা স্থানত পেলাইছিলো। তাত আগতে কোনো ধৰণৰ infrastructure বনোৱা হোৱা নাছিল। হঠাতে আমি আদলতৰ নিৰ্দেশনা মানি বেলেগলৈ নিব বিচাৰিছিলো, চন্দ্ৰপুৰত তাৰ কাৰণে আন্দোলনো হৈছিল। কোনো মানুহে নিজৰ গাওঁ অঞ্চলত কেতিয়াও এই ধৰণৰ আৱৰ্জনা নিব নিদিছিল আৰু

বিৰোধীতা কৰিছিল। তাৰ কাৰণে আমি বিভিন্ন ঠাইত চেষ্টা কৰিও নোৱাৰি, ওচৰত বেলৰ তলত আৰম্ভ কৰিছিলো। তাত এটা কথা স্পষ্ট যে আজিৰ তাৰিখত গুৱাহাটীত প্ৰায় ৫০০ মেট্ৰিকটন জাৱৰ দৈনিক ওলাই আৰু সেই ৫০০ মেট্ৰিকটন জাৱৰৰ ক্ষেত্ৰত আমি তাত যিটো plan লগাইছো তাত ১৫০ মেট্ৰিকটন জাৱৰ process কৰিব পাৰো, দুটা shift ত process কৰি প্ৰায় ২৫০ ৰ পৰা ৩০০ মেট্ৰিকটন process কৰা হয় আৰু process জাৱৰটোক লৈ কোনো ধৰণৰ সমস্যা নাই। কাৰণ process জাৱৰটো বিভিন্ন ধৰণে process হৈ গুছি যায়, কিন্তু তাত অতিৰিক্তখিনিৰ কাৰণে আৰু এটা plan বনাবলৈ চেষ্টা কৰি আছো। আপোনালোকে জানি সুখী হ'ব বৰাগাঁৱত যি ধৰণৰ ডাঙৰ পাহাৰ সদৃশ জাৱৰ আছিল, সেই জাৱৰখিনি সম্পূৰ্ণ চাফা কৰিবৰ কাৰণে দুটা পৰ্য্যায়ত আমি কাম কৰিছিলো য'ত প্ৰথম পৰ্য্যায়ত ৩.৬১ লাখ মেট্ৰিকটন কৰা হৈছিল। দ্বিতীয় পৰ্য্যায়ত প্ৰতিদিনে ২২ শ মেট্ৰিকটনকৈ কৰিব পৰা এটা ব্যৱস্থাৰ জৰিয়তে ৮.৩২ লাখ মেট্ৰিকটন এতিয়ালৈকে সুন্দৰকৈ process কৰা হৈছে। যাৰ ফলত প্ৰায় ১১. ৯৩ লাখ মেট্ৰিকটন ইতিমধ্যে process হৈ গৈছে আৰু সেই process হোৱা ঠাইত এতিয়া সুন্দৰ খালী ঠাই হৈ পৰিছে, আৰু সেই পথাৰত আমি আমি এতিয়া Urban Forest বনাবলৈ planing কৰা হৈছে যাতে permanently গুৱাহাটী মহানগৰৰ পাৰি পাৰ্শ্বিকতাটো ৰক্ষা কৰিব পাৰি। গতিকে দীপৰবিল eco sensitive zone ত আমি নতুনকৈ গছ পুলি ৰোপন কৰাৰ plan কৰিছো, য'ত ইতিমধ্যে আপোনালোকে দেখিব যে বহুতো ঠাই, এতিয়া অকনমান ঠাই আৰু বাকী আছে, সেইখিনি খালী হোৱাৰ পিছত পুৰনি dump site টো সম্পূৰ্ণভাৱে খালী হৈ যাব।

এটা কথা স্পষ্ট যে এতিয়াও বেলৰ তলত আমি যিখিনি কাম কৰিছো, তাত যিমান waste আহে বা garbage আহে, সিমানখিনি আমি process কৰিব পৰা নাই, যাৰ কাৰণে তাতো এটা waste জমা হৈ গৈ আছে। কিন্তু ইতিমধ্যে আপোনালোকে জানে যে গুৱাহাটী পৌৰ নিগমে যিখিনি কাম কৰিছে, য'ত মই দুই চাৰিটা কথা আপোনালোকক কৈছো যে বেলৰ তলত ১৫০ TPD ৰ যিটো ক্ষমতা সম্পন্ন RDF plan আছে, সেইটো চলি আছে। তাৰ লগে লগে আপোনালোকে জানে গুৱাহাটী পৌৰ নিগমেই ছাত্ৰীবাৰীত এটা Bio-Methanol plant কাৰ্য্যক্ষম হৈ আছে, তাত প্ৰতিদিনে ৫ টন পৃথক কৰা জৈৱিক আৱৰ্জনা process কৰি ৪০ কিলোৱাট শক্তি আৰু ৪৫০ কিলোৱাট জুলীয়া সাৰ উৎপাদন কৰে। যিটো কথা সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছে, সেইটো কিন্তু বহুতে নাজানে যে গুৱাহাটীত এইবিলাক হৈ আছে। সেই কাৰণে সন্মানীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই অলপ চাই চিতি আহিব যে চৰকাৰখনে কি কৰি আছে আৰু আপোনালোকৰ দিনৰ চৰকাৰখনে যেতিয়া চণ্ডিগড়ত ৩০ বছৰ আগতে Sewerage পাইপ লাইন বহুৱাইছিল, পুৰি, ভুৱনেশ্বৰত ২৫ বছৰ আগত Sewerage পাইপ লাইন বহুৱাইছিল। এতিয়া ১৬০০ কোটি টকা আমাৰ ওচৰত পৰি আছে, প্ৰতিটো সময়ত NGT ৰ guideline ৰ ওপৰত আমাৰ মুখ্য সচিব ডাঙৰীয়াই গৈ hearing ত উপস্থিত হ'ব লাগে। আমি এতিয়া গুৱাহাটীত বনাব নোৱাৰো কাৰণ, গুৱাহাটীৰ চাৰিওফালে ৰাস্তা ঘাট এনেকুৱা হৈ গ'ল যে মানুহৰ কিমান হাৰাশাস্তি হ'ব চিন্তা কৰক। ৩০ বছৰ আগত যিবিলাক চহৰে চিন্তা কৰিছে, সেই সময়ত গুৱাহাটীত চিন্তা কৰা নহ'ল আৰু চিন্তা নকৰাৰ মুল কাৰণ কংগ্ৰেছ দলৰ চৰকাৰখন। তেওঁলোকে ৩০ বছৰ আগত সিদ্ধান্ত ল'ব লাগিছিল। ৩০ বছৰ আগত যদি চণ্ডীগড়ত কৰিব পাৰে, পুৰি, ভুৱনেশ্বৰত কৰিব পাৰে, আমাৰ কিয় কৰিব পৰা নাছিল। আজি ৩০ বছৰ পিছত আমাক এনেকুৱা ধৰণৰ legacy problem এটা দি তেওঁলোকে যদি বিধান সভাত চিঞৰ বাখৰ

কৰে, কেনেকৈ হ'ব? legacy problem আমি সমাধান কৰি গৈ আছো আৰু কৰি গৈ থাকিম। অহা ৫, ১০ বছৰৰ ভিতৰত দেখিব যে গুৱাহাটী ভাৰত বৰ্ষৰ এখন ভাল নগৰলৈ ৰূপান্তৰিত হ'ব। তাৰ উদাহৰণ হিচাপে আপোনাক কৈ থও যে যোৱা বছৰ Swachh Survekshan ৰ যিটো survey হৈছিল, সেই survey ত ইয়াৰ আগৰ বছৰৰ গুৱাহাটীৰ ranking আছিল ৪০২, এটা বছৰৰ ভিতৰত ৪০২ ranking ৰ পৰা ৪৪ নং স্থানলৈ গুৱাহাটী উন্নীত হৈছে। এয়া হ'ল আমাৰ চৰকাৰৰ কৃতিত্ব।

**শ্ৰী দূৰ্গা দাস বড়ো, কলাইগাঁও ঃ** মন্ত্ৰী মহোদয়, Sewerage system টো possible হবনে?

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী গৃহ আৰু নগৰ উন্নয়ন বিভাগ, ইত্যাদি ঃ** সমস্যা বহুত আছে, কাৰণ sewerage system টো কৰিবৰ কাৰণে গুৱাহাটীৰ গোটেই ৰাস্তা ঘাট খান্দিব লাগিব। বিভিন্ন ঠাইত ডাঙৰ ডাঙৰ পাইপ লাইন বহুৱাব লাগিব আৰু সেইটো আমি কৰিবই লাগিব। কাৰণ NGT ৰ আমাক strict guideline আছে। কিন্তু আমি যাতে ৰাইজৰ কোনো অসুবিধা নোহোৱাকৈ কামখিনি কৰিব পাৰো, তাৰে পৰিকল্পনা চিন্তা কৰি থকা হৈছে। গতিকে এই বিলাক বহুত দিনৰ পুৰণা সমস্যাই আজি আমাক ভাৰাক্ৰান্ত কৰিছে। সেই কাৰণে আমাৰ চৰকাৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এইবিলাক কাম অত্যন্ত গুৰুত্বসহকাৰে লৈছে আৰু চলাই আছে। তাৰ লগে লগে আপোনালোকক কওঁ যে গুৱাহাটী পৌৰ নিগমে ইতিমধ্যে ফাচী বজাৰৰ পুৰনি জেল চৌহদত ১৫০ TPD আৰু ১০০ TPD ক্ষমতা সম্পন্ন এটা MRF plant আৰু RTS plant এটাৰ কামো চলি আছে। কিন্তু আমি সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো আটাইতকৈ গুৰুত্বপূৰ্ণ কথা যে চৰকাৰে বা গুৱাহাটী পৌৰ নিগমে যিমানে চেষ্টা নকৰক কিয়, ৰাইজৰ সহায় সহযোগিতা আটাইতকৈ প্ৰয়োজনীয়। তেখেতে যেনেকৈ উদাহৰণ দিছে যে Indore ত wet আৰু dry garbage দুটা পেকেটত বেলেগকৈ মানুহে দিয়ে। সেই ব্যৱস্থাটো কৰিবৰ কাৰণে আমি ইতিমধ্যে নিৰ্দেশনাও দিছো। আনকি গুৱাহাটী পৌৰ নিগমে এতিয়া পৰিকল্পনা কৰিছে যে যিসকলে তেনেকুৱা wet আৰু dry waste হিচাপে ভাগ কৰি দিব, তেওঁলোকৰ কৰ কাতলৰ ক্ষেত্ৰত কিবা incentive দিব পাৰি নেকি, যে তেওঁলোকে ভালকৈ দিছে, গতিকে revenue incentive পাব। আমাৰ Swachh Bharat Mission ৰ অধীনত গ্ৰামীনত এটা ভাল application development কৰা হৈছিল, যিটো application আমি ইতিমধ্যে GMC কো ব্যৱহাৰ কৰিবলৈ কৈছো যে প্ৰতিঘৰ মানুহৰ পৰা জাৰৰখিনি লোৱাৰ লগে লগে তাত upload কৰিব পৰা বা কিবা complain থাকিলে, জনসাধাৰণেও যাতে তাক complain কৰিব পাৰে, তেনেকুৱা ধৰণৰ কিছুমান বৈজ্ঞানসন্মত পদ্ধতিত IT ৰ জৰিয়তে সেই বিলাক কৰিব পাৰো। সেই কথাবিলাকো আমাৰ চৰকাৰে চিন্তা চৰ্চা কৰি আছে। সেই কাৰণে আমাক অকণমান সময় লাগিব।

ইতিমধ্যে Cityz ৰ অধীনত কিছু নতুন নতুন পৰিকল্পনাৰ কাৰণে টকা পইচা আমাৰ দিছে। তাৰ লগে লগে আপোনালোকক জনাই থ'ও যে আমি কেন্দ্ৰীয় চৰকাৰ আৰু ONGC ৰ লগত এখন চুক্তি স্বাক্ষৰ কৰিছো, য'ত ভাৰতবৰ্ষৰ ১৪ খন এনেকুৱা নগৰত এনেধৰণৰ প্ৰকল্প সমূহৰ বিকাশৰ ব্যৱস্থা কৰিবৰ কাৰণে তাক লৈ আমাৰ কামসমূহ আগবাঢ়ি আছে। তেখেতসকলে কিছু ভূমি বিচাৰিছে, এই ভূমিৰ কথাও চলি আছে। এতিয়া ভাৰত বৰ্ষত বা পৃথিৱীত এনে এটা garbage collection system আছে, য'ত segregation ৰ প্ৰয়োজন নাই আৰু তাৰ পৰা

coal ইত্যাদি production কৰিব পাৰি, এনেকুৰা ধৰণৰ নতুন technology বিলাকো আহিছে। ইতিমধ্যে আমাৰ বিভাগে এই technology বিলাকৰো ওপৰতো অধ্যায়ন কৰি আছে। Technology ৰ মানুহে আমাক আহি লগো কৰিছে। সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যিটো Indore ৰ কথা কৈছে, আমাৰ বিভাগৰ বিষয়া Indore ত গৈ চাই আহিছে, আৰু মই ভাৱো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যিধৰণৰ শংকা আপোনালোকে কৰিছে, সেই শংকাবিলাক দূৰ কৰিবৰ কাৰণে আমি নিশ্চয়কৈ কাম কৰিম আৰু মই আশা ৰাখিছো যে কংগ্ৰেছ দলৰ সদস্যসকলে নিজে দি যোৱা সমস্যা বিলাক অন্তত নিজে ভাৰি ল'ব যে কোৱাৰ আগত অলপ ...... (interruption)

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, অকণমান clarification দিলে ভাল হয়। প্ৰকৃততে গুৱাহাটীত কেলেংকাৰী হৈছিল Ramky Environment আৰু শেহতীয়াকৈ North East Enviro। এই দুটা কোম্পানীক জাৰৰ পেলাব দিয়াৰ পিছত কেলেংকাৰী হৈছিল। এই ক্ষেত্ৰত কি কি ব্যৱস্থা ললে আৰু সেই সময়ত তদানিন্তত মন্ত্ৰী সকলৰ নাম যদি মন্ত্ৰী মহোদয়ে উল্লেখ কৰে, আমাৰ অকণমান.... (Interruption)

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীৰ হাতত তথ্য নাথাকিব পাৰে। কাৰণ এই বিষয়টো বেলেগ। এই debate নহয়। আপোনাৰ হাতত যদি কিবা তথ্য আছে, দি দিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, অজন্তা নেওঁগ বাইদেউ, কেপ্তইন ৰবিন বৰদলৈ, এই তিনিজন আছিল আৰু তেওঁলোকৰ দিনত হোৱা কেলেংকাৰী কিবা তদন্ত হৈছে যদি সেইখিনি চৰকাৰে গম পাব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী গৃহ আৰু নগৰ উন্নয়ন বিভাগ, ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যদি কিবা তথ্য আছে, মোক লিখিত ভাৱে দিব, মই লিখিত ভাৱে জনাই দিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া সন্মানীয় সদস্য নৱ কুমাৰ দলে।

**শ্ৰীনৱ কুমাৰ দলে, ঢকুৱাখানা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৫ নৱেম্বৰ,২০২৫ তাৰিখে অগ্ৰদূত কাকতত "ঢকুৱাখানাৰ চৌদিশে ভয়াৱহ পৰিৱেশ, শিল ভঙা যন্ত্ৰই সৃষ্টি কৰিছে প্ৰদূষণ"- এই গুৰুত্বপূৰ্ণ বিষয়টো আজি সদনত মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ সমষ্টিৰ সোনশিৰি নদীৰ দুয়োকাষে আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত বিভিন্ন শিলভঙা মেচিনৰ উদ্যোগ গঢ়ি উঠিছে। লগতে unorganized sector সমূহে বিভিন্ন ঠাইত নদী সমূহৰ পৰা বিভিন্ন source ৰে সংগ্ৰহ কৰি জধে-মধে গাৱঁৰ ভিতৰত, ধাননি পথাৰৰ মাজত সৰু সৰু মেচিন আৰু ডাঙৰ crusher machine ৰ জড়িয়তে সমগ্ৰ অঞ্চল প্ৰদূষিত কৰিছে। এই সমূহৰ জড়িয়তে বিগত দিন সমূহত স্থানীয় ৰাইজৰ বিভিন্ন ছালৰ ৰোগ, কেঞ্চাৰ, টি বি আদিৰ দৰে ৰোগ উৎপত্তি হোৱাৰ বিষয়ে জিলা প্ৰশাসন আৰু আমাকো স্থানীয় বিভিন্ন দল-সংগঠনে এই বিষয়টো চাবৰ কাৰণে সময়ে সময়ে দাবী জনাই আহিছে।

ইয়াৰ উপৰিও আমি কিছু ঠাইত লক্ষ্য কৰিছো যে গাৱঁৰ মানুহে নজনাকৈ গাওঁ অঞ্চল সমূহৰ ভিতৰুৱা অঞ্চল বিলাকৰ মাটিৰ শ্ৰেণী পৰিৱৰ্তন কৰি কিছুমান ঠাইত এনেধৰণৰ উদ্যোগ প্ৰতিষ্ঠা কৰাৰ বাবে ধাননি পথাৰ সমূহৰ লগতে আশে-পাশে থকা গাওঁ সমূহত বিভিন্ন নতুন নতুন ৰোগৰ উৎপত্তি হৈছে। এই সমগ্ৰ বিষয়টোৰে অতি ভয়ানক ৰূপ লৈছে। গতিকে, মই মাননীয় মন্ত্ৰী

ডাঙৰীয়াক আপোনাৰ জড়িয়তে অৱগত কৰিব খুজিছো যে এই অঞ্চল সমূহত এজন বিশেষ বিষয়াৰ জড়িয়তে সকলো বিষয় পুংখানুপুংখভাৱে তদন্ত কৰিব লাগে আৰু গাৱঁৰ মানুহে নজনাকৈ মাটিৰ শ্ৰেণী পৰিৱৰ্তনৰ জড়িয়তেও যদি কোনোবাই এই উদ্যোগ স্থাপন কৰিছে সেই সমূহ বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

লগতে, জনাব খুজিছো যে, সোনশিৰি নদীখনৰ পাৰতে এটা বালি মহল আছে। এই বালি মহলটোৱে সোনশিৰিৰ left bank ত নিজৰ ইচ্ছামতে ramp কাটি নিজৰ যাতায়তৰ সুবিধা কৰি লৈছে, যাৰবাবে খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰতো এটা ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। তাত ৰাতিপুৱা ৪ টাৰ পৰা গোটেই ৰাতি প্ৰায় ২০০-৩০০ ট্ৰেক্টৰে য'ত -ত'ত খনন কৰি বালি সংগ্ৰহ কৰাৰ ফলত পৰিৱেশ বিনষ্ট হৈছে । লগতে ওচৰত থকা গাৱঁৰ যাতায়ত ব্যৱস্থা, ৰাস্তা-ঘাট সমূহো খুৱ দুখলগা অৱস্থালৈ পৰিৱৰ্তিত হৈছে। কিছুদিন আগতে আমিও তালৈ গৈছিলো। সমগ্ৰ অঞ্চলতে এতিয়া ট্ৰেক্টৰ বা ডাঙৰ গাড়ী সমূহৰ যাতায়তী ব্যৱস্থাৰ কাৰণে এই অঞ্চল সমূহত যিবোৰ ঘৰ আছে, তাত থকাৰ পৰিৱেশ নোহোৱা হৈছে। গতিকে, এই সমগ্ৰ বিষয়টো যিহেতু এটা প্ৰদূষণ আৰু মানুহৰ স্বাস্থ্য আৰু জীৱন-সম্পত্তিৰ কথা জড়িত হৈ আছে, সেয়েহে সমগ্ৰ বিষয়টো অতি গুৰুত্ব সহকাৰে লৈ বিভাগৰ ফালৰ পৰা এজন বিশিষ্ট বিষয়াৰ জড়িয়তে সমগ্ৰ অঞ্চলত এনেধৰণৰ official বা non official সকলোখিনি পৰীক্ষা কৰাৰ বাবে আপোনালোকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো। বিষয়টো যিহেতু এটা অত্যন্ত স্পৰ্শকাতৰ গতিকে ইয়াৰ ওপৰত তদন্ত কৰি উচিত ব্যৱস্থা ল'ব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী নৱ কুমাৰ দলে ডাঙৰীয়াই ২০২৫ চনৰ ১৫ নৱেম্বৰ তাৰিখে দৈনিক অগ্ৰদূত কাকতত প্ৰকাশিত "ঢকুৱাখানাৰ চৌদিশে ভয়াৱহ পৰিৱেশ, শিল ভঙা যন্ত্ৰই সৃষ্টি কৰিছে প্ৰদূষণ"- শীৰ্ষ বাতৰিটোৰে দৃষ্টি আকৰ্ষণ কৰিছে। এই বিষয়ত notice খন পোৱাৰ পাছতে মই আমাৰ প্ৰদূষণ বোৰ্ডৰ লগতে উচ্চ পদস্থ বিষয়া সকলৰ লগত যোৱাকালি এই সম্পৰ্কত বহিছিলো। এটা কথাত মই নিজে আচৰিত মানিছো যে ইয়াত ৭ টা crusher machine আছে। যদি এটা সমষ্টিতে ৭ টা crusher machine থাকে, তাত নিশ্চয় প্ৰদূষণৰ কথা আহিব, তাত ডাম্পাৰ চলিবই আৰু শব্দৰ প্ৰদূষণ হ'বই। এই গোটেই বিষয়টো চোৱাৰ কাৰণেযোৱাকালি মই ৭ জন বৈজ্ঞানিকক লৈ এখন কমিটি গঠন কৰি দিছো। তেওঁলোকে সেই ঠাইবিলাক ভ্ৰমণ কৰিব আৰু তাৰ পাছত আমাক এটা ৰিপোৰ্ট দিব।

আজিৰ দিনত পৃথিৱীৰ দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় হৈছে Global warming and Climate change.Climate change ৰ প্ৰতি প্ৰদূষণৰ এটা বিশেষ ভূমিকা আছে। সেইকাৰণে আজি পৃথিৱীৰ প্ৰতিখন দেশে Global warming and Climate change ৰ কাৰণে আগবাঢ়ি আহিছে। আমাৰ এই প্ৰদূষণ প্ৰতিৰোধ কৰিবলৈ হ'লে continuous ambient air quality আৰু noise pollution যিটো আছে, সেইটো পৰীক্ষা কৰিব লাগিব আৰু তাৰবাবে মই তেওঁলোকক তালৈ পঠিয়াইছো। আমাৰ Ambient air quality ২৪ হয়। তেওঁলোকক সেই সমষ্টিটোৰ অন্তৰ্গত ঠাই সমূহত EM-25 আৰু EM-10 কিমান আছে সেই বিলাক পৰীক্ষা কৰিবলৈ দিয়া হৈছে। এই EM-25 আৰু EM-10 ৰ ৰিপোৰ্টত যদি EM-25 আৰু EM-10 ৰ element ৰ পৰিমাণটো বেছিকৈ পোৱা যায়, তেতিয়া সেইটো

প্ৰদূষিত অঞ্চল বুলি কোৱা হ'ব আৰু আমি তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম যদি inquiry report টো ঠিকমতে আছে।

ইতিমধ্যে সেই ৭ টা stone crusher machine ৰ ভিতৰত এটা বন্ধ হৈছে বুলি তথ্য পাইছো। গতিকে এই সম্পৰ্কে দলে ডাঙৰীয়াৰ যিটো concern সেইটো ৰাইজৰো concern। মই ভাবো যে ইমান প্ৰদূষণ হ'ব নালাগে। তেখেতে বালিৰ ক্ষেত্ৰত যিটো কথা কৈছে ইয়াৰ ওপৰত মই অৱগত নাছিলো। আজিহে মই অৱগত হ'লো। আজি সদনৰ পাছতে মই DFO ৰ লগত এই সংক্ৰান্তত কথা পাতিম আৰু অবৈধভাৱে যদি তাত বালিৰ খনন হৈ আছে সেইটো বন্ধ কৰি দিয়া হ'ব।

**শ্ৰী নৱ কুমাৰ দলে, ঢকুৱাখানা ঃ** ছাৰ, সময়টো specific কৰি দিলে ভাল হয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সময়টোৰ কথা তেখেতে যিটো কৈছে মোৰ হাতত থকা order খনত এনেদৰে দিয়া আছে - Under Dhakuakhana Constituency, Jurisdiction Dhakuakhana Sub-division in Lakhimpur District and submit the reports within 3 days to the Member Secretary of Assam Pollution Control Board.আজিৰ পৰা ৩ দিনৰ ভিতৰত ৰিপোৰ্ট দিব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া Supplementary Business. Item No. 1. Hon'ble Minister Shri Chandra Mohan Patowary.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "Assam State Compensatory Afforestation Fund Management and Planing Authority CAMPA 2020-21 and 2021-22 ৰ seperate Audit Report খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া Item No. 2.

ৰাজভৱনৰ পৰা এটা বাণী আছে । বাণীটো হ'ল-

Under the provision of Article 207(1) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam, recommend the introduction of "The Karbi Welfare Autonomous Council Bill, 2025" in the Assam Legislative Assembly.

এতিয়া মাননীয় মন্ত্ৰী শ্ৰী ৰণোজ পেগু ।

**Shri Ranoj Pegu, Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Karbi Welfare Autonomous Council Bill, 2025" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

Hon'ble Minister.

**Shri Ranoj Pegu, Minister :** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Karbi Welfare Autonomous Council Bill, 2025" সদনত উত্থাপনৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No. 3.

Shri Ranoj Pegu, Minister : মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "Assam Elementary and Secondary School Teachers (Regulation of Posting and Transfer) (Amendment) Bill, 2025" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

Hon'ble Minister.

**Shri Ranoj Pegu, Minister :** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "Assam Elementary and Secondary School Teachers (Regulation of Posting and Transfer) (Amendment) Bill, 2025" সদনত উত্থাপনৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No. 4.

Shri Ranoj Pegu, Minister : মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "Assam Education (Provincialisation of Services of Teachers and Re-Organization of Educational Institutions) (Amendment) Bill, 2025" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

Hon'ble Minister.

**Shri Ranoj Pegu, Minister :** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "Assam Education (Provincialisation of Services of Teachers and Re-Organization of Educational Institutions) (Amendment) Bill, 2025" সদনত উত্থাপনৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No. 5.

**Shri Ranoj Pegu, Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "Assam Education (Provincialisation of Services of Non-

Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2025”  সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ’ল বিধেয়কখন উত্থাপন  কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

প্ৰস্তাৱটো গৃহীত কৰা হ’ল।

**Shri Ranoj Pegu, Minister :** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই “Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2025” সদনত উত্থাপনৰ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া Item No. 6. Hon’ble Minister Shri Bimal Bora.

**Shri Chandra Mohan Patowary, Minister :** মাননীয় অধ্যক্ষ মহোদয়, on behalf on Industry Minister, Assam মই “The Assam Jana Vishwas (Amendment of Provisions) Bill, 2025”  সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ’ল বিধেয়কখন উত্থাপন  কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

প্ৰস্তাৱটো গৃহীত কৰা হ’ল।

Hon’ble Minister.

**Shri Chandra Mohan Patowary, Minister :** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই “The Assam Jana Vishwas (Amendment of Provisions) Bill, 2025”  সদনত উত্থাপনৰ কৰিলো।

Hon’ble Speaker: The House adjourned till 9.30 a.m. on 27-11-2025.